অন্তিম নবীকৰণ: জুলাই ১, ২০২১

# ক্ৰেডিট কাৰ্ডৰ সুবিধাসমূহ নিয়ন্ত্ৰণ কৰা চৰ্তাৱলী আৰু নিয়মাৱলী

এই চৰ্তাৱলী আৰু নিয়মাৱলী আইচিআইচিআই (ICICI) বেঙ্ক লিমিটেডৰ দ্বাৰা আগবঢ়োৱা ক্ৰেডিট কাৰ্ডৰ সুবিধাসমূহ নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰযোজ্য।

I. সংজ্ঞা আৰু ব্যাখ্যা: "এফিলিয়েট" ৰ অৰ্থ আৰু ইয়াত অন্তৰ্ভুক্ত হোৱা সমূহ তলত উল্লখ কৰা হৈছে:

- যিকোনো কোম্পানী যি হৈছে আইচিআইচিআই (ICICI) বেঙ্কৰ হোল্ডিং বা সহায়ক কোম্পানী, বা - আইচিআইচিআই (ICICI) বেঙ্কৰ নিয়ন্ত্ৰণত বা বেঙ্কৰ সৈতে উমৈহতীয়া অধীনত থকা ব্যক্তি, বা
- যিকোনো ব্যক্তি, যাৰ 26% বা অধিক ভোটিং চিকিউৰিটিত, আইচিআইচিআই (ICICI) বেঙ্কৰ প্ৰত্যক্ষ বা লাভজনক আগ্ৰহ বা নিয়ন্ত্ৰণ আছে।

এফিলিয়েটৰ সংজ্ঞাৰ উদ্দেশ্যৰ বাবে, যিকোনো ব্যক্তিৰ সন্দৰ্ভত ব্যৱহাৰ কৰিলে "নিয়ন্ত্ৰণ"ৰ অৰ্থ হৈছে এনে ব্যক্তিৰ পৰিচালনা আৰু পলিচিবোৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিৰ্দেশিত কৰাৰ ক্ষমতা, সেয়া চিকিউৰিটি কঢ়িয়াই অনা ভোটৰ মালিকীস্বত্বৰ জৰিয়তে হওঁক, চুক্তিৰ দ্বাৰা হওঁক বা অন্য পদ্ধতিৰেই হওঁক আৰু "ব্যক্তি" মানে হৈছে যিকোনো ব্যক্তি, কোম্পানী, প্ৰতিষ্ঠান, নিগম, অংশীদাৰীত্ব, সংস্থা বা আন কোনো অনুষ্ঠান বা সংগঠন বা আন প্ৰাকৃতিক বা আইনী ব্যক্তি।

"আবেদনকাৰী"ৰ অৰ্থ হৈছে আইচিআইচিআই (ICICI) বেঙ্কত কাৰ্ড এখনৰ বাবে আবেদন কৰা ব্যক্তি(সকল)।

"স্বিকৃতি প্ৰাপ্ত ডিলাৰ"ৰ অৰ্থ হৈছে বৈদেশিক মুদ্ৰা ব্যৱস্থাপনা আইন, 1999-ত (সময়ে সময়ে সংশোধন কৰা অনুসৰি) নিৰ্ধাৰিত কৰা অনুসৰি এজন স্বিকৃতি প্ৰাপ্ত ডিলাৰ।

"ব্যৱসায়ৰ দিন"ৰ অৰ্থ হৈছে এনে এটা দিন য'ত আবেদন প্ৰপত্ৰত উল্লেখিত আইচিআইচিআই (ICICI) বেঙ্কৰ প্ৰাসঙ্গিক কাৰ্যালয়ে বা যাৰ জৰিয়তে কাৰ্ডখন প্ৰদান কৰা হয় বা আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যক জাননী দিবলৈ মনোনীত কৰা এনে আন কাৰ্যালয় যিটো সাধাৰণ ব্যৱসায়িক লেনদেনৰ বাবে খোলা থাকে।

"কাৰ্ড" বা "ক্ৰেডিট কাৰ্ড" বা "ইএমআই কাৰ্ড" বা "অনলাইন ক্ৰেডিট কাৰ্ড" বা "বিজনেছ কাৰ্ড" বা "ভিছা এমচেক ক্ৰেডিট কাৰ্ড'ৰ অৰ্থ হৈছে আবেদনকাৰীৰ অনুৰোধত আইচিআইচিআই (ICICI)বেঙ্কে জাৰী কৰা আইচিআইচিআই (ICICI) বেঙ্কৰ ভিছা (VISA) / এএমইএক্স (AMEX) / মাষ্টাৰকাৰ্ড (MasterCard)ক্ৰেডিট কাৰ্ড বা আন যিকোনো ক্ৰেডিট কাৰ্ড।

"এপিআইএন (APIN)"ৰ অৰ্থ হৈছে কাৰ্ডখনৰ সন্দৰ্ভত আইচিআইচিআই (ICICI) বেঙ্কৰ দ্বাৰা কাৰ্ড সদস্যক আৱণ্টন কৰা বা কাৰ্ড সদস্য/ আইচিআইচিআই বেঙ্কে সময়ে সময়ে বাছনি কৰা ব্যক্তিগত পৰিচয় নম্বৰ, । (ভিছা এমচেক (Visa mCheck) কাৰ্ডত প্ৰযোজ্য নহয়)

"কাৰ্ড একাউণ্ট"ৰ অৰ্থ হৈছে  ইয়াত সন্নিবিষ্ট চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি ক্ৰেডিট কাৰ্ডব্যৱহাৰৰ উদ্দেশ্যে আইচিআইচিআই বেঙ্কৰ দ্বাৰা কাৰ্ড-সদস্যৰ নামত একাউণ্ট খোলা আৰু ৰক্ষণাবেক্ষণ কৰা।

"নগদ-সীমা (Cash-Limit)"ৰ অৰ্থ হৈছে আইচিআইচিআই (ICICI) বেঙ্কে নিৰ্ধাৰিত কৰা নগদ ধনৰ সৰ্বাধিক পৰিমাণ বা সমতুল্য, যাক কাৰ্ড সদস্যই তেওঁৰ কাৰ্ড একাউণ্টত ব্যৱহাৰ কৰিব পাৰে। নগদ-সীমাই কাৰ্ড সদস্যৰ ক্ৰেডিট-সীমা / ক্ৰয় সীমাৰ এটা উপসংহতি গঠন কৰে। (ভিছা এমচেক(Visa mChek) কাৰ্ডত প্ৰযোজ্য নহয়)

"মাচুল" ৰ অৰ্থ হৈছে এনে মাচুল যিবোৰ ইয়াৰ ষষ্ঠ দফা(Clause VI)ত নিৰ্ধাৰণ কৰা হৈছে বা এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ যিকোনো স্থানত উল্লেখ কৰা হৈছে। ইয়াত উল্লেখ কৰা মাচুলৰ সকলো বিৱৰণ সময়ে সময়ে সংশোধন কৰা অনুসৰি কাৰ্ড সদস্যক বিশেষভাৱে জনোৱা নহ'লে শুল্ক পৰিশিষ্টত প্ৰদান কৰা অনুসৰি হ'ব।

"কোম্পানী"ৰ অৰ্থ হৈছে কোম্পানী আইন, ১৯৫৬-ত (সময়ে সময়ে সংশোধন কৰা অনুসৰি) নিৰ্ধাৰিত এটা কোম্পানী।

"ক্ৰেডিট-সীমা / ক্ৰয় সীমা"ৰ অৰ্থ হৈছে কাৰ্ড সদস্যক তেওঁৰ ক্ৰেডিট কাৰ্ডত ব্যয় কৰিবলৈ অনুমোদন দিয়া টকাৰ সৰ্বাধিক  সীমা।

"আইচিআইচিআই সীমা (ICICI Limit)"ৰ অৰ্থ হৈছে আইচিআইচিআই (ICICI) বেঙ্ক লিমিটেড, ক্ৰেডিট কাৰ্ডৰ স্বত্বাধিকাৰী, ইয়াৰ উত্তৰাধিকাৰী আৰু অনুমোদিত প্ৰদানকাৰী।

"আইচিআইচিআই (ICICI) বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰ"ৰ অৰ্থ হৈছে আইচিআইচিআই (ICICI) বেঙ্কে কাৰ্ড সদস্যসকলক প্ৰদান কৰা আইচিআইচিআই (ICICI) বেঙ্ক-ফোন বেঙ্কিং সেৱা।

"ইনফিনিটি (Infinity)"ৰ অৰ্থ হৈছে আইচিআইচিআই (ICICI) বেঙ্কৰ ইণ্টাৰনেট বেঙ্কিং সেৱা / মালিকানাধীন ৱেবছাইট, ইউআৰএল www.icicibank.com আইচিআইচিআই বেঙ্কৰ দ্বাৰা স্থাপিত আৰু ৰক্ষণাবেক্ষণ কৰা বাণিজ্য নাম। (ভিছা এমচেক (Visa mChek) কাৰ্ডত প্ৰযোজ্য নহয়)

"বীমা কোম্পানী"ৰ অৰ্থ হৈছে আইচিআইচিআই লোম্বাৰ্ড জেনেৰেল ইঞ্চিউৰেন্স কোম্পানী লিমিটেড (ICICI Lombard General Insurance Company Limited) বা আইচিআইচিআই বেঙ্কে সময়ে সময়ে নিৰ্বাচিত কৰা আন যিকোনো বীমা কোম্পানী।

"সদস্য" বা "কাৰ্ডধাৰক" বা "কাৰ্ড সদস্য"ৰ অৰ্থ হৈছে আবেদনকাৰী যিজনক  তেওঁৰ নাম থকা কাৰ্ড এখন জাৰী কৰা হয় আৰু যিজনে এনে কাৰ্ড  ৰাখে।

"মাৰ্চেণ্ট এষ্টাব্লিছমেণ্ট"ৰ অৰ্থ হৈছে কোনো প্ৰতিষ্ঠান য'ত কাৰ্ডখন গ্ৰহণ কৰে আৰু ইয়াত অন্তৰ্ভুক্ত থাকিব আনবোৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে দোকান, ষ্টৰ, ৰেষ্টুৰেণ্ট, হোটেল, এয়াৰলাইন, এটিএম ৰ দৰে কেছ এডভান্স পইণ্ট আৰু মেইল অৰ্ডাৰ বিজ্ঞাপনদাতা (ৰিটেইলাৰ, ডিষ্ট্ৰিবিউটৰ বা নিৰ্মাতা যিয়েই নহওঁক)।

"মাৰ্চেণ্ট"ৰ অৰ্থ হৈছে যিকোনো ব্যক্তি যি ব্যৱসায়ী প্ৰতিষ্ঠানৰ গৰাকী বা পৰিচালনা কৰে, ইয়াৰ উত্তৰাধিকাৰী আৰু অনুমতি প্ৰাপ্ত প্ৰদানকাৰী।

"নিম্নতম দেয় পৰিমাণ" বা "এমএডি" ("Minimum Amount Due" or "MAD")ৰ অৰ্থ হৈছে বিবৃতিত বা টোকাত উল্লেখ কৰা পৰিমাণ। "দেয় মুঠ পৰিমাণ" বা "টিএডি" ( "Total Amount Due" or "TAD")ৰ অৰ্থ হৈছে বিবৃতি বা টোকাত উল্লেখ কৰা পৰিমাণ।

"পৰিশোধৰ তাৰিখ" ("Payment Due Date")ৰ অৰ্থ হৈছে প্ৰতি মাহৰে এটা বিশেষ তাৰিখ, যিদিনা কাৰ্ড সদস্যই কাৰ্ডখন ব্যৱহাৰ কৰাৰ বাবদ পৰিশোধ কৰিব লগা মাচুল আদায় দিব লাগে আৰু এই মাচুল বিবৃতিৰ জৰিয়তে জনোৱা অনুসৰি পৰিশোধ কৰা হয়।

"প্ৰাথমিক কাৰ্ড সদস্য" ("Primary Card Member") হৈছে সেই জন ব্যক্তি যাৰ নামত কাৰ্ড একাউণ্ট খোলা হৈছে আৰু যিজনক কাৰ্ডখন জাৰী কৰা হৈছে।

"আৰবিআই (RBI)"ৰ অৰ্থ হৈছে ভাৰতীয় ৰিজাৰ্ভ বেংক।

"বিবৃতি (Statement)"ৰ অৰ্থ হৈছে আইচিআইচিআই (ICICI) বেঙ্কে কাৰ্ড একাউণ্টৰ সন্দৰ্ভত প্ৰাথমিক কাৰ্ড-সদস্য আৰু আইচিআইচিআই বেঙ্কৰ সেই কাৰ্ড একাউণ্টৰ যিকোনো পৰিপূৰক কাৰ্ড সদস্যৰ বিত্তীয় দায়বদ্ধতা নিৰ্ধাৰণ কৰি কাৰ্ড সদস্য জনলৈ প্ৰেৰণ কৰা একাউণ্টৰ মাহিলী বিবৃতি।

"পৰিপূৰক কাৰ্ড সদস্য (Supplementary Card Member)"ৰ অৰ্থ হৈছে প্ৰাথমিক কাৰ্ড সদস্যৰ পৰিয়ালৰ সদস্য যি প্ৰাথমিক কাৰ্ড সদস্যৰ সৈতে থকা তেওঁৰ সম্পৰ্কৰ বাবে কাৰ্ড সদস্য হয়। (এমচেক (mChek)ত পৰিপূৰক কাৰ্ড প্ৰযোজ্য নহয়)

"মাচুল পৰিশিষ্ট (Tariff Annexure)"ৰ অৰ্থ হৈছে কাৰ্ডত আগবঢ়োৱা সেৱাবোৰৰ বাবে প্ৰযোজ্য মাচুলৰ বিৱৰণ দিয়া এক পৰিশিষ্ট। এই মাচুলবোৰ আইচিআইচিআই বেংকৰ নিজা বিবেচনা সাপেক্ষে পৰিৱৰ্তন হ'ব পাৰে । অৱশ্যে, মাচুলৰ এনে পৰিৱৰ্তন কাৰ্ড সদস্যক 30 দিনৰ আগতীয়া জাননী প্ৰদান কৰি হে সম্ভাৱ্য প্ৰভাৱৰ সৈতে কাৰ্য্যকৰী কৰা হ'ব পাৰে।

"লেনদেনৰ নিৰ্দেশনা (Transaction Instruction)"ৰ অৰ্থ হৈছে কাৰ্ড সদস্য এজনে প্ৰত্যক্ষ বা পৰোক্ষভাৱে আইচিআইচিআই বেঙ্কক আৰু /বা আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰৰ জৰিয়তে আৰু /বা ইণফিণিটি (Infinity)ৰ জৰিয়তে লেনদেনটো কাৰ্য্যকৰী কৰিবলৈ দিয়া যিকোনো নিৰ্দেশনা, । লেনদেনৰ নিৰ্দেশনাত অন্তৰ্ভুক্ত থাকিব, চাৰ্জ স্লিপ, নগদ এডভান্স স্লিপ বা মেইল অৰ্ডাৰ কুপন যদিও কেৱল এইকেইটাই সীমাবদ্ধ নহয়।

এই "চৰ্তাৱলী আৰু নিয়মাৱলী"ৰ অৰ্থ হৈছে ইয়াত নিৰ্ধাৰিত চৰ্তাৱলী আৰু নিয়মাৱলী আৰু/ বা আইচিআইচিআই বেঙ্কে সময়ে সময়ে সংশোধন অনুসৰি নিৰ্ধাৰণ কৰা ধৰণে হ'ব । এই চৰ্তাৱলী আৰু নিয়মাৱলীত, যেতিয়ালৈকে বিপৰীত অভিপ্ৰায় দেখা নাযায়: -

(ক) "সংশোধনী"ৰ প্ৰসংগত অন্তৰ্ভুক্ত থাকে কোনো পৰিপূৰক, পৰিৱৰ্তন, নৱসংযোজন, প্ৰতিস্থাপন বা

পুনৰ প্ৰণয়ন আৰু "সংশোধিত"ই সেই অনুসৰিয়ে বুজাব লাগিব; "অনুমোদন" বা "অনুমতি"ত অন্তৰ্ভুক্ত থাকে এক ক্ষমতাপ্ৰদান, সন্মতি, বিলোপকৰণ, অনুমোদন, অনুমতি, সমাধান, অনুজ্ঞাপত্ৰ, ৰেহাই, দাখিল আৰু পঞ্জীয়ন; "আইন"ত অন্তৰ্ভুক্ত থাকে যিকোনো সংবিধান, বিধি, আইন, নিয়ম, অধ্যাদেশ, বিচাৰ, আদেশ, বিধিলিপি, অনুমোদন, বা যিকোনো প্ৰকাশিত, নিৰ্দেশিত, নিৰ্দেশনা, প্ৰয়োজনীয়তা বা আইন প্ৰণয়নৰ ক্ষেত্ৰত চৰকাৰী প্ৰতিবন্ধকতা, বা সেই আইনৰ ওপৰত যিকোনো ন্যায়িক কৰ্তৃপক্ষৰ দ্বাৰা, নিৰ্ধাৰিত ধৰণে সেই আইন আবেদন পত্ৰ স্বাক্ষৰ/জমা দিয়া তাৰিখলৈকে বা তাৰপাছত সময়ে সময়ে কৰা প্ৰতিটো সংশোধন কাৰ্য্যকৰী হৈ আছে নে নাই।

(খ) একবচনত বহুবচন অন্তৰ্ভুক্ত থাকে (আৰু একেদৰে ইয়াৰ পৰিপূৰক);

(গ) এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ শীৰ্ষকবোৰ কেৱল প্ৰসংগৰ সুবিধাৰ বাবে অন্তৰ্ভুক্ত কৰা হয় তথা চৰ্তাৱলী আৰু নিয়মাৱলী বুজাবলৈ আৰু ব্যাখ্যা কৰাৰ ক্ষেত্ৰত ইবোৰ উপেক্ষা কৰিব লাগিব;

(ঘ) "অন্তৰ্ভুক্ত" বা "অন্তৰ্ভুক্ত হৈ থাকা" শব্দবোৰৰ প্ৰসংগ সীমাবদ্ধতা অবিহনে বুজাব লাগিব;

(ঙ) লিংগ এটাৰ প্ৰসংগত মহিলা, পুৰুষ আৰু যিকোনো লিংগৰ প্ৰসংগ অন্তৰ্ভুক্ত থাকিব;

(চ) যিকোনো বিষয়ৰ বাবে আইচিআইচিআই বেংকৰ পৰা প্ৰয়োজনীয় সকলো অনুমোদন, অনুমতি, সন্মতি বা গ্ৰহণযোগ্যতাৰ বাবে আইচিআইচিআই বেংকৰ আগতীয়া, লিখিত অনুমোদন, অনুমতি, সন্মতি বা গ্ৰহণৰ প্ৰয়োজন হ'ব;

(ছ) ভিছা/মাষ্টাৰকাৰ্ড (VISA/MASTERCARD) নিয়মাৱলীৰ প্ৰসংগ ইয়াৰ নেটৱৰ্কৰ সকলো সদস্য বেংকক ভিছা/মাষ্টাৰকাৰ্ডে (VISA/MASTERCARD) জাৰী কৰা নিৰ্দেশনাৰ সৈতে সম্পৰ্কিত।

(জ) আইচিআইচিআই বেংক আৰু কাৰ্ড সদস্যৰ মাজত কোনো বিষয়ত, য'ত অন্তৰ্ভূক্ত থাকিব যিকোনো ঘটনা, সৃষ্টি, পৰিস্থিতি, পৰিৱৰ্তন, তথ্য, দস্তাবেজ, অনুমোদন, প্ৰক্ৰিয়া, কাৰ্য, বাদ পৰা, দাবী, উলংঘন, ডিফল্ট বা অন্য কোনো বিষয়ত যিকোনো মতবিৰোধ বা বিবাদৰ ক্ষেত্ৰত , বিবাদ নিষ্পত্তি কৰাৰ বাবে আইচিআইচিআই বেংকৰ সিদ্ধান্তই চূড়ান্ত হ'ব যিটো মানি লবলৈ কাৰ্ড সদস্য জন দ্বায়বদ্ধ হ'ব।

(ঝ) কাৰ্ড বা আন কোনো ঠাইত "আইচিআইচিআই বেংক ক্ৰেডিট কাৰ্ড চুক্তি (ICICI Bank Credit Card Agreement)" এই শব্দবোৰ ব্যৱহাৰ কৰাৰ অৰ্থ হৈছে এই চৰ্তাৱলী আৰু নিয়মাৱলী সমূহ।

II. কাৰ্ড সেৱাসমূহ

কাৰ্ডখন হৈছে আইচিআইচিআই বেংকৰ সম্পত্তি। আই.চি.আই.চি.আই. বেংকে (১)ক্ৰেডিট ব্যুৰো প্ৰতিবেদন আৰু এনে অন্যান্য প্ৰতিবেদন প্ৰাপ্ত কৰি আৱেদনকাৰীৰ ঋণৰ যোগ্যতা নিৰ্ণয় কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে যিহেতু ই প্ৰয়োজনীয় বুলি বিবেচিত হ'ব পাৰে আৰু (২) যিকোনো আবেদনকাৰীক ইয়াৰ একপক্ষীয় বিবেচনাত কাৰ্ড জাৰী কৰিবলৈ অস্বীকাৰ কৰিব পাৰে। কাৰ্ডখন স্থানান্তৰযোগ্য নহয় আৰু ইয়াৰ ব্যৱহাৰ ইয়াত উল্লেখ কৰা চৰ্তাৱলী আৰু সময়ে সময়ে আইচিআইচিআই বেংকে নিৰ্ধাৰণ কৰা যিকোনো অতিৰিক্ত চৰ্তাৱলী সাপেক্ষেহে কৰিব পাৰিব। কাৰ্ড সদস্যই কাৰ্ডখন প্ৰাপ্ত কৰাৰ লগে লগে কাৰ্ডখনৰ ওলোটা অংশত স্বাক্ষৰ কৰিব। আইচিআইচিআই বেংক গ্ৰাহক সেৱা কেন্দ্ৰ আৰু/বা

ইণফিণিটি(Infinity)  সকলো কাৰ্ড সদস্যৰ বাবে উপলব্ধ। কাৰ্ড সদস্যৰ বাবে উপলব্ধ সেৱা সমূহ য'ত অন্তৰ্ভূক্ত আছে (কেৱল এই সমূহতেই সীমিত নহয়) আইচিআইচিআই বেঙ্কৰ গ্ৰাহক সেৱা কেন্দ্ৰ আৰু/বা ইণফিণিটি(Infinity)ৰ জৰিয়তে  ক্ৰেডিট সীমা বৃদ্ধি, লেনদেনৰ ওপৰত অনুসন্ধান, মুঠ দেয় পৰিমাণ, বিবৃতিৰ বিৱৰণ, পৰিশোধ দেয় তাৰিখ ইত্যাদি, সকলো সময়তে আইচিআইচিআই বেঙ্কৰ দ্বাৰা নিৰ্ধাৰিত চৰ্তাৱলী আৰু নিয়মাৱলী (সময়ে সময়ে কৰা সংশোধনৰ ভিত্তিত) ৰ দ্বাৰা আৱদ্ধ হৈ থাকিব।

III. কাৰ্ডৰ ব্যৱহাৰ

(ক) আন্তৰ্জাতিকভাৱে বৈধ কাৰ্ড এখনৰ ক্ষেত্ৰত, কাৰ্ডখন তলৰ দফা ৩ (জ)ত উল্লেখ কৰা বাহিৰে বিশ্বব্যাপী বৈধ। অন্যান্য কাৰ্ডৰ ক্ষেত্ৰত, ভাৰতত ভিছা/ভিছা ইলেক্ট্ৰন ক্ৰেডিট কাৰ্ড/মাষ্টাৰকাৰ্ড/এএমইএক্স (VISA/VISA Electron Credit Cards/MasterCard/AMEX) গ্ৰহণ কৰা কেৱল মাৰ্চেণ্ট প্ৰতিষ্ঠানবোৰত ব্যৱহাৰ সীমিত কৰা হয়। অৱশ্যে, আই.চি.আই.চি.আই. বেঙ্ক আৰু সংশ্লিষ্ট মাৰ্চেণ্ট এষ্টাব্লিচমেণ্টে যিকোনো সময়তে, যিকোনো কাৰণতে সেই মাৰ্চেণ্ট এষ্টাব্লিছমেণ্টত ক্ৰেডিট কাৰ্ড ব্যৱহাৰ অস্বীকাৰ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। ক্ৰেডিট কাৰ্ডখন কেৱল বনাফাইড ব্যক্তিগত বা চৰকাৰী উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা হ'ব পাৰে আৰু ইয়াৰ ব্যৱহাৰ কাৰ্ড সদস্যই অপ্ৰয়োজনীয় ভাৱে ব্যৱহাৰ কৰাৰ অনুমতি দিয়া নহয়। যদি ক্ৰয় বা অন্যান্য সুবিধাৰ বাবে ব্যৱসায়ী প্ৰতিষ্ঠানৰ দ্বাৰা কাৰ্ড সদস্যই বহন কৰা মাচুলৰ ওপৰত যিকোনো মাচুল  আৰোপ কৰা হয়, , সেইটো মাৰ্চেণ্ট প্ৰতিষ্ঠানৰ সৈতে নিষ্পত্তি কৰা হ'ব আৰু আইচিআইচিআই বেঙ্কক ইয়াৰ বাবে কোনো ধৰণে দায়বদ্ধ কৰা নহ'ব। মাৰ্চেণ্ট এষ্টাব্লিছমেণ্টত কাৰ্ডখন ব্যৱহাৰ কৰাৰ পিছত, কাৰ্ড সদস্যই চাৰ্জ-স্লিপ স্বাক্ষৰ কৰাৰ সময়ত চাৰ্জ-শ্লিপৰ প্ৰতিলিপি সংগ্ৰহ কৰিব লাগিব। কাৰ্ড সদস্যই চাৰ্জ-স্লিপ স্বাক্ষৰ কৰাৰ বাবে দায়বদ্ধ হ'ব; কাৰ্ড সদস্যই চাৰ্জ-স্লিপ স্বাক্ষৰ নকৰিলে, কাৰ্ড সদস্যৰ লেনদেন/বোৰ আৰু ইয়াৰ সম্পৰ্কত সকলো মাচুলৰ বাবে নিজেই দায়বদ্ধ হৈ থাকিব। আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যক চাৰ্জ শ্লিপৰ প্ৰতিলিপি প্ৰদান নকৰে; অৱশ্যে যদি কাৰ্ড সদস্যই প্ৰাসঙ্গিক লেনদেন কৰাৰ পৰা পঞ্চল্লিছ দিনৰ ভিতৰত এনে অনুৰোধ কৰে, আইচিআইচিআই বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনা অনুসৰি, শুল্ক পৰিশিষ্টত উল্লেখ কৰা এক মাচুলৰ বিনিময়ত চাৰ্জ শ্লিপৰ প্ৰতিলিপি প্ৰদান কৰিব পাৰে। আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাৰ আধাৰত কাৰ্ড সদস্যক মেইল অৰ্ডাৰ বা টেলিফোন অৰ্ডাৰ ক্ৰয় কাৰ্যকৰী কৰাৰ সুবিধা প্ৰদান কৰিবলৈ সন্মত হ'ব পাৰে।

অনলাইন ক্ৰেডিট কাৰ্ডএখনৰ ব্যৱহাৰ কেৱল অনলাইন লেনদেন / মেইল অৰ্ডাৰত সীমাবদ্ধ থাকিব। অনলাইন ক্ৰেডিট কাৰ্ড এখন কেৱল পৰিপূৰক কাৰ্ড / এড-অন কাৰ্ড হিচাপে জাৰী কৰা হ'ব, প্ৰাথমিক কাৰ্ড হিচাপে নহয়, বা আইচিআইচিআই বেঙ্কে সময়ে সময়ে ইয়াৰ একমাত্ৰ বিবেচনাত যিদৰে নিৰ্ধাৰণ কৰে। ভিছা এমচেক (Visa mCheck) কাৰ্ডৰ ব্যৱহাৰ ম'বাইলৰ জৰিয়তে পৰিশোধ আৰু/বা ক্ৰয়ত সীমাবদ্ধ থাকিব। ভিছা এমচেক (Visa mCheck) ক্ৰেডিট কাৰ্ড খন এখন কেৱল পৰিপূৰক কাৰ্ড হিচাপে জাৰী কৰিব পাৰি কিন্তু প্ৰাথমিক কাৰ্ড নহয়, বা আইচিআইচিআই

বেঙ্কে সময়ে সময়ে ইয়াৰ একমাত্ৰ বিবেচনা অনুসৰি এইক্ষেত্ৰত অৱগত কৰিব পাৰে। কাৰ্ড সদস্যজন অৱগত যে মেইল অৰ্ডাৰ টেলিফোন অৰ্ডাৰ বা ম'বাইলৰ দ্বাৰা ক্ৰয়ৰ ক্ষেত্ৰত, ক্ৰয় কৰাৰ সময়ত কাৰ্ড সদস্যই চাৰ্জ স্লিপত স্বাক্ষৰ নকৰে। সেই অনুসৰি, কাৰ্ড সদস্যই স্বীকাৰ কৰে যে, আনকি এনে ক্ৰয় বা মাচুলৰ সত্যতা বা বৈধতা সম্পৰ্কে যিকোনো বিবাদৰ ক্ষেত্ৰতো, যিকোনো কাৰণতে, কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক প্ৰাপ্য সকলো বকেয়া মাচুল পৰিশোধ কৰিব।

(খ) সকলো বিবাদ কাৰ্ড সদস্য আৰু সংশ্লিষ্ট ব্যৱসায়িক প্ৰতিষ্ঠানৰ মাজৰ বিষয় আৰু ইয়াক এই দুইপক্ষৰ দ্বাৰাই মীমাংসা কৰা হ'ব আৰু নিষ্পত্তি কৰা হ'ব। আই.চি.আই.চি.আই. বেঙ্ক ইয়াৰ বাবে যিকোনো প্ৰকাৰে দায়বদ্ধ নহ'ব.

(গ) কাৰ্ডখন ব্যৱহাৰ কৰিব পাৰি: (১) আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যক জনোৱা ক্ৰেডিট-সীমাৰ ভিতৰত; আৰু (২) কাৰ্ডত লিপিবদ্ধ মাহটোৰ অন্তিম তাৰিখৰ পাছত নহয়।

(ঘ) কাৰ্ড সদস্যৰ কাৰ্ড খন ব্যৱহাৰ কৰাৰ অধিকাৰৰ সিদ্ধান্ত তৎক্ষণাৎ নিৰ্ধাৰণ কৰা হ'ব: (১) তলৰ দফা পঞ্চম অনুসৰি সমাপ্তিৰ ক্ষেত্ৰত; বা (২) কাৰ্ড হেৰুওৱা/অপব্যৱহাৰ বা চুৰি হোৱাৰ ক্ষেত্ৰত।

(ঙ) কাৰ্ডখন ব্যৱহাৰ কৰাৰ লগে লগে, যেতিয়ালৈকে আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰ/ইণফিণিটি (Infinity) ক কাৰ্ড সদস্যই কোনো জাননী নিদিয়ে, তেনে ক্ষেত্ৰত সেই কাৰ্ডখনৰ প্ৰতিস্থাপন ম্যাদ নবীকৰণ কৰাৰ বাবে কাৰ্ড সদস্যই এক স্থায়ী অনুৰোধ কৰা বুলি গণ্য কৰা হয় আৰু/বা তেনে নবীকৰণ আৰু/ বা প্ৰতিস্থাপন আইচিআইচিআই বেঙ্কৰ একমাত্ৰ বিবেচনা সাপেক্ষে হ'ব।

(চ) ক্ৰেডিট কাৰ্ড কাৰ্যসূচী বন্ধ হ'লে বা ক্ৰেডিট কাৰ্ড নৱীকৰণৰ সময়ত, আইচিআইচিআই বেঙ্ক লিমিটেডে ইয়াৰ একমাত্ৰ বিবেচনাত পূৰ্বৰ কাৰ্ডৰ প্ৰকাৰতকৈ পৃথক প্ৰকাৰৰ কাৰ্ড এখন প্ৰদান কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। যিকোনো সময়তে যিকোনো ক্ৰেডিট কাৰ্ডৰ ক্ৰেডিট সীমা আৰু নগদ সীমা আইচিআইচিআই বেংক লিমিটেডৰ একমাত্ৰ বিবেচনা অনুসৰি নিৰ্ধাৰণ হ'য়।

(ছ) কাৰ্ড সদস্যই কাৰ্ড আৰু আইচিআইচিআই বেঙ্কৰ সৈতে সকলো লেনদেনৰ সন্দৰ্ভত সকলো সময়তে সৎ বিশ্বাসেৰে কাম কৰিব।

(জ) নেপাল আৰু ভূটানৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত বৈদেশিক মুদ্ৰাত পৰিশোধৰ বাহিৰে কাৰ্ড সদস্যক জাৰী কৰা আন্তৰ্জাতিক ভাৱে বৈধ কাৰ্ডখন বিশ্বব্যাপী বৈধ। যি কাৰ্ডৰ ব্যৱহাৰ কেৱল ভাৰত / নেপাল / ভূটানত সীমাবদ্ধ, তেনে কাৰ্ড ভাৰত/ নেপাল/ ভূটানৰ বাহিৰত ব্যৱহাৰ কৰাটো হৈছে "বৈদেশিক মুদ্ৰা ব্যৱস্থাপনা আইন" (FEMA) বা আন যিকোনো সংশ্লিষ্ট আইনৰ উলংঘন। কাৰ্ড সদস্যই এই চৰ্তবোৰ উলংঘা কৰি অন্যায়ভাৱে ব্যৱহাৰ কৰাৰ বাবে সম্পূৰ্ণ দায়বদ্ধতা স্বীকাৰ কৰে আৰু কাৰ্ড সদস্যই ইয়াৰ ব্যৱস্থা উলংঘন কৰাৰ ফলত আইচিআইচিআই বেঙ্কে বহন কৰিব পৰা আন যিকোনো লোকচান, ক্ষতি, সূত, ৰূপান্তৰ, আন যিকোনো বিত্তীয় মাচুল পূৰণ কৰাৰ বাবে আইচিআইচিআই বেঙ্কক ক্ষতিপূৰণ দিবলৈ সন্মত হয়।

(ঝ) আন্তৰ্জাতিকভাৱে বৈধ কাৰ্ড যিকোনো উদ্দেশ্যৰ বাবে ইণ্টাৰনেটত ব্যৱহাৰ কৰিব পাৰি যাৰ বাবে

ভাৰতৰ এজন কর্তৃত্বপ্রাপ্ত ডিলাৰৰ পৰা প্রয়োজনীয় বিনিময় টকা ক্রয় কৰিব পাৰি।

(ঞ) আন্তর্জাতিকভাৱে বৈধ কার্ড আৰু আন সকলো কার্ড ইণ্টাৰনেটত বা অন্য কোনো মাধ্যমতে নিষিদ্ধ সামগ্রী যেনে লটাৰী টিকট, নিষিদ্ধ আলোচনী ক্রয়, চুইপষ্টেকত অংশগ্রহণ, কলবেক সেৱাৰ বাবে পৰিশোধ, বিদেশী ফৰেক্স ট্রেডিংলৈ যিকোনো প্রকাৰে প্রেৰণ, বিদেশী এক্সচেঞ্জ/বিদেশী প্রতিপক্ষলৈ মার্জিন কল, ঘৰুৱা/বিদেশী বজাৰত বৈদেশিক মুদ্রাত ব্যৱসায় আদিৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি।

(ট) কর্তৃত্বপ্রাপ্ত ডিলাৰসকলে ভাৰতৰ ভিতৰত কৰা কোনো ৰপ্তানীৰ ক্ষেত্রত আমদানিকর্তা গ্রাহকৰ পৰা, তেওঁ ভাৰত ভ্রমণত আছে নে নাই সেই কথা নির্ভৰ নকৰাকৈয়ে ক্রেডিট কার্ডলৈ ডেবিটযোগে পৰিশোধ গ্রহণ কৰিব পাৰে। সেয়েহে, কর্তৃত্বপ্রাপ্ত ডিলাৰসকলে এজন আমদানিকর্তাৰ ক্রেডিট কার্ডলৈ ডেবিটযোগে ভাৰতৰ বাহিৰত কৰা ৰপ্তানিৰ বাবে পৰিশোধ প্রাপ্ত কৰিব পাৰে, য'ত কার্ড জাৰী কৰা বেঙ্ক/সংগঠনৰ পৰা পৰিশোধ বৈদেশিক মুদ্রাত প্রাপ্ত কৰা হ'ব।

(i) আই.চি.আই.চি.আই. বেঙ্কে কোনো কাৰণ নিদিয়াকৈ কার্ডত অনুমোদনৰ অনুৰোধ বোৰ অস্বীকাৰ বা গ্রহণ কৰাৰ সিদ্ধান্ত বিবেচনা কৰাৰ বাবে স্বাধীন ভাৱে সংৰক্ষিত ৰাখে। কিছুমান ক্ষেত্রত, ইয়াৰ একমাত্র বিবেচনা সাপেক্ষে, আইচিআইচিআই বেঙ্কে কার্ড সদস্যক লেনদেনটো অনুমোদন কৰাৰ আগতে প্রমাণীকৰণ কৰিবলৈ আৰু কার্ড একাউণ্টলৈ চার্জ কৰাৰ আগতে আইচিআইচিআই বেঙ্ক গ্রাহক সেৱা কেন্দ্রৰ সৈতে যোগাযোগ কৰিব লাগিব পাৰে।

(ii) কার্ড সদস্যই সন্মত হৈছে যে তেওঁ কার্ডখন কোনো অবৈধ/বেআইনী ক্রয়/উদ্দেশ্যৰ বাবে পৰিশোধ হিচাপে ব্যৱহাৰ নকৰিব।

(ড) কেৱল ব্যক্তিগত ব্যয় আৰু উদ্দেশ্যৰ বাবে ক্রেডিট কার্ড জাৰী কৰা হয়। কার্ডধাৰকে বাণিজ্যিক বা ব্যৱসায়িক উদ্দেশ্যৰ বাবে পুনৰ বিক্রীৰ বাবে কোনো ক্রয় কৰিবলৈ ক্রেডিট কার্ড ব্যৱহাৰ কৰিব নালাগে। ক্রেডিট কার্ডখন কেৱল আইনী, সৎ ব্যক্তিগত উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিব লাগে আৰু কোনো হাৱালা, অসামাজিক বা অনুমানমূলক কার্যকলাপৰ বাবে ব্যৱহাৰ কৰিব নালাগে বা ব্যৱসায়ত বাণিজ্যিকভাৱে ব্যৱহাৰ কৰিব নালাগে (উদাহৰণ স্বৰূপে, কার্যকৰী মূলধনৰ উদ্দেশ্যৰ বাবে)। (ঠ) যদি ক্রেডিট কার্ডখন ওপৰত উল্লেখ কৰা অনুসৰি নিষিদ্ধ, সীমাবদ্ধ, বাণিজ্যিক উদ্দেশ্য বা যিকোনো উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা দেখা যায়, আইচিআইচিআই বেঙ্কে ইয়াৰ একমাত্র বিবেচনাত, কার্ডধাৰকক কোনো জাননী অবিহনে সংশ্লিষ্ট ক্রেডিট কার্ড আৰু ইয়াৰ অতিৰিক্ত/এড-অন কার্ড বন্ধ কৰাৰ অধিকাৰ প্রয়োগ কৰিব পাৰে। আইচিআইচিআই বেঙ্কৰ ফোনযোগে বা আনুষ্ঠানিক যোগাযোগৰ অন্যান্য মাধ্যমৰ জৰিয়তে অনুসন্ধান কৰাৰ আৰু 'ক্রেডিট কার্ড লেনদেন, ব্যৱহাৰৰ আৰ্হি আদিৰ বিষয়ে বিৱৰণ, তথ্য, প্রমাণ আদি বিচাৰিবলৈ অধিকাৰ আছে আৰু কার্ডধাৰকে সময়ে সময়ে আইচিআইচিআই বেঙ্কে বিচৰা তথ্য প্রদান কৰিবলৈ চুক্তিবদ্ধ। অসন্তোষজনক সঁহাৰি বা কার্ডধাৰকৰ পৰা কোনো সঁহাৰি নোপোৱাৰ ফলত

আইচিআইচিআই বেঙ্কৰ দ্বাৰা ক্ৰেডিট কাৰ্ড খন অৱৰোধ/বন্ধ কৰা হ'ব পাৰে। (১) কাৰ্ডধাৰকে ক্ৰেডিট কাৰ্ডৰ সৈতে আগতে ক্ৰয় কৰা যিকোনো সামগ্ৰী বা সেৱাৰ বাবে ব্যৱহৃত ধন ঘূৰাই দিয়াৰ বাহিৰে আন কোনো কাৰণত কাৰ্ড একাউণ্টত ক্ৰেডিট প্ৰাপ্ত বা জমা কৰিব নালাগে। ক্ৰেডিট কাৰ্ডত লেনদেনবোৰ কেৱল কাৰ্ড একাউণ্টত মুঠ ক্ৰেডিট সীমাৰ অব্যৱহৃত পৰিমাণলৈকে অনুমতি দিয়া হ'ব।

IV. কাৰ্ডখন বিদ্যমান সঞ্চয় একাউণ্টৰ সৈতে লিংক কৰাৰ ব্যৱস্থা, যদি থাকে

আবেদনকাৰীয়ে স্বীকাৰ কৰে আৰু সন্মত হয় যে তেওঁৰ কাৰ্ডখন তেওঁৰ বৰ্তমানৰ আইচিআইচিআই বেঙ্কৰ সঞ্চয় একাউণ্ট (যদি থাকে)ৰ সৈতে আইচিআইচিআই বেঙ্কৰ বিবেচনাঅনুসৰি সংযুক্ত কৰা হ'ব। আৱেদনকাৰীয়ে আৰু স্বীকাৰ কৰে তথা বুজি পায় যে ই তেওঁক আইচিআইচিআই বেঙ্ক সঞ্চয় একাউণ্ট(যদি থাকে)ৰ অধীনত প্ৰদান কৰা বিদ্যমান ব্যৱহাৰকাৰী আইডি ব্যৱহাৰ কৰি তেওঁৰ কাৰ্ড একাউণ্টত ইণ্টাৰনেট বেঙ্কিং সেৱা আৰু আইম'বাইল (iMobile) সুবিধাৰ জৰিয়তে প্ৰৱেশ কৰিবলৈ সক্ষম কৰিব। আৱেদনকাৰীয়ে লগতে আইচিআইচিআই বেঙ্কক ওপৰোক্ত উদ্দেশ্যৰ বাবে তেখেতে প্ৰদান কৰা কেৱাইচি (KYC) বিৱৰণ ব্যৱহাৰ কৰিবলৈ সন্মতি তথা কৰ্তৃত্ব প্ৰদান কৰে। আবেদনকাৰীয়ে বুজি পাইছে যে তেওঁ আইচিআইচিআই বেঙ্কৰ গ্ৰাহক সেৱাত ফোন কৰি তেওঁৰ কাৰ্ডৰ পৰা তেওঁৰ আইচিআইচিআই বেঙ্কৰ সঞ্চয় একাউণ্ট টো ডিলিংক কৰিব পাৰে।

V. ব্যক্তিগত পৰিচয় নম্বৰ

কাৰ্ড সদস্যক কাৰ্ডখন ব্যৱহাৰ কৰাত সক্ষম কৰিবলৈ, তেওঁক ব্যক্তিগত পৰিচয় নম্বৰ (APIN) জাৰী কৰা হ'ব। এ.পি.আই.এন.(APIN)-ক তেওঁলৈ প্ৰেৰণ কৰা হ'ব আৰু যদি সেইটো বন্ধ খামত প্ৰাপ্ত নহয়* তেন্তে কাৰ্ড সদস্যই আই.চি.আই.চি.আই. বেঙ্কশাখা বা আই.চি.আই.চি.আই. বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিব। এই এপিআইএন (APIN) পৰৱৰ্তী সময়ত, কাৰ্ড সদস্যই তেওঁৰ নিজৰ দ্বায়বদ্ধতাত, এটিএম (ATM) বা আইচিআইচিআই বেঙ্ক শাখাত বা আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰত সলনি কৰিব পাৰে। এ.পি.আই.এন.-এ কাৰ্ড একাউণ্টত প্ৰৱেশাধিকাৰ প্ৰদান কৰে আৰু কাৰ্ড সদস্যই এ.পি.আই.এন.-ৰ ব্যৱহাৰ, গোপনীয়তা আৰু সুৰক্ষাৰ বাবে, লগতে এনে এপিআইএন ব্যৱহাৰ কৰি কাৰ্ড একাউণ্টত প্ৰবিষ্ট কৰা সকলো অৰ্ডাৰ আৰু তথ্য পৰিৱৰ্তনৰ বাবে একমাত্ৰ দায়িত্ব স্বীকাৰ কৰে। কাৰ্ড সদস্যই এ.পি.আই.এন. কোনো প্ৰকাৰে ৰেকৰ্ড নকৰিব যাতে এ.পি.আই.এন.-ক তৃতীয় পক্ষই জ্ঞাত হোৱাৰ পৰা বিৰত থাকিব পাৰে। আইচিআইচিআই বেঙ্কক এপিআইএনৰ দ্বাৰা প্ৰমাণিত লেনদেন আৰু নিৰ্দেশনা বোৰ সম্পাদন কৰাৰ বাবে কাৰ্ড সদস্যৰ দ্বাৰা কৰ্তৃত্ব প্ৰাপ্ত কৰা হৈছে আৰু ইয়াক প্ৰত্যাহাৰ কৰা অনুচিত। কাৰ্ড সদস্যৰ এ.পি.আই.এন.-ৰ প্ৰমাণীকৰণৰ বাহিৰে কাৰ্ড সদস্যৰ পৰা প্ৰেৰণ কৰা আন লেনদেন নিৰ্দেশনাৰ সত্যতা পৰীক্ষা কৰাৰ বাবে আই.চি.আই.চি.আই. বেঙ্কৰ কোনো বাধ্যবাধকতা নাই। কাৰ্ড সদস্যই এ.পি.আই.এন.-ৰ নিৰাপত্তা বজাই ৰখাৰ বাবে সকলো সময়তে সকলো উপযুক্ত পদক্ষেপ ল'ব, যাৰ ভিতৰত আছে ইয়াত উল্লেখ কৰা পদক্ষেপবোৰ। যদি কাৰ্ড সদস্যই সুৰক্ষাৰ প্ৰয়োজনীয়তা পালন কৰাত বিফল হয়, তেন্তে তেওঁ আইচিআইচিআই বেঙ্কৰ সম্ভাব্য ক্ষয়ক্ষতিৰ বাবে দায়বদ্ধ হ'ব পাৰে।

আইচিআইচিআই বেঙ্কে ইয়াৰ সম্পূৰ্ণ বিবেচনাত, বিদ্যমান কাৰ্ডখনত এটা নতুন এপিআইএন জাৰী কৰিব পাৰে। ইয়াত উল্লেখ কৰা ব্যৱস্থা সাপেক্ষে আৰু সময়ে সময়ে আইচিআইচিআই বেঙ্কে নিৰ্ধাৰণ কৰা অনুসৰি, কাৰ্ড খন আৰু/বা এপিআইএনৰ যিকোনো অনুচিত/প্ৰৱঞ্চনামূলক/অননুমোদিত/নকল/ভুল ব্যৱহাৰৰ ক্ষেত্ৰত কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক দায়বদ্ধ কৰিব নোৱাৰিব।. কাৰ্ডখন যিকোনো তৃতীয় পক্ষৰ হাতত পৰা বা যিকোনো তৃতীয় পক্ষৰ জ্ঞানলৈ এপিআইএন অহাৰ বাবে কোনো তৃতীয় পক্ষৰ দ্বাৰা কাৰ্ডৰ ব্যৱহাৰ/অপব্যৱহাৰৰ সৈতে সম্পৰ্কিত যিকোনো পৰিণামৰ বাবে আইচিআইচিআই বেঙ্ক দায়বদ্ধ নহ'ব। যদি কোনো তৃতীয় পক্ষই কাৰ্ড একাউণ্টকে ধৰি সেৱাসমূহত প্ৰৱেশাধিকাৰ প্ৰাপ্ত কৰে, তেন্তে কাৰ্ড সদস্য দায়বদ্ধ হ'ব আৰু এনে প্ৰৱেশাধিকাৰ আৰু ব্যৱহাৰৰ ওপৰত আধাৰিত বা সম্পৰ্কিত তৃতীয় পক্ষৰ দ্বাৰা এনে অপব্যৱহাৰ / ব্যৱহাৰৰ ফলত উদ্ভৱ হোৱা যিকোনো দায়বদ্ধতা, ব্যয় বা ক্ষতিৰ বিপৰীতে আইচিআইচিআই বেঙ্কক ক্ষতিপূৰণ দিব। ভিছা এমচেক (Visa mCheck) ক্ৰেডিট কাৰ্ডধাৰকৰ বাবে কোনো পিন জাৰী কৰা নহয়।

ক্ৰেডিট কাৰ্ডৰ সদস্যসকলৰ বাবে এপিআইএন (APIN) পঞ্জীভুক্ত ম'বাইল নম্বৰত এছএমএছ (SMS)ৰ জৰিয়তে প্ৰেৰণ কৰা হ'ব। যদি ম'বাইল নম্বৰ টো পঞ্জীয়ন কৰা নহয়, মেইলিং ঠিকনাত এপিআইএন পৃথকে প্ৰেৰণ কৰা হ'ব। এ.পি.আই.এন. প্ৰাপ্ত নকৰিলে, কাৰ্ড সদস্যই আই.চি.আই.চি.আই. বেঙ্ক গ্ৰাহক সেৱা বা ইণ্টাৰনেট বেঙ্কিং/আইম'বাইল ৯iMobile)ৰ জৰিয়তে ইণ্টাৰেক্টিভ ভইচ ৰেচপন্স (IVR) চিষ্টেমত (আইভিআৰ) সেইটো সৃষ্টি কৰিব পাৰে। যদি কাৰ্ড সদস্যসকলে এটা অশুদ্ধ পঞ্জীভুক্ত মোবাইল নম্বৰ প্ৰদান কৰে তেন্তে আইচিআইচিআই বেঙ্ক দায়বদ্ধ নহ'ব।

VI. উলংঘন আৰু সমাপ্তি / প্ৰত্যাহাৰ

(ক) উলংঘন: যিকোনো কাৰ্ড সদস্যৰ দ্বাৰা এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ যিকোনো এটা উলংঘন কৰাৰ ক্ষেত্ৰত; (i) এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ আন কোনো ব্যৱস্থা থকা স্বত্বেও কাৰ্ড সদস্যই এনে উলংঘনৰ ফলত প্ৰত্যক্ষ বা পৰোক্ষভাৱে হোৱা যিকোনো লোকচানৰ বাবে তেখেত নিজেই দায়বদ্ধ থাকিব; আৰু (ii) কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক, তেখেতৰ পৰা আইচিআইচিআই বেঙ্কে পাব লগা বকেয়া সকলো পৰিমাণ পৰিশোধ কৰিবলৈ দায়বদ্ধ হ'ব, এই প্ৰাপ্য্য দাবীৰ তাৰিখত আইচিআইচিআই বেঙ্কক পৰিশোধকৰিবলৈ যোগ্য হওঁক বা নহওঁক পৰিশোধ কৰিব লাগিব । (খ) বাতিল / প্ৰত্যাহাৰ: কাৰ্ড সদস্যই যিকোনো সময়তে, আইচিআইচিআই বেংক লিমিটেড, আইচিআইচিআই ফোন বেঙ্কিং কেন্দ্ৰ, আইচিআইচিআই বেংক টাৱাৰ, ৭ম মহলা, জৰীপ নম্বৰ: ১১৫/২৭, প্লট নং ১২, ননক্ৰামগুড়া, চেৰিলিঙ্গামপালি, হায়দৰাবাদ- ৫০০০৩২ কাৰ্ডলিং, ভাৰত, লৈ লিখিত ভাৱে জাননী যোগে কাৰ্ড সদস্যই আবেদন কৰিব পাৰে।

(i) কাৰ্ডখনৰ সোঁফালৰ কোণটো কাটি হ'লোগ্ৰাম আৰু চুম্বকীয় ষ্ট্ৰাইপ বিকৃত নোহোৱা পৰ্যন্ত তথা আইচিআইচিআই বেঙ্কে সেইখন প্ৰাপ্ত ণকৰালৈকে ওপৰোক্ত জাননীখন কাৰ্যকৰী নহ'ব (অনলাইন ক্ৰেডিট কাৰ্ড আৰু ভিছা এমচেক (Visa mChek) ক্ৰেডিট কাৰ্ডৰ বাহিৰে)। ওপৰত উল্লেখ কৰা সমূহৰ বাবে কাৰ্ড একাউণ্ট বা কোনো কাৰ্ড বাতিল কৰা নহ'বও পাৰে।

(ii) কাৰ্ড সদস্যই কাৰ্ডখন ধ্বংস কৰাৰ পিছতো কাৰ্ডখনত মাচুল কৰ্তন কৰা বুলি দাবী কৰিলেও যদি কাৰ্ডখন আইচিআইচিআই বেঙ্কে প্ৰাপ্ত নকৰে তেনে ক্ষেত্ৰত, কাৰ্ড সদস্য জনেই কাৰ্ডখনত কৰ্তন কৰা মাচুলৰ বাবে সম্পূৰ্ণৰূপে দায়বদ্ধ হ'ব, সেই কৰ্তন লাগিলে কাৰ্ডৰ অপব্যৱহাৰৰ ফলাফলই হওক বা নহওঁক আৰু লগতে আইচিআইচিআই বেঙ্কে সেই বিষয়ে তেওঁক অৱগত কৰক বা নকৰক।

(iii) আইচিআইচিআই বেঙ্কে যিকোনো সময়তে, জাননীৰ সৈতে বা অবিহনেই, আইচিআইচিআই বেঙ্কৰ চূড়ান্ত বিবেচনাৰ জড়িয়তে কাৰ্ড একাউণ্ট আৰু কাৰ্ডখন বাতিল কৰিব পাৰে। কাৰ্ড সদস্যই স্পষ্টভাৱে স্বীকাৰ কৰে আৰু সন্মতি দিয়ে যে যদি কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ সৈতে দুই বা অধিক কাৰ্ড একাউণ্ট ৰাখে, আৰু যদি যিকোনো এটা একাউণ্ট মাচুল পৰিশোধৰ ক্ষেত্ৰত আইচিআইচিআই বেঙ্কৰ এই চৰ্তাৱলী আৰু নিয়মাৱলী আৰু ডিফল্টৰ অধীনত থাকে, তেন্তে আইচিআইচিআই বেঙ্কে সেই কাৰ্ড একাউণ্টৰ কাৰ্ড সদস্য জনৰ ক্ৰেডিট সীমা অৱৰোধ কৰাৰ লগতেআইচিআইচিআই বেঙ্কৰ কাৰ্ড একাউণ্ট/ৰ অধীনত কাৰ্ড সদস্যক উপলব্ধ কৰা এনে সকলো কাৰ্ড একাউণ্ট/কাৰ্ডৰ অধীনত উপলব্ধ কৰা এনে সুবিধা / লাভালাভ প্ৰত্যাহাৰ কৰাৰ বাবে কৰ্তৃত্ব প্ৰাপ্ত কৰা হৈছে, এই অৱৰোধ যেতিয়ালৈকে ডিফল্ট কৰা কাৰ্ডখন সদস্য কাৰ্ডৰ দ্বাৰা নিয়মীয়া কৰা নহয় তেতিয়ালৈকে কৰা হ'ব। কাৰ্ড সদস্যই সন্মত হয় আৰু স্বীকাৰ কৰে যে ওপৰোক্তবোৰৰ বাবে আইচিআইচিআই বেঙ্কে কোনো অতিৰিক্ত জাননী প্ৰেৰণ কৰাৰ প্ৰয়োজন নহ'ব।

(iv) কাৰ্ড একাউণ্ট বাতিল কৰাৰ পিছত আৰু ইয়াৰ বিপৰীতে আইচিআইচিআই বেঙ্ক আৰু কাৰ্ড সদস্যৰ মাজত কোনো আগতীয়া চুক্তি হোৱা স্বত্বেও: (ক) বিবৃতিত ইতিমধ্যে প্ৰতিফলিত হোৱা বা নোহোৱা সকলো বকেয়া মাচুল, আৰু (খ) সমাপ্তিৰ পিছত হোৱা যিকোনো স্বেচ্ছামূলক মাচুলৰ পৰিমাণ (প্ৰাসঙ্গিক লেনদেন নিৰ্দেশনাৰ তাৰিখৰ পৰা কাৰ্যকৰী), কাৰ্ড সদস্যৰ দ্বাৰা সেইবোৰ উল্লেখিত পৰিমাণত তথা আৰু সময়ে সময়ে প্ৰযোজ্য হোৱা তাৰিখৰ পৰা সূত সহতি তৎক্ষণাৎ প্ৰাপ্য আৰু পৰিশোধযোগ্য হ'ব।

(v) আই.চি.আই.চি.আই. বেঙ্কে, ইয়াৰ একমাত্ৰ বিবেচনাত, কাৰ্ডখনত থকা বিশেষাধিকাৰবোৰ অস্থায়ী ভাৱে বা স্থায়ীভাৱে প্ৰত্যাহাৰ কৰাৰ আৰু/বা কোনো জাননী নিদিয়াকৈ বা ইয়াৰ কোনো কাৰণ নিদিয়াকৈ যিকোনো সময়তে কাৰ্ডখন বাতিল কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। অস্থায়ী ভাৱে প্ৰত্যাহাৰ কৰাৰ ক্ষেত্ৰত, বিশেষাধিকাৰবোৰ আইচিআইচিআই বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাত পুনৰ স্থাপন কৰিব পাৰে। স্থায়ী ভাৱে প্ৰত্যাহাৰ কৰাৰ ক্ষেত্ৰত, আইচিআইচিআই বেঙ্কৰ কাৰ্ড সদস্যক স্থায়ীভাৱে সদস্যৰ পৰা প্ৰত্যাখ্যান কৰাৰ অধিকাৰ আছে। অৱশ্যে, এইটো স্পষ্টভাৱে জ্ঞাত কৰা হৈছে যে প্ৰত্যাহাৰ (অস্থায়ী বা স্থায়ী) কাৰ্ডৰ সৈতে সংলগ্ন সদস্যৰ সকলো লাভালাভ, বিশেষাধিকাৰ আৰু সেৱা স্বয়ংক্ৰিয়ভাৱে প্ৰত্যাহাৰ কৰা হ'ব। এনে অস্থায়ী বা স্থায়ী প্ৰত্যাহাৰৰ ক্ষেত্ৰত, কাৰ্ড সদস্যই এনে প্ৰত্যাহাৰৰ আগতে

কাৰ্ডখনত হোৱা সকলো মাচুল আৰু ইয়াৰ সৈতে আন সকলো প্ৰযোজ্য মাচুল, যদিহে আইচিআইচিআই বেঙ্কে নিৰ্ধাৰণ নকৰে তাৰ বাবে সম্পূৰ্ণৰূপে দায়বদ্ধ হৈ থাকিব। কাৰ্ডখনত উল্লেখ কৰা বৈধতা ম্যাদৰ প্ৰসংগ অবিহনে যিকোনো সময়তে  কাৰ্ডখন প্ৰত্যাহাৰ কৰা হ'ব পাৰে আৰু কাৰ্ড একাউণ্ট বন্ধ কৰা হ'ব পাৰে। প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ কৰাৰ পাছত কাৰ্ড সদস্যই কাৰ্ডখন আইচিআইচিআই বেঙ্ক বা ইয়াৰ প্ৰতিনিধিৰ ওচৰত সমৰ্পণ কৰিবলৈ সন্মত হয়। কাৰ্ডখনৰ বিশেষাধিকাৰ প্ৰত্যাহাৰৰ জাননীৰ পিছত ব্যৱহাৰ কৰাটো প্ৰৱঞ্চনামূলক আৰু ই কাৰ্ড সদস্যক আইনী প্ৰক্ৰিয়াৰ অধীনলৈ আনিব পাৰে।

VII. মাচুল আৰু পৰিশোধ

মাচুলবোৰত নিম্নলিখিত প্ৰতিটো অন্তৰ্ভুক্ত থাকে:

(ক) স্বেচ্ছামূলক মাচুলত অন্তৰ্ভুক্ত থাকিব: লেনদেনৰ নিৰ্দেশনাৰ দ্বাৰা কৰা সামগ্ৰী আৰু / বা সেৱাৰ যিকোনো ক্ৰয়ৰ পৰিমাণ; লেনদেনৰ নিৰ্দেশনা অনুসৰি প্ৰদান কৰা যিকোনো নগদ অগ্ৰিমৰ পৰিমাণ; যিকোনো পৰিমাণ, যিটো কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক লেনদেনৰ নিৰ্দেশনাৰ দ্বাৰা কাৰ্ড একাউণ্ট ডেবিট কৰিবলৈ অনুৰোধ কৰিছে

(খ) অনিচ্ছাকৃত মাচুলত অন্তৰ্ভুক্ত থাকিব: কাৰ্ড একাউণ্ট বা কাৰ্ডৰ সন্দৰ্ভত আইচিআইচিআই বেঙ্কে লোৱা যিকোনো মাচুল, যাৰ ভিতৰত আছে যোগদান, বাৰ্ষিক, সলনি, নৱীকৰণ, সঞ্চালন, বিলম্বিত পৰিশোধ আৰু অন্যান্য মাচুল। যোগদান / বাৰ্ষিক মাচুল আইচিআইচিআই বেঙ্কৰ প্ৰচলিত হাৰত কাৰ্ড একাউণ্টলৈ ডেবিট কৰা হ'ব। এই মাচুলবোৰ ঘূৰাই দিয়া নহ'ব। কাৰ্ডৰ প্ৰথম বাৰ্ষিকীত বা তাৰ আগতে কাৰ্ড সদস্যই সদস্যতা নৱীকৰণৰ বাবে বাৰ্ষিক মাচুল পৰিশোধ কৰিব লাগিব। সময়ে সময়ে আইচিআইচিআই বেঙ্কে নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট প্ৰকাৰৰ লেনদেনৰ ওপৰত সেৱা মাচুল আৰোপ কৰা হ'ব পাৰে। অনিচ্ছাকৃত মাচুল গণনাৰ পদ্ধতিটো সময়ে সময়ে আইচিআইচিআই বেঙ্কে জাননী দিয়া অনুসৰি হ'ব।

(গ) ওপৰত উল্লেখ কৰা আইচিআইচিআই বেঙ্কৰ  নিৰ্ধাৰিত যিকোনো মাচুলৰ পৰিমাণৰ ৰেকৰ্ড, স্পষ্ট ত্ৰুটিৰ অভাৱত, কাৰ্ড সদস্যৰ বাবে চূড়ান্ত আৰু বাধ্যতামূলক হ'ব, আৰু যিকোনো ক্ষেত্ৰত নিৰ্ণায়ক হ'ব য'ত আইচিআইচিআই বেঙ্কে স্বেচ্ছামূলক মাচুল অনুসৰি যিকোনো পৰিশোধ প্ৰস্তাৱিত কৰিছে। সকলো আইনী কৰ, জিএছটি, আন সকলো ইমপোষ্ট, শুল্ক (কাৰ্ডৰ সন্দৰ্ভত ষ্টাম্প শুল্ক আৰু প্ৰাসঙ্গিক পঞ্জীয়ন মাচুল সহ, যদি থাকে, ) আৰু কৰ (যিকোনো বিৱৰণৰ) যিটো কাৰ্ডৰ সন্দৰ্ভত বা সম্পৰ্কত চৰকাৰ বা আন কৰ্তৃপক্ষই সময়ে সময়ে আৰোপ কৰিব পাৰে।

(ঘ) বিলম্বিত বা সংশোধিত মাচুল

ক) যদি কাৰ্ড সদস্যই হোটেল, কাৰ ৰেণ্টেল কোম্পানী, বা ক্ৰুইজ লাইন লেনদেন বা আন যিকোনো লেনদেনৰ বাবে বিলম্বিত বা সংশোধিত মাচুলৰ বাবে যদি দায়বদ্ধ হোৱাৰ সন্মতি দিয়ে তেনেহ'লে এজন ব্যৱসায়ীয়ে বিলম্বিত বা সংশোধিত মাচুল প্ৰক্ৰিয়া কৰিব পাৰে।

খ) সম্পৰ্কিত লেনদেনৰ বাবে লেনদেনৰ তাৰিখৰ পৰা ৯০ টা কেলেণ্ডাৰ দিনৰ ভিতৰত কাৰ্ড

একাউণ্টলৈ বিলম্বিত বা সংশোধিত মাচুল এটা প্ৰক্ৰিয়া কৰা হ'ব।

গ) এই লেনদেনবোৰত অন্তৰ্ভুক্ত থাকিব পাৰে কোঠা, খাদ্য বা পানীয় মাচুল, কৰ, ইন্ধন, বীমা, ভাড়াৰ মাচুল, ভাড়াৰ বাহনৰ ক্ষতি, পাৰ্কিং টিকট আৰু অন্যান্য যান-বাহন উলংঘন, আৰু ক্ৰুইজ লাইন জাহাজত সামগ্ৰী আৰু সেৱা ক্ৰয়।

(ঙ) আন্তৰ্জাতিকভাৱে বৈধ কাৰ্‌ডৰ বাহিৰে আন কাৰ্ডৰ সন্দৰ্ভত নেপাল আৰু ভূটানৰ বাহিৰে আন অঞ্চলত বিদেশী মুদ্ৰাৰ ক্ষেত্ৰত কৰ্তন কৰা যিকোনো মাচুলৰ সন্দৰ্ভত আইচিআইচিআই বেঙ্কে গুৰুত্ব দিবলৈ বাধ্য নহ'ব, আৰু ইয়াৰ বাবে কোনো ধৰণে দায়বদ্ধ নহ'ব। ওপৰোক্ত সমূহৰ প্ৰতি পক্ষপাতিত্ব নকৰাকৈ, আইচিআইচিআই বেঙ্কে কৰা এনে মাচুলৰ যিকোনো পৰিশোধ কাৰ্ড সদস্যৰ  সৈতে কৰা হ'ব, আৰু আইচিআইচিআই বেঙ্কৰ দ্বাৰা এনে মাচুল বা পৰিশোধ বহন কৰাৰ সন্দৰ্ভত কাৰ্ড সদস্যক কোনো দায়বদ্ধতাৰ পৰা মুক্ত কৰা বুলি বিবেচনা কৰা নহ'ব।  কাৰ্ড সদস্যৰ দ্বাৰা কৰা এনে পৰিশোধৰ সকলো পৰিণামৰ বাবে আই.চি.আই.চি.আই. বেঙ্কক সম্পূৰ্ণ ক্ষতিপূৰণ প্ৰদান কৰাৰ লগতে ক্ষতিহীন কৰা হ'ব।

(চ) ৰেলৱেৰ সৈতে লেনদেন:

যেতিয়া ক্ৰেডিট কাৰ্ডৰ জড়িয়তে টিকট বুক কৰা হয়, কাৰ্ড সদস্যই সেই টিকট ক্ৰয়ৰ বাবে, যদি প্ৰযোজ্য হয়, যিকোনো অতিৰিক্ত মাচুল পৰিশোধ কৰিব লাগিব। পৰৱৰ্তী সময়ত বাতিল কৰা যিকোনো টিকটৰ বাবে, যেতিয়াই ইয়াৰ বাবে ক্ৰেডিট আইচিআইচিআই বেঙ্কে প্ৰাপ্ত কৰে, তেতিয়াই পৰিমাণটো কেৱল কাৰ্ড একাউণ্টত (কম বাতিলকৰণ মাচুল) জমা কৰা হ'ব ।

অৱশ্যে, কাৰ্ড সদস্যৰ দ্বাৰা বাতিল কৰাৰ তাৰিখৰ পৰা ১৫০ দিনৰ ভিতৰত ক্ৰয়ৰ তাৰিখ, বাতিলৰ তাৰিখ আৰু টিকট ক্ৰয়ৰ বাবে ডেবিট প্ৰদৰ্শিত হোৱা বিবৃতিৰ প্ৰতিলিপি নিশ্চিত কৰা এখন পত্ৰৰ সৈতে  আইচিআইচিআই বেঙ্কলৈ চাৰ্জ স্লিপ সফলতাৰে দাখিল কৰাৰ পিছত, ক্ৰেডিটকাৰ্ড সদস্যৰ কাৰ্ড একাউণ্টত কৰ্তন কৰা মাচুল পোষ্ট কৰা হ'ব। প্ৰযোজ্য অনুসৰি লেনদেন মাচুল আৰোপ কৰা হ'ব।

(ছ) ইন্ধন ষ্টেচনত লেনদেন:

যেতিয়া কাৰ্ড সদস্যই ইন্ধনৰ বাবে পৰিশোধ কৰিবলৈ কাৰ্ডখন ব্যৱহাৰ কৰে, তেতিয়া তেওঁৰ পৰা শুল্ক পৰিশিষ্টত উল্লেখ কৰা অনুসৰি লেনদেন মাচুল আদায় কৰা হ'ব।

আমাৰ ব্যৱসায়িক পৰিসৰৰ বাহিৰ ৰ টাৰ্মিনেল আৰু এইচপিচিএল (HPCL)ৰ বাহিৰে বেলেগ আউটলেটত ইন্ধন ক্ৰয়ৰ ক্ষেত্ৰত, অতিৰিক্ত মাচুল ঘূৰাই দিয়া কাৰ্য্য  জিএছটিত অন্তৰ্ভুক্ত নহ'ব।

(জ) ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰাৰ লগে লগে  প্ৰয়োজনীয় মাচুল  কাৰ্ড সদস্যই পৰিশোধ কৰিবলৈ দায়বদ্ধ হ'ব। যদি পৰিশোধৰ নিৰ্ধাৰিত তাৰিখত কোনো বকেয়া (বিল কৰা হওক বা নহওঁক)

অপৰিশোধিত হৈ থাকে, তেনেহ'লে এনে বকেয়া মাচুল শুল্ক পৰিশিষ্টত নিৰ্ধাৰিত কৰা অনুসৰি বহন কৰিব। মাচুলটো গড় দৈনিক বেলেন্স পদ্ধতিত গণনা কৰা হয় আৰু নিম্নলিখিত যিকোনো তাৰিখৰ পৰা আৰোপ কৰা হ'ব: য'ত সামগ্ৰী বা সেৱা ক্ৰয়ৰ সন্দৰ্ভত মাচুল লোৱা হয়, ইয়াক আইচিআইচিআই বেঙ্কৰ ৰেকৰ্ডত অন্তৰ্ভুক্ত কৰাৰ তাৰিখৰ পৰা। য'ত মাচুল টো নগদ ধন উলিওৱাৰ সন্দৰ্ভত, এনে প্ৰত্যাহাৰৰ তাৰিখৰ পৰা আইচিআইচিআই বেঙ্কৰ দ্বাৰা পৰিশোধ প্ৰাপ্ত কৰাৰ তাৰিখলৈকে।

(ঝ) তৎক্ষণাৎ মাচুল পৰিশোধ কৰাৰ বাবে কাৰ্ড সদস্যৰ পৰিশোধ ৰ নিৰ্দিষ্ট তাৰিখত বা তাৰ আগতে সকলো মাচুল আদায় দিয়াৰ দায়বদ্ধতাৰ প্ৰতি পক্ষপাতিত্ব নকৰাকৈ, কাৰ্ড সদস্যই পৰিশোধ ৰ দেয় তাৰিখত বা তাৰ আগতে কেৱল বিবৃতিত উল্লেখ কৰা নিম্নতম পৰিমাণ (MAD) পৰিশোধ কৰাৰ বিকল্প ব্যৱহাৰ কৰিব পাৰে। MAD হ'ব দেয় মুঠ পৰিমাণৰ ৫%, বা এনে অন্যান্য পৰিমাণ যিটো আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাত নিৰ্ধাৰণ কৰিব পাৰে। কিস্তিৰ জৰিয়তে যিকোনো পৰিশোধৰ ক্ষেত্ৰত, বিবৃতিৰ সময়ছোৱাত দেয় কিস্তিৰ পৰিমাণ নিম্নতম দেয় পৰিমাণত যোগ কৰা হ'ব। যদি মুঠ বকেয়া পৰিমাণ ক্ৰেডিট বা নগদ সীমাতকৈ অধিক হয়, তেনেহ'লে ক্ৰেডিট বা নগদ সীমা অতিক্ৰম কৰা পৰিমাণটোও MAD.-ত অন্তৰ্ভুক্ত কৰা হ'ব।

দেয় নিম্নতম পৰিমাণত পূৰ্বৱৰ্তী বিবৃতিবোৰৰ বাবে পৰিশোধ নকৰা নিম্নতম পৰিমাণো অন্তৰ্ভুক্ত থাকিব, (যদি থাকে)। যিবোৰৰ ক্ষেত্ৰত কেৱল MAD পৰিশোধ কৰা হৈছে, লেনদেনৰ তাৰিখৰ পৰা দেয় মুঠ পৰিমাণৰ বাকী থকা পৰিমাণৰ ওপৰত সূত আদায় কৰা হ'ব। য'ত কাৰ্ড সদস্যই কেৱল MAD পৰিশোধ কৰাৰ এনে বিকল্প ব্যৱহাৰ কৰে, সেইটো অতিৰিক্তভাৱে নিম্নলিখিত বিশেষ চৰ্তাৱলী আৰু নিয়মাৱলী সাপেক্ষে হ'ব:

ক) বিবৃতি প্ৰাপ্ত কৰাৰ পাছত, কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক বিবৃতিত উল্লেখিত মুঠ পৰিমাণ বা MAD ত উল্লেখিত পৰিমাণৰ সমান বা তাতোকৈ বেছি টকা পৰিশোধৰ নিৰ্দিষ্ট তাৰিখৰ আগতে নিম্নলিখিত যিকোনো ধৰণে পৰিশোধ কৰিব পাৰে, ইণফিণিটি(Infinity) পেমেণ্টৰ দ্বাৰা , চেকৰ দ্বাৰা, ড্ৰাফ্ট পৰিশোধ, নগদ পৰিশোধ, অটো ডেবিট পৰিশোধ, আৰটিজিএছ (RTGS) পৰিশোধ, পেমেণ্ট লিংকত ক্লিক কৰি বা এনইএফটি (NEFT)।

খ) কাৰ্ডখন ব্যৱহাৰ কৰাৰ বাবে বহন কৰিব লগা সকলো মাচুলৰ সৈতে এক সেৱা কৰ ওপৰত ধাৰা (জ) ত উল্লেখ কৰা দৰে সংলগ্ন হৈ থাকিব।

গ) যদি পৰিশোধ MAD-ৰ বাবে বা মুঠ পৰিমাণতকৈ কম পৰিমাণৰ বাবে কৰা হয়, ক্ৰয়ৰ তাৰিখৰ পৰা মুঠ বকেয়া পৰিমাণৰ ওপৰত, আৰু পৰৱৰ্তী সময়ত হোৱা নতুন ক্ৰয়ৰ ওপৰত, পৰৱৰ্তী পৰিশোধ তাৰিখলৈকে সূত আৰু সেৱা মাচুল প্ৰয়োগ কৰা হ'ব। ওপৰত নিৰ্ধাৰিত মাচুলৰ উপৰিও, যদি পৰিশোধৰ নিৰ্ধাৰিত তাৰিখৰ ভিতৰত নিম্নতম দেয় পৰিমাণ (MAD) পৰিশোধ কৰা নহয় তেন্তে বিলম্বিত পৰিশোধ মাচুল প্ৰযোজ্য হ'ব। পৰিশোধ কৰা যিকোনো MAD বা ইয়াৰ অংশই পৰিশোধ তাৰিখৰ পিছত সূত আকৰ্ষণ কৰা বন্ধ কৰিব যদি সেই পৰিমাণ আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যৰ পৰা প্ৰাপ্ত কৰে।

* আই.চি.আই.চি.আই. বেঙ্কে, ইয়াৰ একমাত্ৰ বিবেচনা অনুসৰি, যিকোনো সময়তে, আগতীয়া জাননী অবিহনে, যিকোনো কাৰ্ড সদস্যৰ সন্দৰ্ভত পূৰ্বৱৰ্তী ধাৰাবোৰত বৰ্ণনা কৰা অনুসৰি কেৱল MAD পৰিশোধ কৰাৰ বিকল্প প্ৰত্যাহাৰ কৰিব পাৰে। যেতিয়ালৈকে আইচিআইচিআই বেঙ্কৰ দ্বাৰা অন্যথা সন্মত নহ'লে, কোনো নিৰ্দিষ্ট বিবৃতিত নিৰ্ধাৰিত পৰিমাণৰ বাবে কাৰ্ড সদস্যৰ পৰা প্ৰাপ্ত কৰা যিকোনো পৰিশোধ ২০ অক্টোবৰ, ২০০৮ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ নিম্নলিখিত ক্ৰমত এনে প্ৰাপ্য পৰিমাণৰ বাবে বিনিয়োজন কৰা হ'ব:

১. সকলো কৰ, মাচুল, সূত, খৰচ, শুল্ক, ব্যয়;

২. বেলেন্স ট্ৰেন্সফাৰ সুবিধাৰ অন্তৰ্গত পৰিশোধ কৰিব লগা কিস্তি আৰু ক্ৰেডিট কাৰ্ডত লোৱা ব্যক্তিগত ঋণৰ বাবে পৰিশোধ;

৩. খুচুৰা ক্ৰয়ৰ বাবে কিস্তি পৰিশোধ (য'ত খুচুৰা ক্ৰয়ৰ বিপৰীতে পৰিশোধ কিস্তিত ৰূপান্তৰিত কৰা হৈছে);

৪. নগদ ধন উলিওৱাৰ বাবে পৰিশোধ আৰু ফোন সুবিধাৰ ব্যৱহাৰৰ বাবে ড্ৰাফ্ট;

৫. কাৰ্ড সদস্যই লাভ কৰা বেলেন্স ট্ৰেন্সফাৰ সুবিধাৰ অন্যান্য প্ৰকাৰৰ বাবে পৰিশোধ;

৬. খুচুৰা ক্ৰয়ৰ বাবে পৰিশোধ।

ইয়াৰ ওপৰত সন্নিবিষ্ট যিকোনো বিষয়ত সন্মত নহলে: (১) আইচিআইচিআই বেঙ্কে হয়তু, ইয়াৰ বিবেচনা ভিত্তিত, কাৰ্ড সদস্যৰ দ্বাৰা ক্ৰমআই.চি.আই.চি.আই. বেঙ্কৰ পৰা সম্পৰ্কিত দস্তাবেজত উল্লেখ থকা অৰ্ডাৰ সুবিধা গ্ৰহণ কৰাৰ ক্ষেত্ৰত দিবলৈ থকা বকেয়া পৰিমাণ আনুমাণিক ভাৱে চুড়ান্ত কৰিব পাৰে; অথবা (২) অৰ্ডাৰৰ আনুমাণিক বকেয়া চুড়ান্ত কৰাতো সলনি কৰিব পাৰে। এই আনুমাণিক বকেয়া চূড়ান্ত কৰাৰ পাছত কোনো টকা পুনৰ বকেয়া হৈ থাকিলে সেইয়া ক্ৰমআই.চি.আই.চি.আই. বেঙ্কে জাৰী কৰিব লগীয়া পাছৰ খন বিবৃতিত সংযোগ কৰি দিয়া হ'ব। আই.চি.আই.চি.আই. বেঙ্কে কাৰ্ড একাউণ্ট এটাত ক্ৰেডিট-সীমা আৱণ্টন কৰিব, কোনো সময়তে এই সীমা অতিক্ৰম কৰিব নালাগে।

অৱশ্যে, যদি মুঠ বকেয়া পৰিমাণে ক্ৰেডিট-সীমা অতিক্ৰম কৰে, অতিৰিক্ত পৰিমাণৰ ওপৰত অতিৰিক্ত মাচুল আৰোপ কৰা হ'ব।

কাৰ্ড সদস্যই তেখেতৰ সদস্যভূক্ত হোৱাৰ ১২ মাহ সম্পূৰ্ণ হোৱাৰ পাছত, তেওঁৰ ক্ৰেডিট সীমা আৰু/বা নগদ সীমা (যদি আইচিআইচিআই বেঙ্কে প্ৰদান কৰে) ৰ পুনৰীক্ষণ /

বৰ্ধিতকৰণ / হ্ৰাসৰ বাবে আবেদন কৰাৰ অধিকাৰ থাকিব।

এনে পুনৰীক্ষণৰ পৰিৱৰ্তন হ'লে, (যদি থাকে), ক্ৰেডিট সীমা আৰু/বা নগদ সীমা আইচিআই বেঙ্কৰ একমাত্ৰ বিবেচনাত হ'ব। আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনা অনুসৰি যিকোনো সময়তে কাৰ্ডখনত আৱণ্টন কৰা ক্ৰেডিট সীমা আৰু/বা নগদ সীমাৰ পুনৰীক্ষণ (বৃদ্ধি বা হ্ৰাস সহ)ৰ অধিকাৰ প্ৰাপ্ত কৰিব আৰু কেৱল ক্ৰেডিট সীমা আৰু/বা নগদ সীমাৰ কেৱল বৃদ্ধি, আই.চি.আই.চি.আই. বেঙ্কে কাৰ্ড সদস্যৰ সন্মতিতহে কাৰ্য্যকৰী কৰিব।

টোকা: যদি পৰিশোধ ৰ তাৰিখত বা তাৰ আগতে আইচিআইচিআই বেঙ্কে বকেয়া মুঠ পৰিমাণৰ পৰিশোধ প্ৰাপ্ত কৰে, কোনো সেৱা মাচুল আৰোপ কৰা নহ'ব। অৱশ্যে, সকলো নগদ লেনদেন আৰু ড্ৰাফ্টবোৰৰ ক্ষেত্ৰত লেনদেনৰ তাৰিখৰ পৰা আইচিআইচিআই বেঙ্কে ইয়াৰ বাবে পৰিশোধ প্ৰাপ্ত নকৰালৈকে প্ৰচলিত হাৰত সেৱা মাচুল সংযুক্ত হৈ থাকিব।

(ঞ) কাৰ্ড সদস্যই এক নিৰ্দিষ্ট পৰিমাণৰ বাবে আৰু তেওঁ আইচিআইচিআই বেঙ্কৰ সৈতে সংযুক্ত কৰা আন একাউণ্ট ব্যৱহাৰ কৰি তেখতৰ কাৰ্ড একাউণ্ট ক্ৰেডিট আৰু ডেবিট কৰি তেওঁৰ ক্ৰেডিট কাৰ্ড পৰিশোধ কাৰ্যকৰী কৰিবলৈ দিয়া যিকোনো নিৰ্দেশনা কাৰ্যকৰী কৰাৰ বাবে আইচিআইচিআই বেঙ্কে অধিকাৰ প্ৰাপ্ত কৰিব, কিন্তু সেইয়া কৰাৰ বাবে বাধ্য নহয়।কাৰ্ড একাউণ্টৰ বিপৰীতে থকা বকেয়া বেলেন্সৰ সম্পূৰ্ণ পৰিমাণ, যিকোনো বকেয়া কাৰ্ড লেনদেনৰ পৰিমাণ, যি এতিয়ালৈকে আদায় কৰা হোৱা নাই, সেই পৰিমাণ তাৎক্ষণিক ভাৱে আইচিআইচিআই বেংকক কাৰ্ড সদস্যই দিব লাগিব বা তেওঁৰ মৃত্যু হ'লে(ক্ৰেডিট শ্বিল্ড লাভালাভ গণনা কৰাৰ পাছত *) বা দেউলিয়া হোৱা বা ব্যৱসায় বন্ধ হোৱাৰ ক্ষেত্ৰত তেখেতৰ উত্তৰাধিকাৰী, মনোনীত ব্যক্তি, আইনী উত্তৰাধিকাৰীৰ দ্বাৰা আইচিআইচিআই বেঙ্কক তৎক্ষণাৎ প্ৰাপ্য পৰিশোধযোগ্য হ'ব। *বিৱৰণৰ বাবে, অনুগ্ৰহ কৰি icicibank.com দৰ্শন কৰক

(ট) কাৰ্ড সদস্যই স্পষ্টভাৱে স্বীকাৰ কৰে যে যদি তেওঁ সময়ত কোনো প্ৰাপ্য ধন পৰিশোধ কৰাত বিফল হয়, বা যিটো কোনো এক নিৰ্দিষ্ট তাৰিখ যাৰ পাছত সেই ধন বকেয়া হৈ পৰিব সেই তাৰিখৰ আগতে ঘোষণা কৰা হ'ব পাৰে বা সেই তাৰিখৰ পাছত ডিফল্ট হিচাপে ঘোষণা হ'ব পাৰে আৰু তেনে পৰিস্থিতিত আইচিআইচিআই বেঙ্কৰ সৈতে হোৱা চুক্তিৰ অধীনত কাৰ্ড সদস্যই গ্ৰহণ কৰি থকা যিকোনো বিত্তীয়/ক্ৰেডিট/অন্যান্য সুবিধা সমূহৰ বাবে আইচিআইচিআই বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাত, কোনো পক্ষপাত্তিত্বৰ অবিহনে, এই চৰ্তাৱলী আৰু নিয়মাৱলী আৰু/বা প্ৰযোজ্য আইনত ইয়াৰ বাবে উপলব্ধ সকলো বা যিকোনো অধিকাৰ আৰু প্ৰতিকাৰ ব্যৱহাৰ কৰিব।

(ঠ) আইচিআইচিআই বেঙ্কৰ অন্যান্য অধিকাৰৰ প্ৰতি পক্ষপাতিত্ব নকৰাকৈ, পৰিশোধত পলম হ'লে আইচিআইচিআই বেঙ্কে মাৰ্চেণ্ট প্ৰতিষ্ঠানসমূহক ক্ৰেডিট কাৰ্ড খন গ্ৰহণ নকৰিবলৈ নিৰ্দেশ দি ক্ৰেডিট কাৰ্ডৰ বিশেষাধিকাৰ প্ৰত্যাহাৰ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। কাৰ্ড সদস্যই স্বীকাৰ কৰে যে, আইচিআইচিআই বেঙ্কে নিজৰ একমাত্ৰ বিবেচনা অনুসৰি, বেঙ্কে নিজেই বা ইয়াৰ নিযুক্ত প্ৰতিনিধি/এজেণ্টসকলে, কাৰ্ডখনত আগতে ব্যয় হোৱা মাচুলৰ বিপৰীতে পৰিশোধৰ বাবে যিকোনো সময়তে সদস্য জনকযোগাযোগ কৰিব পাৰে। কাৰ্ড সদস্যাই সকলো প্ৰাপ্য সংগ্ৰহৰ সম্পূৰ্ণ ব্যয় (আইনী ব্যয় সহ) পৰিশোধ কৰিবলৈসন্মত হয়, য'ত অন্তৰ্ভূক্ত থাকে সম্পৰ্কিত তথা আনুষঙ্গিক বিষয়ৰ বাবে আইচিআইচিআই বেঙ্কে বহন কৰা সকলো মাচুল, কাৰ্ড এখন নৱীকৰণ/সলনি কৰাৰ বাবে মাচুল, ডুপ্লিকেট বিবৃতি / চাৰ্জ-স্লিপৰ বাবে, নগদ অগ্ৰিমৰ বাবে লেনদেন মাচুল, উভতি অহা চেকৰ বাবে সংগ্ৰহ মাচুল আৰু তেনে অন্য ব্যয়, আৰু আইনী ব্যৱস্থা গ্ৰহণ কৰা সকলো সূত সহিতে মূলধনৰ সৈতে পৰিশোধ কৰিবলৈও কাৰ্ড সদস্য জন সন্মত হয়। সকলো মাচুলৰ বিৱৰণৰ বাবে শুল্ক পৰিশিষ্ট চাওক।

(ড) যদি কাৰ্ডধাৰক / কাৰ্ড সদস্যই প্ৰাসঙ্গিক নিৰ্ধাৰিত তাৰিখত তেওঁৰ বকেয়া পৰিমাণ পৰিশোধ নকৰে, আইচিআইচিআই বেঙ্কে ইয়াত থকা ধাৰাবোৰত উল্লেখ কৰা আইচিআইচিআই বেঙ্কৰ বিভিন্ন অধিকাৰ আৰু প্ৰতিকাৰৰ উপৰিও হ'ব, কাৰ্ডধাৰক/কাৰ্ড সদস্যৰ নিয়োগকৰ্তাক যোগাযোগ কৰি সদস্য জনক নিয়োগকৰ্তাই প্ৰদান কৰা দৰমহা/মজুৰিৰ পৰা ধন কৰ্তন কৰাৰ বাবে নিৰ্দেশ দিয়াৰ অনুমোদন থাকিব লগতে সেই কৰ্তন কৰা ধন তেতিয়ালৈকে আইচিআইচিআই বেঙ্কত থাকিব যেতিয়ালৈকে কাৰ্ডধাৰক / কাৰ্ড সদস্যৰ পৰা পাব লগা বকেয়া সকলো পৰিমাণ আইচিআইচিআই বেঙ্‌কত জমা কৰা নহয়। এই ক্ষেত্ৰত কৰ্তন কৰা ধন কাৰ্ডধাৰক/ কাৰ্ডসদস্যৰ নিয়োগকৰ্তাই আইচিআইচিআই বেঙ্কৰ সৈতে যোগাযোগৰ সময়ত উল্লেখ কৰা পৰিমাণ তথা সীমালৈকে হ'ব পাৰে। কাৰ্ডধাৰক / কাৰ্ড সদস্যৰ এনে কৰ্তনৰ ওপৰত কোনো আপত্তি নাথাকিব, বা উত্থাপন/সৃষ্টি কৰিব নোৱাৰিব। কাৰ্ডধাৰক / কাৰ্ড সদস্য আৰু/বা কাৰ্ডধাৰকৰ / কাৰ্ড সদস্যৰ নিয়োগকৰ্তাৰ মাজত থকা কোনো আইন বা চুক্তিয়ে আইচিআইচিআই বেঙ্কৰ দ্বাৰা নিৰ্দেশিত ধন কৰ্তনৰ লগতে সেইয়া কাৰ্ডধাৰকৰ / কাৰ্ড সদস্যৰ নিয়োগকৰ্তাৰ দ্বাৰা আইচিআইচিআই বেঙ্কত স্থানান্তৰ কৰাৰ বাবে আইচিআইচিআই বেঙ্কৰ অধিকাৰক খৰ্ব বা সীমাবদ্ধ নকৰিব।

VIII. নগদ ধন উলিওৱা

কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ নিৰ্বাচিত স্থানত বা শাখা বেঙ্কত বা আইচিআইচিআই বেঙ্কৰ সহযোগী বেঙ্কৰ বিভিন্ন নিৰ্বাচিত স্থানত বা এনে আন উপলব্ধ স্থান সমূহ যাৰ বিষয়ে আইচিআইচিআই বেঙ্কে সময়ে সময়ে কাৰ্ড সদস্যক অৱগত কৰে সেই সমূহত থকা টেলাৰ কাউণ্টাৰ অথবা অট'মেটেড টেলাৰ মেচিন(এটিএম)ত কাৰ্ডখন ব্যৱহাৰ কৰিব পাৰিব। যিকোনো সময়তে এই সুবিধাৰ অধীনত উলিয়াব

পৰা মুঠ পৰিমাণ প্ৰতিজন কাৰ্ড সদস্যৰ বাবে আইচিআইচিআই বেংকে নিৰ্ধাৰণ কৰা অনুসৰি উপলব্ধ নগদ সীমা অতিক্ৰম কৰিব নালাগে।

কাৰ্ড সদস্যই তেওঁৰ সৈতে এটিএম-ৰ দ্বাৰা সৃষ্টি কৰা লেনদেনৰ ৰেকৰ্ড ৰাখিব লাগিব। সকলো মাচুলৰ ওপৰত লেনদেন মাচুল আৰোপ কৰা হ'ব আৰু তাৰ পিছত জনোৱা বিবৃতিত কাৰ্ড সদস্যক বিল দিয়া হ'ব। ইয়াৰ উপৰিও, সকলো নগদ ধন উলিওৱা কাৰ্য্যই এনে লেনদেন কৰা তাৰিখৰ পৰা আইচিআইচিআই বেংকে পৰিশোধ প্ৰাপ্ত কৰালৈকে গড় দৈনিক বকেয়া বেলেন্স পদ্ধতিৰ ওপৰত গণনা কৰা সেৱা মাচুল আকৰ্ষিত কৰিব। এই সেৱা মাচুল কাৰ্ড একাউণ্টলৈ ডেবিট কৰা হ'ব। ওপৰত উল্লেখ কৰা অনুসৰি লেনদেন মাচুল আৰু সেৱা মাচুল ঘূৰাই দিয়া নহয়। আইচিআইচিআই বেংকে নিৰ্ধাৰণ কৰিব পৰা অনুসৰি, কাৰ্ড খন জাৰী কৰাৰ তাৰিখৰ পৰা প্ৰথম এশ আশী (১৮০) দিনৰ বাবে নিৰ্বাচিত কাৰ্ডৰ নগদ সীমা শূন্য হ'ব। প্ৰথম ১৮০ দিনৰ ম্যাদ উকলি যোৱাৰ পিছত, আইচিআইচিআই বেংকে কাৰ্ড সদস্যক ইয়াৰ একমাত্ৰ বিবেচনাত আৰু সময়ে সময়ে আইচিআইচিআই বেংকে জনোৱা চৰ্তাৱলী অনুসৰি নগদ সীমা উপলব্ধ কৰা হ'ব।

IX. ফোনত ড্ৰাফ্ট

আইচিআইচিআই বেংক গ্ৰাহক সেৱা কেন্দ্ৰৰ জৰিয়তে টেলিফোনযোগে কাৰ্ড একাউণ্টত ড্ৰাফ্ট জাৰী কৰাৰ বাবে অনুৰোধ কৰিব পাৰি। সকলো ড্ৰাফ্ট কেৱল উপলব্ধ নগদ সীমা অতিক্ৰম নকৰা পৰিমাণৰ বাবে জাৰী কৰা হ'ব আৰু সকলো ড্ৰাফ্টত লেনদেন মাচুল আৰোপ কৰা হ'ব আৰু বিবৃতিত কাৰ্ড সদস্যক বিল দিয়া হ'ব। লেনদেন মাচুলৰ উপৰিও, সকলো ড্ৰাফ্ট সেৱা মাচুল সংযুক্ত কৰা হ'ব আৰু ড্ৰাফ্ট জাৰী কৰাৰ তাৰিখৰ পৰা আইচিআইচিআই বেংকলৈ কাৰ্ড সদস্যই পৰিশোধ কৰাৰ তাৰিখলৈকে সেই মাচুল পৰিশোধ কৰিব লাগিব। সেৱা মাচুল আইচিআইচিআই বেংকৰ প্ৰচলিত হাৰত কাৰ্ড একাউণ্টলৈ ডেবিট কৰা হ'ব।

ওপৰত উল্লেখ কৰা অনুসৰি লেনদেন মাচুল আৰু সেৱা মাচুল ঘূৰাই দিয়া নহয়। আইচিআইচিআই বেংকে আগতীয়া জাননী অবিহনে আৰু কাৰ্ড সদস্যৰ প্ৰতি দায়বদ্ধতা অবিহনে যিকোনো সময়তে এই সুবিধা টো বন্ধ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। এবাৰ জাৰী কৰা ড্ৰাফ্ট খন আইচিআইচিআই বেংকৰ ৰেকৰ্ডত অন্তিমবাৰ ৰেকৰ্ড কৰা কাৰ্ড সদস্যৰ মেইলিং ঠিকনালৈ মেইল/কুৰিয়াৰ কৰা হ'ব। যদিও আইচিআইচিআই বেংক - গ্ৰাহক সেৱা কেন্দ্ৰৰ দ্বাৰা অনুৰোধ প্ৰাপ্ত কৰাৰ সময়ৰ পৰা ৪ টা কৰ্মদিনৰ ভিতৰত ড্ৰাফ্ট প্ৰদান কৰাৰ বাবে সকলো প্ৰচেষ্টা কৰা হ'ব, পিছে ইয়াৰ বাবে কোনো নিশ্চয়তা প্ৰদান কৰা নহয়। বিতৰণ নকৰা বা বিতৰণত পলম হোৱা বা ড্ৰাফ্ট প্ৰাপ্ত নকৰাৰ বাবে আইচিআইচিআই বেংক দায়বদ্ধ নহ'ব। যদি ড্ৰাফ্ট এখন হেৰুৱায় বা ইয়াক বাতিল কৰিব লগা হয়, আইচিআইচিআই বেংক গ্ৰাহক সেৱা কেন্দ্ৰক লগে লগে অৱগত কৰিব লাগিব। আইচিআইচিআই বেংকে কাৰ্ড সদস্যৰ পৰা যথাযথভাৱে প্ৰাপ্ত কৰা ক্ষতিপূৰণ (আইচিআইচিআই বেংকৰ বাবে গ্ৰহণযোগ্য পদ্ধতিত) প্ৰাপ্ত কৰাৰ পিছত কেৱল ক্ৰেডিটৰ জৰিয়তে ড্ৰাফ্ট খনৰ মূলধন কাৰ্ড একাউণ্টলৈ ঘূৰাই দিব। ড্ৰাফ্ট বাতিল কৰাৰ বাবে ড্ৰাফ্ট খন ঘূৰাই দিব লাগিব আৰু বাতিলকৰণ মাচুল আৰোপ কৰা হ'ব। যদি ড্ৰাফ্ট এখন হেৰায়/চুৰি হয়, আইচিআইচিআই বেংক ইয়াৰ সাল-সলনি বা ক্ষতিপূৰণৰ বাবে দায়বদ্ধ নহ'ব।

X. বীমা লাভালাভ

কাৰ্ড সদস্যজনক আইচিআইচিআই বেংকে সময়ে সময়ে বীমা কোম্পানীৰ সৈতে কৰা চুক্তিৰ জৰিয়তে বিভিন্ন বীমা সুবিধা প্ৰদান কৰিব পাৰে। ইয়াৰ সকলো দাবীৰ  ক্ষেত্ৰত, বীমা কোম্পানী দাবীটো নিষ্পত্তি কৰাৰ বাবে একমাত্ৰ দায়বদ্ধ হ'ব, আৰু কাৰ্ড সদস্যই ক্ষতিপূৰণ, ক্ষতিপূৰণ পুনৰুদ্ধাৰ, দাবীৰ প্ৰক্ৰিয়াকৰণ বা আন যিকোনো কাৰণত কোনো ধৰণে আইচিআইচিআই বেংকক দায়বদ্ধ নকৰিব। তলৰ পেৰাৰ চৰ্তাৱলী সাপেক্ষে, বীমা কোম্পানীয়ে কাৰ্ড সদস্যৰ মনোনীত ব্যক্তিক, যাৰ নাম কাৰ্ড সদস্যই পোনপটীয়াকৈ বা আইচিআইচিআই বেংকৰ জৰিয়তে বীমা কোম্পানীলৈ প্ৰেৰণ কৰা বীমা মনোনয়ন প্ৰপত্ৰত উল্লেখ কৰিছে তেওঁক অনুমোদিত প্ৰাপ্য পৰিশোধ কৰি ইয়াৰ সকলো দায়বদ্ধতাৰ পৰা মুক্ত হ'ব। মনোনয়নৰ যিকোনো পৰিৱৰ্তন কাৰ্ড সদস্যই লিখিতভাৱে আইচিআইচিআই বেংকক অৱগত কৰিব। কাৰ্ড সদস্যই আৰু স্বীকাৰ কৰে যে এনেদৰে প্ৰদান কৰা বীমা লাভালাভবোৰ কাৰ্ড সদস্যজনৰ বাবে কেৱল তেতিয়ালৈকে উপলব্ধ হ'ব যেতিয়ালৈকে কাৰ্ড সদস্যজন আইচিআইচিআই বেংকৰ কাৰ্ড সদস্য হৈ থাকে আৰু তেওঁৰ কাৰ্ড একাউণ্ট ভাল আৰু নিয়মীয়া হয় আৰু ডিফল্ট হোৱাৰ কোনো ঘটনা সংঘটিত নহয়।

কাৰ্ড সদস্যই আৰু সন্মত হয় যে কাৰ্ড সদস্যৰ দ্বাৰা কাৰ্ডত থকা সকলো বকেয়া দায়বদ্ধতা সন্তোষজনকভাৱে নিষ্কাশন নোহোৱালৈকে বীমা দাবীৰ পৰিমাণ আইচিআইচিআই বেংকৰ নিৰ্দেশত বীমা কোম্পানীয়ে এস্ক্ৰ'ত(escrow) ৰাখিব পাৰে। কাৰ্ড সুবিধা টো বাতিল কৰাৰ ক্ষেত্ৰত, যিকোনো কাৰণতে, এনে সকলো বীমা লাভালাভ স্বয়ংক্ৰিয়ভাৱে আৰু সদস্যতা বন্ধ হোৱাৰ এনে তাৰিখৰ পৰা উপলব্ধ হোৱাটো বন্ধ হ'ব। আইচিআইচিআই বেংকে যিকোনো সময়তে (ইয়াৰ কোনো আগতীয়া জাননী নিদিয়াকৈ ইয়াৰ একমাত্ৰ বিবেচনাত) এই বীমা লাভালাভবোৰ সংশোধন, নিলম্বন, প্ৰত্যাহাৰ বা বাতিল কৰিব পাৰে আৰু এই লাভালাভবোৰ অব্যাহত ৰখাৰ বাবে আইচিআইচিআই বেংকৰ ওপৰত কোনো বাধ্যবাধকতা নাথাকিব।

XI. হেৰুওৱা, চুৰি হোৱা বা অপব্যৱহাৰ কৰা ক্ৰেডিট কাৰ্ড

যদি কাৰ্ড এখন হেৰুৱায় বা চুৰি হয়, ইয়াক লগে লগে আইচিআইচিআই বেংকৰ গ্ৰাহক সেৱা পক্ষক জনাব লাগিব। অৱশ্যে, চুৰিৰ ফলত কাৰ্ড হেৰুওৱাৰ ক্ষেত্ৰত, কাৰ্ড সদস্যই স্থানীয় আৰক্ষী থানাত প্ৰতিবেদন দাখিল কৰিব লাগিব আৰু আইচিআইচিআই বেংকৰ অনুৰোধৰ পিছত ইয়াৰ এটা প্ৰতিলিপি প্ৰস্তুত কৰিবলৈ সক্ষম হ'ব লাগিব। আইচিআইচিআই বেংকে পৰ্যাপ্ত প্ৰমাণীকৰণৰ পিছত, কাৰ্ড একাউণ্ট স্থগিত ৰাখিব আৰু ইয়াৰ সম্পৰ্কত সকলো সুবিধা বাতিল কৰিব আৰু কাৰ্ড সদস্যৰ কোনো অসুবিধাৰ বাবে বেংক দায়বদ্ধ নহ'ব। কাৰ্ড সদস্যসকলে এই কথাটো বিবেচনা কৰিব যে কাৰ্ড এখন হেৰুওৱা, চুৰি হোৱা বা ক্ষতিগ্ৰস্ত হোৱাৰ খবৰ পোৱাৰ পিছত,  পৰৱৰ্তী সময়ত ইয়াক পোৱা গ'লেও কাৰ্ডখন পুনৰ ব্যৱহাৰ কৰিব নোৱাৰি। কাৰ্ড সদস্যই ঘোষণা কৰে যে যদি কাৰ্ড এখন হেৰুওৱা, ক্ষতিগ্ৰস্ত বা চুৰি হোৱাৰ খবৰ প্ৰদান কৰা হ'য়, ইয়াক পুনৰ ব্যৱহাৰ কৰা নহ'ব, আনকি পৰৱৰ্তী সময়ত ক্ষতিগ্ৰস্ত নোহোৱা অৱস্থাত থাকিলেও পুনৰ ব্যৱহাৰ কৰা নহ'ব। এনে ক্ষেত্ৰত, কাৰ্ড সদস্যই তৎক্ষণাৎ কাৰ্ডখন ৪ টুকুৰাকৈ কাটি ৰাখিব আৰু বাতিলকৰাৰ বাবে আইচিআইচিআই বেংকক ঘূৰাই দিব। কাৰ্ডৰ সদস্যজন কাৰ্ডখনৰ সুৰক্ষাৰ বাবে দায়বদ্ধ আৰু কাৰ্ডখনৰ অপব্যৱহাৰ নোহোৱাটো নিশ্চিত কৰাৰ দিশত সকলো পদক্ষেপ ল'ব। যদি

আই.চি.আই.চি.আই. বেঙ্কে নিৰ্ধাৰণ কৰে যে কাৰ্ডখন হেৰুওৱা / চুৰি হোৱা/ধ্বংস হোৱাৰ ক্ষেত্ৰত কাৰ্ড সদস্যই ওপৰত উল্লেখ কৰা পদক্ষেপবোৰ লোৱাত ব্যৰ্থ হৈছে আৰু সেইবোৰ সন্দেহজনক হ'য়, তেন্তে হেৰুওৱা, চুৰি হোৱা বা ক্ষতিগ্ৰস্ত কাৰ্ডখনৰ ওপৰত বিত্তীয় দায়বদ্ধতা কাৰ্ড সদস্যৰ ওপৰত থাকিব আৰু আনকি কাৰ্ড একাউণ্ট বাতিল হ'ব পাৰে।

কাৰ্ডখন হেৰুওৱা/চুৰি/ক্ষতিৰ প্ৰতিবেদন দিয়াৰ পিছত আৰু আইচিআইচিআই বেঙ্কে কাৰ্ড একাউণ্ট স্থগিত কৰাৰ পিছত কাৰ্ডখনত কৰা যিকোনো অননুমোদিত লেনদেনৰ বাবে কাৰ্ড সদস্যৰ কোনো দায়বদ্ধতা নাথাকিব আৰু ইয়াৰ দ্বায়িত্ব আইচিআইচিআই বেঙ্কৰ হ'ব যাৰ ওচৰত বাতিলকৰা কাৰ্ড খন থাকিব। কাৰ্ড খন হেৰুৱা/চুৰিহোৱা/ক্ষতিৰ প্ৰতিবেদন দিয়াৰ পাছত ইয়াৰ সৈতে হোৱা যিকোনো লেনদেনৰ দায়বদ্ধতা বেঙ্কৰ ওপৰত পৰিব। অৱশ্যে, কাৰ্ডখন হেৰুৱা/চুৰিহোৱা/ক্ষতিৰ প্ৰতিবেদন দিয়া আৰু কাৰ্ডখনত হোৱা/কৰা লেনদেনৰ সময় সম্পৰ্কীয় যিকোনো বিবাদৰ ক্ষেত্ৰত, উক্ত কাৰ্ডখন হেৰুওৱা/ চুৰি/অপব্যৱহাৰ হোৱা বুলি প্ৰতিবেদন দিয়াৰ পিছত, আইচিআইচিআই বেঙ্কে বিতৰ্কিত লেনদেনৰ সময় আৰু/বা সত্যতা নিৰ্ণয় কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখিব। আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে কাৰ্ড একাউণ্টত কৰা যিকোনো ধৰণৰ অপব্যৱহাৰৰ সন্দেহজনক বিপদাশংকাৰ ক্ষেত্ৰত ক্ৰেডিট কাৰ্ড অৱৰোধ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। কাৰ্ড সদস্যই কোনো লেনদেনৰ বাবে অৱৰোধ কৰা কাৰ্ড ব্যৱহাৰ কৰিবলৈ সক্ষম নহ'ব আৰু ৭ (সাত) কৰ্মদিনৰ ভিতৰত এটা প্ৰতিস্থাপন কাৰ্ড প্ৰাপ্ত কৰিব।

কাৰ্ড সদস্যই, আইচিআইচিআই বেঙ্কৰ দ্বাৰা সম্ভাব্য প্ৰৱঞ্চনাৰ বিপদাশংকাৰ বিষয়ে অৱগত হোৱাৰ পিছতো কাৰ্ডখন আনব্লক কৰিবলৈ যদি অনুৰোধ কৰে, ইয়াৰ পাছত কাৰ্ডখনত হোৱা প্ৰৱঞ্চনামূলক ব্যৱহাৰৰ বাবে বা অন্য কোনো ধৰণৰ প্ৰৱঞ্চনামূলক লেনদেনৰ বাবে আইচিআইচিআই বেঙ্ক কোনো প্ৰকাৰে দায়বদ্ধ নহ'ব।

XII. দায়বদ্ধতা বৰ্জন

আই.চি.আই.চি.আই. বেঙ্ক আৰু এই চৰ্তাৱলীৰ ক্ষেত্ৰত উপলব্ধ প্ৰতিকাৰবোৰৰ প্ৰতি পক্ষপাতিত্ব নকৰাকৈ, তলত দিয়া সমূহৰ বাবে প্ৰত্যক্ষ বা পৰোক্ষভাৱে উদ্ভৱ হোৱা যিকোনো লোকচান বা ক্ষতিৰ ক্ষেত্ৰত আই.চি.আই.চি.আই. বেঙ্কৰ কাৰ্ড সদস্যৰ প্ৰতি কোনো দায়বদ্ধতা নাথাকিব:

ক) যোগান ধৰা যিকোনো সামগ্ৰী বা সেৱাৰ যিকোনো ত্ৰুটি;

খ) কাৰ্ড এখন গ্ৰহণ কৰিবলৈ যিকোনো ব্যক্তি/ব্যৱসায়ী প্ৰতিষ্ঠানে অস্বীকাৰ কৰিলে; গ) যিকোনো কম্পিউটাৰ টাৰ্মিনেলৰ বিজুতি;

ঘ) কাৰ্ড সদস্যৰ বাহিৰে আন যিকোনো ব্যক্তিৰ দ্বাৰা লেনদেনৰ নিৰ্দেশনা প্ৰদান কৰা; ঙ) কাৰ্ড সদস্যই কাৰ্ডখন আইচিআইচিআই বেঙ্ক বা ইয়াৰ প্ৰতিনিধিসকলৰ বাহিৰে আন কাৰোবাক হস্তান্তৰ কৰা;

চ) আইচিআইচিআই বেঙ্কে কাৰ্ডখনৰ সন্মোখভাগত উল্লেখিত টকা ম্যাদ উকলি যোৱা তাৰিখৰ আগতেই কাৰ্ডখন ঘূৰাই লোৱাৰ বাবে তথা কাৰ্ডসদস্যৰ দ্বাৰা আত্মসমৰ্পণৰ কৰোৱাৰ অধিকাৰ প্ৰয়োগ কৰি প্ৰয়োগ কৰা

ছ) যিকোনো কাৰ্ড আৰু কাৰ্ড একাউণ্ট বাতিল কৰাৰ বাবে আইচিআইচিআই বেঙ্কৰ দ্বাৰা ইয়াৰ অধিকাৰৰ অনুশীলন;

জ) কাৰ্ডখন পুনৰ দখল কৰাৰ ফলত আৰু/ বা ইয়াক ঘূৰাই দিয়াৰ বাবে যিকোনো অনুৰোধ বা কাৰ্ডখন গ্ৰহণ কৰিবলৈ কোনো ব্যৱসায়ী প্ৰতিষ্ঠান/মেইল অৰ্ডাৰ প্ৰতিষ্ঠানে অস্বীকাৰ কৰাৰ ফলত কাৰ্ড সদস্যৰ ক্ৰেডিট চৰিত্ৰ আৰু খ্যাতিৰ যিকোনো আঘাত হোৱা বুলি অভিযোগ কৰা;

ঝ) কাৰ্ড সদস্যই দিবলৈ থকা বকেয়া নিষ্পত্তি কৰাৰ ক্ষেত্ৰত আইচিআইচিআই বেঙ্ক বা আইচিআইচিআই বেঙ্কৰ হৈ কাম কৰা আন ব্যক্তিৰ দ্বাৰা কৰা দাবীৰ সময়ত আইচিআইচিআই বেঙ্কে প্ৰকাশ কৰা যিকোনো বিৱৰণত যিকোনো ভুল বিবৃতি, ভুল তথ্য, ত্ৰুটি বা বাদপৰি যোৱা কাৰ্য্যৰ বাবে কাৰ্ড সদস্যই সন্মত হয় তথা তেনে দাবী কোনো প্ৰকাৰেই কাৰ্ড সদস্য জনৰ চৰিত্ৰৰ প্ৰতি বিৰোধী বা তেওঁৰ সন্মানহানি কৰা কাৰ্য নহয়।

কাৰ্ডধাৰকে স্বীকাৰ কৰে যে ক্ৰেডিট কাৰ্ড সুবিধাৰ বাবে আবেদন কৰাৰ সময়ত কাৰ্ডধাৰকে প্ৰদান কৰা ফোন নম্বৰ বা ই-মেইলত সতৰ্কবাৰ্তা প্ৰাপ্ত কৰাৰ সুবিধাৰ ব্যৱস্থা, আইচিআইচিআই বেঙ্কৰ দ্বাৰা নিয়োজিত সেৱা প্ৰদানকাৰীসকলে প্ৰদান কৰিব লগা আন্তঃগাঁথনি, সংযোগ আৰু সেৱাৰ ওপৰত নিৰ্ভৰশীল। কাৰ্ডধাৰকে স্বীকাৰ কৰে যে আইচিআইচিআই বেঙ্কে প্ৰেৰণ কৰা সতৰ্কবাণীৰ সময়সীমা, শুদ্ধতা আৰু পঢ়া-শুনা আইচিআইচিআই বেঙ্কৰ দ্বাৰা নিযুক্ত অন্যান্য সেৱা প্ৰদানকাৰীক প্ৰভাৱিত কৰা কাৰকৰ ওপৰত নিৰ্ভৰ কৰিব। কাৰ্ডধাৰক সকললৈ সতৰ্কবাৰ্তা প্ৰেৰণ নহলে বা পলম হলে বা কাৰ্ডধাৰক সকললৈ বাৰ্তা প্ৰেৰণত সমস্যা হোৱা বা বাৰ্তা হেৰুৱা বা সালসলনি হোৱাৰ বাবে আই.চি.আই.চি.আই. বেঙ্ক দায়বদ্ধ নহ'ব।

XIII. বেলেন্স স্থানান্তৰণৰ সুবিধা

"সুবিধা"ৰ অৰ্থ হৈছে আইচিআইচিআই বেঙ্কৰ একমাত্ৰ বিবেচনা অনুসৰি, কাৰ্ড সদস্যৰ আন বেঙ্কৰ ক্ৰেডিট কাৰ্ডত থকা বকেয়া বেলেন্সৰ সম পৰিমাণৰ বকেয়া পৰিমাণ, উপলব্ধ ক্ৰেডিট-সীমা অতিক্ৰম নকৰাকৈ আইচিআইচিআই বেঙ্কে প্ৰদান কৰা / প্ৰদান কৰিবলৈ সন্মত হোৱা কাৰ্ড সদস্যৰ কাৰ্ডলৈ স্থানান্তৰ কৰা, ।

"ইজি বিটি" (Easy BT)ৰ অৰ্থ হৈছে এনে সুবিধা য'ত কাৰ্ড সদস্যই পুনৰপৰিশোধ সুবিধাটো সমান মাহিলী কিস্তিত ৰূপান্তৰ কৰাৰ ব্যৱস্থা।

"ইএমআই" (EMI) বা "সমান মাহিলী কিস্তি"ৰ অৰ্থ হৈছে সুবিধাটোৰ সন্দৰ্ভত কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক পৰিশোধ কৰিব লগা পৰিমাণৰ সমান মাহিলী কিস্তি, যাৰ ভিতৰত আছে সুবিধাটোৰ মূল পৰিমাণ আৰু ইয়াৰ ওপৰত সূত।

"সূত মুক্ত বেলেন্স স্থানান্তৰ" (Interest Free Balance Transfer)ৰ অৰ্থ হৈছে কাৰ্ডধাৰকে আইচিআইচিআই বেঙ্কে নিৰ্ধাৰিত কৰা এক নিৰ্দিষ্ট ম্যাদৰ বাবে 0% সূতৰ হাৰত সুবিধাটো প্ৰাপ্ত কৰে।

"এলটিবিটি" (LTBT) (আজীৱন বেলেন্স স্থানান্তৰ)ৰ অৰ্থ হৈছে কাৰ্ডধাৰকে সুবিধাটো প্ৰাপ্ত কৰাৰ সময়ত আইচিআইচিআই বেঙ্কে নিৰ্ধাৰিত কৰা হাৰত এক অনিৰ্দিষ্ট সময়ৰ বাবে সুবিধাটো প্ৰাপ্ত কৰে।

সুবিধাটোৰ ব্যৱহাৰ:

সুবিধাটোৰ অধীনত, আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনা অনুসৰি, কাৰ্ড সদস্যক তেওঁৰ

বকেয়া বেলেন্সৰ সকলো বা কিছু অংশ আন বেঙ্ক /প্ৰতিষ্ঠানৰ দ্বাৰা জাৰী কৰা ক্ৰেডিট কাৰ্ডত তেওঁৰ কাৰ্ড একাউণ্টলৈ স্থানান্তৰ কৰিবলৈ অনুমতি দিব। এনে স্থানান্তৰ, কাৰ্ড সদস্যৰ মেইলিং ঠিকনালৈ, যিটো অন্তিমবাৰ আইচিআইচিআই বেঙ্কত পঞ্জীয়ন কৰা হৈছিল তথা সেই অন্য বেঙ্ক/প্ৰতিষ্ঠান যি কাৰ্ড সদস্য জনৰ কাৰ্ড একাউণ্টত ক্ৰেডিটৰ বাবে ক্ৰেডিট কাৰ্ড আৱণ্টন দিছিল সেই পক্ষৰ দ্বাৰা সুবিধাৰ পৰিমাণ সত্যাৰ্পন কৰিবলৈ তেওঁলোকক উদ্দেশ্য কৰি প্ৰেৰণ কৰা হ'ব।

আইচিআইচিআই বেঙ্কৰ দ্বাৰা প্ৰদান কৰা / সন্মত হোৱা সুবিধাৰ পিছত কাৰ্ড সদস্যই তেওঁৰ আন ক্ৰেডিট কাৰ্ডৰ সন্দৰ্ভত বহন কৰিব পৰা যিকোনো অতিৰিক্ত পৰিশোধ বা সেৱা মাচুলৰ বাবে আইচিআইচিআই বেঙ্ক দায়বদ্ধ নহ'ব। কাৰ্ড সদস্যই আন ক্ৰেডিট কাৰ্ড জাৰী কৰা বেঙ্ক / সংস্থাৰ দ্বাৰা সুবিধাৰ স্থানান্তৰিত পৰিমাণ প্ৰাপ্ত নকৰালৈকে আন ক্ৰেডিট কাৰ্ড জাৰীকৰা বেঙ্ক / সংস্থাক পৰিশোধ কৰা অব্যাহত ৰাখিবলৈ দায়বদ্ধ থাকিব। ইয়াৰ উপৰিও, কাৰ্ড সদস্যই ভৱিষ্যতৰ এক বিবৃতিত নিশ্চিতি প্ৰাপ্ত কৰিব যে আন জাৰী কৰা বেঙ্ক / সংস্থাৰ ক্ৰেডিট কাৰ্ডৰ সৈতে জড়িত তেওঁৰ কাৰ্ড একাউণ্টটো ক্ৰেডিট কৰা হৈছে। সুবিধাটো উপলব্ধ নগদ ধন- সীমা আৰু/বা ক্ৰেডিট সীমা সাপেক্ষে প্ৰাথমিক কাৰ্ড সদস্যৰ লগতে পৰিপূৰক কাৰ্ড সদস্যৰ বাবে উপলব্ধ হ'ব আৰু সুবিধাটোৰ বাবে অনুৰোধ কৰা কাৰ্ড সদস্যকহে সুবিধাটো প্ৰদান কৰা হ'ব।

কাৰ্ডসদস্যক প্ৰদান কৰা সুবিধাৰ অন্তৰ্গত পৰিমাণৰ ভিত্তিত কাৰ্ডখনত নগদ-সীমা আৰু/বা ক্ৰেডিট-সীমা অৱৰোধ কৰা হ'ব। কাৰ্ড সদস্যই শুল্ক পৰিশিষ্টত নিৰ্ধাৰিত কৰা অনুসৰি আইচিআইচিআই বেঙ্কে নিৰ্ধাৰিত কৰা শতাংশলৈকে সুবিধাটোৰ ওপৰত এক অপৰিশোধযোগ্য প্ৰক্ৰিয়াকৰণ মাচুল পৰিশোধ কৰিব লাগিব। আইচিআইচিআই বেঙ্কৰ প্ৰচলিত হাৰ অনুসৰি প্ৰক্ৰিয়াকৰণ মাচুল আৰু সূতৰ পৰিমাণৰ ওপৰত জিএছটি (GST) প্ৰযোজ্য হ'ব। এনে পৰিমাণ নিৰ্দিষ্ট মাহৰ বিবৃতিত প্ৰতিফলিত হ'ব। কাৰ্ড সদস্যৰ দ্বাৰা আইচিআইচিআই বেঙ্কত সুবিধাৰ বাবে আবেদন কৰাৰ পিছত, আইচিআইচিআই বেঙ্কে আন বেঙ্কৰ ক্ৰেডিট কাৰ্ডত দহ টকাৰ (১০) বাবে এক ডামি অনুমোদন প্ৰদান কৰিব যাৰ বাবে সুবিধাটো প্ৰাপ্ত কৰা হয়। যদি অনুমোদন সফল হয়, বেলেন্স ট্ৰেন্সফাৰ লেনদেন আইচিআই বেঙ্কৰ একমাত্ৰ বিবেচনাত অন্যান্য চৰ্তাৱলী আৰু নিয়মাৱলী সাপেক্ষে প্ৰক্ৰিয়াকৰণ কৰা হ'ব।

পুনঃ পৰিশোধ:

সুবিধাটো ইজি বিটি (Easy BT) হোৱাৰ ক্ষেত্ৰত, কাৰ্ড সদস্যই ই.এম.আই (EMI).ৰ দ্বাৰা সুবিধাৰ ধন আৰু সূত পৰিশোধ কৰিব। সূত এনে হাৰত হ'ব যিটো আইচিআইচিআই বেঙ্কে সুবিধাটোৰ বাবে প্ৰস্তাৱ দিয়াৰ সময়ত কাৰ্ড সদস্যক সূচিত কৰিছে আৰু তাৰ পিছত কাৰ্ড সদস্যক জনোৱৰা হৈছে। কাৰ্ড সদস্যৰ পৰা ইজি বিটি (Easy BT) সম্পৰ্কীয় অনুৰোধ নিশ্চিত হোৱাৰ পৰা সূতগণনা আৰম্ভ হ'ব। ই.এম.আই.-ৰ পৰিমাণ আৰু সুবিধাটোৰ অন্যান্য বিৱৰণ (সূতৰ হাৰ সহ) কাৰ্ড সদস্যক তেওঁৰ মেইলিং ঠিকনাত জনোৱা হ'ব।

এক নিৰ্দিষ্ট মাহৰ বাবে দেয় ইএমআইৰ পৰিমাণ পৰৱৰ্তী সময়ত সেই নিৰ্দিষ্ট মাহৰ বিবৃতিত প্ৰতিফলিত হ'ব। আইচিআইচিআই বেঙ্কক কাৰ্ড সদস্যই সেই নিৰ্দিষ্ট মাহৰ বাবে দেয় ইএমআইৰ পৰিমাণৰ বাবে যিদৰে বিবৃতিৰ জৰিয়তে কাৰ্ড সদস্যক অৱগত কৰা হৈছে সেই অনুসৰি মাহিলী আধাৰত কাৰ্ড সদস্যৰ

কার্ড একাউণ্ট ডেবিট কৰাৰ অধিকাৰ প্ৰাপ্ত কৰিব / কৰ্তৃত্ব প্ৰাপ্ত কৰিব লাগিব । কাৰ্ড সদস্যৰ দ্বাৰা পৰিশোধ কৰাৰ পিছত, কাৰ্ড সদস্যই পৰিশোধ কৰা ইএমআইৰ পৰিমাণলৈকে নগদ সীমা / ক্ৰেডিট সীমা পুনৰ স্থাপন কৰা হ'ব।

কাৰ্ড সদস্যই ইএমআইৰ সম্পূৰ্ণ পৰিমাণ এক নিৰ্দিষ্ট মাহৰ বাবে বিবৃতিত উল্লেখ কৰা অনুসৰি পৰিশোধৰ নিৰ্ধাৰিত তাৰিখত পৰিশোধ কৰিব লাগিব আৰু সেইটো পৰৱৰ্তী বিবৃতিত আগবঢ়োৱা/অন্তৰ্ভুক্ত কৰাৰ অনুমতি দিয়া নহ'ব। যদি পৰিশোধ নিৰ্ধাৰিত কৰা অনুসৰি পৰিশোধ নিৰ্ধাৰিত তাৰিখৰ ভিতৰত কৰা নহয়, ইয়াক কাৰ্ড সদস্যই ডিফল্ট বুলি গণ্য কৰিব আৰু কাৰ্ড সদস্যই তেওঁৰ সুবিধা আৰু বিলম্বিত পৰিশোধ মাচুলৰ ওপৰত আৰোপ কৰিব পৰা সূতৰ সৈতে (শুল্ক পৰিশিষ্টত নিৰ্ধাৰিত কৰা অনুসৰি) পৰিমাণটো পৰিশোধ কৰিবলৈ দায়বদ্ধ হ'ব।

ইজি বিটি(Easy BT)ৰ বাহিৰে আন ক্ষেত্ৰত সুবিধাৰ পৰিমাণ, বকেয়া মুঠ পৰিমাণ আৰু/বা ইএমআই পৰিমাণৰ অংশ হ'ব আৰু ক্ৰমান্বয়ে ধাৰা ষষ্ঠ (VI) আৰু পয়ত্ৰিছ (XXXIV)ত প্ৰদান কৰা ধৰণে পৰিশোধ কৰিব লাগিব।

যদি কাৰ্ড সদস্যই সূত মুক্ত বেলেন্স স্থানান্তৰৰ সুবিধা প্ৰাপ্ত কৰে, তেন্তে নিৰ্ধাৰিত ম্যাদৰ বাবে কেৱল স্থানান্তৰ কৰা মূল বেলেন্স পৰিমাণ সূত-মুক্ত হ'ব। যদি কাৰ্ড সদস্যই সুবিধাটো প্ৰাপ্ত কৰাৰ পিছত দেয় মুঠ পৰিমাণৰ কেৱল আংশিক ভাৱে পৰিশোধ কৰে, কাৰ্ড সদস্যই পৰিশোধ কৰা পৰিমাণটো আনুমাণিক ভাৱে গণনা কৰা হ'ব আৰু ওপৰৰ দফা ষষ্ঠ (১) (VI (I))ত উল্লেখ কৰা চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি সূত আৰু সেৱা মাচুল আৰোপ কৰা হ'ব।

যদি কাৰ্ড সদস্যই এলটিবিটি (LTBT) লাভ কৰে, আইচিআইচিআই বেঙ্কে নিৰ্ধাৰিত কৰা হাৰ কেৱল স্থানান্তৰ কৰা মূল বেলেন্স পৰিমাণৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। সুবিধাটো প্ৰাপ্ত কৰাৰ পিছত দেয় মুঠ পৰিমাণৰ আংশিক পৰিশোধৰ ক্ষেত্ৰত, কাৰ্ড সদস্যই পৰিশোধ কৰা পৰিমাণটো অনুমাণিক ভাৱে গণনা কৰা হ'ব আৰু ওপৰৰ দফা ষষ্ঠ (আই) (গ) [VI (I) (c)]ত উল্লেখ কৰা চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি সূত আৰু সেৱা মাচুল আৰোপ কৰা হ'ব। স্থানান্তৰ কৰা মূল বেলেন্সৰ পৰিমাণৰ 5%, নিম্নতম দেয় পৰিমাণ গণনা কৰোঁতে বিবেচনা কৰা হ'ব।

সুবিধাটো আগতীয়াকৈ বাতিলকৰণ:

সুবিধাটো ইজি বিটি (Easy BT) হোৱাৰ ক্ষেত্ৰত, যদি সুবিধাটো পৰিশোধৰ ম্যাদৰ আগতে আগতীয়াকৈ বন্ধ/সমাপ্ত কৰা হয়, তেন্তে সুবিধাটোৰ পৰিশোধৰ ম্যাদৰ আগতে সুবিধাটো আগতীয়াকৈ বন্ধ/সমাপ্ত কৰা সময়ত বকেয়া থকা সুবিধাৰ পৰিমাণ আৰু সুবিধাটোৰ সন্দৰ্ভত আন সকলো টকা কাৰ্ড সদস্যই লগে লগে পৰিশোধ কৰিব লাগিব। কাৰ্ড সদস্যই যিকোনো সময়তে আইচিআইচিআই বেঙ্কৰ গ্ৰাহক সেৱা কেন্দ্ৰৰ সৈতে যোগাযোগ কৰি আগতীয়াকৈ বন্ধ কৰাৰ এই সুবিধা ল'ব পাৰে। এনে আগতীয়াকৈ বন্ধ কৰাৰ সুবিধা লোৱাৰ বাবে মাচুল যাৰ বিষয়ে আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্য জনক সুবিধাটো প্ৰদান কৰোঁতে যোগাযোগ বাৰ্তাত উল্লেখ কৰা অনুসৰি পৰিশোধ কৰিব লাগিব।

আই.চি.আই.চি.আই. বেঙ্কে, ইয়াৰ সকলো অধিকাৰ আৰু প্ৰতিকাৰৰ প্ৰতি পক্ষপাতিত্ব নকৰাকৈ, কাৰ্ড

সদস্যক একেৰাহে দুমাহৰ বাবে ই.এম.আই. পৰিশোধত ডিফল্ট হোৱাৰ পিছত সুবিধাটোৰ সন্দৰ্ভত সকলো সূত আৰু আন সকলো ধন পৰিশোধ কৰিবলৈ আহ্বান জনোৱাৰ অধিকাৰ থাকিব আৰু কাৰ্ড সদস্যই এনে দাবীৰ ওপৰত এনে সকলো পৰিমাণ পৰিশোধ কৰিবলৈ দায়বদ্ধ হ'ব।

সুবিধা বাতিল কৰণ:

কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ গ্ৰাহক যত্ন কেন্দ্ৰৰ সৈতে যোগাযোগ কৰি সুবিধাটো প্ৰদান কৰাৰ ১৫ দিনৰ ভিতৰত সুবিধাটো বাতিল কৰিব পাৰে। এনে বাতিলকৰণ ক্ৰেডিট কাৰ্ড অপাৰেচন, আইচিআইচিআই বেঙ্ক লিমিটেড.চি উইং, অ'টম এষ্টেটছ। চান্দিভালী ফাৰ্ম ৰোড, চান্দিভালী। চান্দিভালী ষ্টুডিঅ'ৰ কাষত, . এম.এইচ.এ.ডি.এ.ৰ বিপৰীতে, আন্ধেৰী - পূৱ, মুম্বাই - ৪০০০৭২ ত ডিমাণ্ড ড্ৰাফ্ট ঘূৰাই দিয়া সাপেক্ষে আৰু কাৰ্ড সদস্য বা হিতাধিকাৰীৰ দ্বাৰা ডিমাণ্ড ড্ৰাফ্ট নগদীকৰণ নকৰা সাপেক্ষে হ'ব।

XIV. পৰিপূৰক কাৰ্ড

প্ৰাথমিক কাৰ্ড সদস্যৰ পৰিয়ালৰ সদস্যসকলক এড-অন কাৰ্ড জাৰী কৰাৰ বাবে প্ৰাথমিক কাৰ্ড সদস্যৰ দ্বাৰা অনুৰোধ প্ৰাপ্ত কৰাৰ পিছত, আইচিআইচিআই বেঙ্কে সময়ে সময়ে চূড়ান্ত কৰা চৰ্তাৱলী আৰু নিয়মাৱলীৰ ভিত্তিত প্ৰাথমিক কাৰ্ড সদস্যৰ পৰিয়ালৰ সদস্যসকলক এক পৰিপূৰক কাৰ্ড জাৰী কৰিব।

পৰিপূৰক কাৰ্ডৰ ব্যৱহাৰে এই চৰ্তাৱলী আৰু নিয়মাৱলীও গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব। যিকোনো পৰিপূৰক কাৰ্ডৰ ধাৰক আৰু প্ৰাথমিক কাৰ্ড সদস্য যিয়ে ইয়াক জাৰী কৰাৰ কৰ্তৃত্ব প্ৰদান কৰিছে, তেওঁলোক যুটীয়াভাৱে আৰু বেলেগে বেলেগেও এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ অধীনত পৰিশোধৰ বাবে বাধ্য /দায়বদ্ধ, অৱশ্যে পৰিপূৰক কাৰ্ডৰ অধীনত প্ৰাপ্য আৰু পৰিশোধ যোগ্য সকলো মাচুল পৰিশোধ নিশ্চিত কৰাটো প্ৰাথমিক কাৰ্ড সদস্যৰ দায়িত্ব হ'ব।যিহেতু পৰিপূৰক কাৰ্ড এখন, আইচিআইচিআই বেঙ্কে সময়ে সময়ে নিৰ্ধাৰণ কৰিব পৰা এক নিৰ্দিষ্ট মাচুলৰ বাবদ পাব পৰা এক সুবিধা, সেয়ে পৰিপূৰক কাৰ্ড সদস্যৰ সদস্যপদ অব্যাহত ৰখাটো কেৱল প্ৰাথমিক কাৰ্ড সদস্যৰ সদস্যপদ অব্যাহত ৰখাৰ ওপৰত নিৰ্ভৰশীল হ'ব।

XV. বিলিং

কাৰ্ড ব্যৱহাৰ ৰ দ্বাৰা বহন কৰা সকলো মাচুল আৰু কাৰ্ড একাউণ্টত প্ৰযোজ্য সকলো মাচুলৰ বাবে সকলো কাৰ্ড সদস্যক মাহিলী আধাৰত বিল প্ৰদান কৰা হ'ব। আই.চি.আই.চি.আই. বেঙ্কে চেষ্টা কৰিব যে কাৰ্ড সদস্যলৈ বিবৃতি প্ৰেৰণ কৰাত কোনো পলম নহয়। অৱশ্যে, পূৰ্বৰ মাহত কাৰ্ড একাউণ্টত কোনো বকেয়া প্ৰাপ্য তথা কোনো লেনদেন নোহোৱা সময়ৰ বাবে কোনো বিবৃতি সৃষ্টি নহ'ব পাৰে।

আই.চি.আই.চি.আই. বেঙ্কে কেৱল কাৰ্ড সদস্যৰ দ্বাৰা হে বিবৃতিটো প্ৰাপ্ত কৰিব পৰাটো নিশ্চিত কৰিবলৈ উপযুক্ত সুৰক্ষাৰ সৈতে অনলাইন বিবৃতি প্ৰদান কৰিবলৈ চেষ্টা কৰিব। কোনো কাৰণতে, আইচিআইচিআই বেঙ্কৰ ফালৰ পৰা বিবৃতি প্ৰেৰণ কৰাত কোনো পলম নহয়, তথাপিও সেইয়া প্ৰাপ্ত নকৰাৰ ক্ষেত্ৰত কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক পৰিশোধৰ নিৰ্ধাৰিত তাৰিখত তেওঁৰ ওচৰত থকা চাৰ্জ শ্লিপৰ প্ৰতিলিপি ব্যৱহাৰ কৰি বা আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰলৈ ফোন কৰি গণনা কৰা সকলো দেয় পৰিমাণ

পৰিশোধ কৰিব।

XVI. ব্যৱসায়আধাৰিত তাৎক্ষণিক কিস্তি কাৰ্যসূচীৰ বাবে চৰ্তাৱলী

"ইএমআই" বা "সমান মাহিলী কিস্তি"ৰ অৰ্থ হৈছে কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক পৰিশোধ কৰিব লগা পৰিমাণৰ সমান মাহিলী কিস্তি, যদি প্ৰযোজ্য হয়, ইয়াৰ লগত মূল ধনৰাশি, সূত আৰু যিকোনো/ বা অন্যান্য মাচুল অন্তৰ্ভুক্ত থাকে।

"তাৎক্ষণিক ইএমআই" (Instant EMI)-ৰ অৰ্থ হৈছে কাৰ্ড সদস্যৰ অনুৰোধৰ পিছত তেওঁ আইচিআইচিআই বেঙ্ক ইডিচি (ইলেক্ট্ৰনিক ডাটা কেপচাৰ) টাৰ্মিনেলত কাৰ্ড ব্যৱহাৰ কৰি কৰা লেনদেন আৰু/বা এনে অনলাইন লেনদেন, য'ত এনে ৰূপান্তৰৰ বিকল্প উপলব্ধ তাক ইএমআইলৈ ৰূপান্তৰ কৰা। আই.চি.আই.চি.আই. বেঙ্কৰ ইয়াৰ একমাত্ৰ বিবেচনা অনুসৰি কাৰ্ড সদস্যজনৰ

ক্ৰেডিট কাৰ্ডত তাৎক্ষণিক ইএমআই উপলব্ধ কৰোৱাৰ অধিকাৰ থাকিব, এই ক্ষেত্ৰত কাৰ্ড সদস্যজনে কাৰ্ড ব্যৱহাৰৰ পাছত তাৎক্ষণিক ভাৱে মাচুল পৰিশোধ কৰাৰ তেওঁৰ অধিকাৰৰ প্ৰতি কোনো পক্ষপাতিত্ব কৰা নহয় , কাৰ্ড সাদস্য জনে ইচ্ছা কৰিলে তেওঁ কৰা খৰচৰ পৰিশোধ সমান মাহিলী কিস্তিত কৰাৰ বাবে অনুৰোধ কৰিব পাৰে যিটো কাৰ্ড সদস্য জনক আই.চি.আই.চি.আই. বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰৰ দ্বাৰা তথা কাৰ্ড সদস্য জনলৈ প্ৰেৰণ কৰা বিবৃতিত উল্লেখ থকা অনুসৰি জনোৱা হ'ব। এইয়া তলত উল্লেখিত চৰ্তাৱলী সমূহৰ ওপৰত নিৰ্ভৰ কৰিব।

(i) এবাৰ কাৰ্ড সদস্য এজনে তাৎক্ষণিক ইএমআইৰ দ্বাৰা পৰিশোধৰ বাবে বাছনি কৰাৰ পিছত, পৰৱৰ্তী যিকোনো পুনঃ পৰিৱৰ্তনে ক্ৰয়ৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি সময়ে সময়ে আইচিআইচিআই বেঙ্কে নিৰ্ধাৰণ কৰা অনুসৰি প্ৰাক-বন্ধ মাচুল আকৰ্ষণ কৰিব। কাৰ্ড সদস্যই যিকোনো সময়তে আইচিআইচিআই বেঙ্কৰ গ্ৰাহক সেৱাৰ সৈতে যোগাযোগ কৰি ইএমআইৰ ফৰক্লোজাৰ প্ৰাপ্ত কৰি সুবিধাটো (বকেয়া পৰিমাণৰ পূৰ্বপৰিশোধ) বন্ধ কৰিব পাৰে। বকেয়া মূলধনৰ পৰিমাণৰ ওপৰত ৩% ৰ সমান ফৰক্লোজাৰ মাচুল আৰু লগতে পৰৱৰ্তী মাহৰ সূত কাৰ্ড একাউণ্টত আৰোপ কৰা হ'ব। কাৰ্ড সদস্যই সুবিধাটোৰ সম্পূৰ্ণ পূৰ্বপৰিশোধৰ বাবে আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱালৈ ফোন কৰিব লাগিব।;

(ii) যদি বিল কৰা আৰু বকেয়া মাচুলৰ যিকোনো অংশ তাৎক্ষণিক ইএমআইত পৰিশোধ কৰাৰ অনুমতি দিয়া নহয় আৰু এনে অংশ পৰিশোধ দেয় তাৰিখৰ ভিতৰত পৰিশোধ কৰা নহয়, তেনেহ'লে ই দফা ষষ্ঠ (Clause VI)ত উল্লেখ কৰা ধৰণে আৰু হাৰত সূত, সেৱা মাচুল আৰু বিলম্বপৰিশোধ মাচুল বহন কৰিব।

(iii) তাৎক্ষণিক ইএমআই সুবিধা উপলব্ধ হ'ব সেই ক্ৰেডিট কাৰ্ডৰ সন্দৰ্ভত য'ত বৰ্তমান নিম্নলিখিত ক্ৰয়বোৰ অন্তৰ্ভুক্ত থাকে, যেনে (ক) মাৰ্চেণ্ট প্ৰতিষ্ঠানত নতুন ক্ৰয়; (খ) মাৰ্চেণ্ট প্ৰতিষ্ঠানত অতীতৰ ক্ৰয় আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰৰ জৰিয়তে ৰূপান্তৰ।

(iv) আইচিআইচিআই বেঙ্কৰ একমাত্ৰ বিবেচনাত কাৰ্ড সদস্যৰ বাবে তাৎক্ষণিক ইএমআই সুবিধা উপলব্ধ আৰু এনে সুবিধা তলত দিয়া সমূহৰ ক্ষেত্ৰত উপলব্ধ হ'ব:

(ক) এনে সময়ৰ বাবে আৰু আইচিআইচিআই বেঙ্কে চূড়ান্ত কৰাৰ দৰে ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে;

(খ) তাৎক্ষণিক ইএমআইৰ সূতৰ উপাদানটো আইচিআইচিআই বেঙ্কৰ সিদ্ধান্ত অনুসৰি কাৰ্ড সদস্য আৰু ব্যৱসায়ীৰ ওপৰত নিৰ্ভৰ কৰি হব;

(গ) ডাউন পেমেণ্টৰ পৰিমাণ, লেনদেন মাচুলৰ পৰিমাণ, তাৎক্ষণিক ইএমআই পৰিশোধৰ ম্যাদ আৰু অন্যান্য পৰিশোধ বিৱৰণ সমূহ কাৰ্ড সদস্য আৰু মাৰ্চেণ্ট বিশেষে হ'ব যিটো আইচিআইচিআই বেঙ্কে সিদ্ধান্ত ল'ব পাৰে। তাৎক্ষণিক ইএমআইৰ এই সুবিধা ব্যৱসায় কাৰ্ড, কৰ্পোৰেট কাৰ্ড, ইএমআই কাৰ্ড আৰু আমেৰিকান এক্সপ্ৰেছ (American Express) কাৰ্ডত উপলব্ধ নহয়।

XVII. অটো ডেবিট সুবিধা

কাৰ্ডসদস্যই কাৰ্ডৰ দেয় পৰিশোধ কৰাৰ বাবে অটো ডেবিট সুবিধা ল'ব কৰিব পাৰে। অটো ডেবিট সুবিধা প্ৰাপ্ত কৰাৰ পিছত, কাৰ্ড সদস্যলৈ প্ৰেৰণ কৰা বিবৃতিত উল্লেখ কৰা অনুসৰি ওপৰত উল্লেখ কৰা পৰিমাণৰ বাবে কাৰ্ড সদস্যৰ বেঙ্ক একাউণ্ট (যাৰ বিৱৰণ আইচিআইচিআই বেঙ্কক প্ৰদান কৰা হ'ব) ডেবিট কৰা হ'ব। অৱশ্যে, পৰিশোধৰ নিৰ্ধাৰিত তাৰিখ টো এটা ব্যৱসায় দিন হ'ব লাগে, অন্যথা পৰৱৰ্তী ব্যৱসায় দিনত বেঙ্ক একাউণ্ট ডেবিট কৰা হ'ব। উক্ত বেঙ্ক একাউণ্টত পৰিশোধ দেয় তাৰিখত পৰ্যাপ্ত পুঁজি নাথাকিলে, কাৰ্ড সদস্যই কাৰ্ডৰ দেয় পৰিমাণৰ উপৰিও প্ৰযোজ্য সকলো মাচুল পৰিশোধ কৰিবলৈ দায়বদ্ধ হ'ব। কাৰ্ড সদস্যই সন্মত হয় আৰু নিশ্চিত কৰে যে অটো ডেবিট সুবিধা প্ৰাপ্ত কৰাৰ বাবে কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক দাখিল কৰা সকলো বিৱৰণ সঠিক আৰু সম্পূৰ্ণ হ'ব। যদি অসম্পূৰ্ণ বা অশুদ্ধ তথ্যৰ কাৰণে বা যিকোনো কাৰণত অটো ডেবিট লেনদেন বিলম্বিত হয় বা একেবাৰে প্ৰভাৱিত নহয় তেনেহ'লে আইচিআইচিআই বেঙ্ক দায়বদ্ধ নহ'ব। কাৰ্ড সদস্যই আৰু সন্মত হয় যে আইচিআইচিআই বেঙ্কৰ সপক্ষে জাৰী কৰা অটো ডেবিট নিৰ্দেশনাৰ বিষয়ে কাৰ্ড সদস্যৰ বেঙ্কক অৱগত কৰিব আৰু আইচিআইচিআই বেঙ্কৰ আগতীয়া সন্মতি অবিহনে উক্ত বেঙ্ক একাউণ্টটো বন্ধ নকৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে। আইচিআইচিআই বেঙ্কৰ লিখিত সন্মতিৰ অবিহনে এনে নিৰ্দেশনা প্ৰত্যাহাৰ /বাতিল কৰিব নোৱাৰি।

XVIII. ঘূৰাই দিয়া পৰিশোধসমূহ

যদি চেক, বা কাৰ্ড সদস্যই তেওঁৰ কাৰ্ডৰ দেয় পৰিশোধৰ বাবে দিয়া আন কোনো পৰিশোধ সঁজুলি বা নিৰ্দেশনা গ্ৰহণযোগ্য নহয়, বা কাৰ্ড সদস্যক ঘূৰাই দিব লগা হ'য় কিয়নো ইয়াক প্ৰক্ৰিয়াকৰণ কৰিব নোৱাৰি, তেন্তে আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যৰ বিৰুদ্ধে আইনী প্ৰক্ৰিয়া আৰম্ভ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে আৰু ইয়াৰ একমাত্ৰ বিবেচনাত মাচুল আদায় কৰিব আৰু/বা অস্থায়ীভাৱে/স্থায়ীভাৱে কাৰ্ডখন বাতিল কৰিব। কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ দ্বাৰা সিদ্ধান্ত লোৱা অনুসৰি চেক ৰিটাৰ্ণ মাচুল আৰু বিলম্বিত পৰিশোধ মাচুল বা আন যিকোনো মাচুল পৰিশোধ কৰিবলৈও দায়বদ্ধ হ'ব।

XIX. বিবাদ সমূহ

পৰিশোধৰ বাবে আইচিআইচিআই বেঙ্কে প্ৰাপ্ত কৰা যিকোনো চাৰ্জ স্লিপ, বা অন্যান্য পৰিশোধ দাবী

টোকাই চূড়ান্ত প্ৰমাণ হ'ব যে এনে চাৰ্জ স্লিপ বা অন্যান্য দাবীত ৰেকৰ্ড কৰা মাচুল, কাৰ্ড সদস্যই সঠিকভাৱে বহন কৰিছিল, যদিহে ক্ৰেডিট কাৰ্ড হেৰুওৱা, চুৰি বা প্ৰৱঞ্চনাৰে অপব্যৱহাৰ কৰা হয় আৰু ওপৰৰ নৱম দফা (Clause IX) ত দিয়া অনুসৰি ইয়াক জনোৱা নহয় তেন্তে প্ৰমাণৰ বোজা সম্পূৰ্ণৰূপে কাৰ্ড সদস্যৰ ওপৰত থাকিব। এই ধাৰাত উল্লেখ কৰা আন পৰিশোধ দাবীবোৰত কাৰ্ড খন ব্যৱহাৰ কৰি ব্যৱসায়িক প্ৰতিষ্ঠানত কাৰ্ডধাৰকে কৰা অনুমোদিত ব্যয়সম্পৰ্কীয় যিকোনো আৰু সকলো পৰিশোধ অন্তৰ্ভুক্ত থাকিব যিটো মাচুল হিচাপে নথিভুক্ত কৰা নহয়। সেই চাৰ্জ স্লিপবোৰ য'ত কাৰ্ড সদস্যৰ স্বাক্ষৰৰ সৈতে কাৰ্ড নম্বৰ উল্লেখ কৰা থাকিব সেই সমূহ কাৰ্ড সদস্যই বহন কৰা পৰিশোধৰ নিৰ্ণায়ক প্ৰমাণ হ'ব। আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰৰ জৰিয়তে প্ৰাপ্ত কৰাৰ সুবিধাৰ ক্ষেত্ৰত/ইণফিণিটিৰ দ্বাৰা আইচিআইচিআই বেঙ্ক গ্ৰাহক সেৱা কেন্দ্ৰলৈ প্ৰৱেশাধিকাৰৰ ক্ষেত্ৰত/এপিআইএন (APIN)/পাছৱৰ্ড/ইউজাৰ-আইডি ব্যৱহাৰ কৰি ইণফিণিটি ব্যৱহাৰ কৰাটিৱেই হ'ব কাৰ্ড সদস্যজনে কৰা লেনদেনৰ চূড়ান্ত প্ৰমাণ। আই.চি.আই.চি.আই. বেঙ্কে নিশ্চিত কৰিব নালাগিব যে কাৰ্ড সদস্যই ক্ৰয় কৰা সামগ্ৰী বা সেৱাবোৰ যথাযথভাৱে প্ৰাপ্ত কৰিছে। যদি কাৰ্ড সদস্যই বিবৃতিত উল্লেখ কৰা মাচুলৰ সৈতে অসন্মত হ'য়, তেন্তে বিবৃতিপ্ৰাপ্ত হোৱাৰ ৬০ (ষাঠি) দিনৰ ভিতৰত আইচিআইচিআই বেঙ্কক সেইবিষয়ে অৱগত কৰিব লাগে,যদিহে এনে কৰাত তেওঁ বিফল হ'য় তেন্তে বিবৃতিত উল্লেখ কৰা সকলো মাচুল ক্ৰমত আছে বুলি গণ্য কৰা হয়।

XX. সুৰক্ষা

সুৰক্ষিত ক্ৰেডিট কাৰ্ডৰ ক্ষেত্ৰত কাৰ্ড একাউণ্টত বকেয়া বেলেন্সৰ সমগ্ৰ পৰিমাণ, লগতে কাৰ্ড লেনদেনৰ যিকোনো বকেয়া পৰিমাণৰ সৈতে, সূত আৰু আন সকলো ব্যয় যি সমূহ ইয়াৰ অধীনত উল্লেখ কৰা অনুসৰি প্ৰস্তাৱ কৰা হৈছে কিন্তু কাৰ্ড সদস্যই কাৰ্ড খন ব্যৱহাৰ কৰি থকা সময়ত কৰ্তন কৰা হোৱা নাই সেই ব্যয়, প্লিডজ/ তেনে চিকিউৰিটিৰ হাইপ'থিকেচন/ ফিক্সড ডিপজিট / এনে অন্যান্য সম্পত্তিৰ প্ৰতিশ্ৰুতিৰ দ্বাৰা সুৰক্ষিত কৰা হ'ব যিবোৰ আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যৰ নামত বা যুটীয়াভাৱে আন কোনো ব্যক্তি বা চিকিউৰিটি (যি তৃতীয় পক্ষৰ নামত আছে) ৰ সৈতে আইচিআইচিৰ দ্বাৰা নিৰ্ধাৰিত ৰূপত তথা প্ৰকাৰত অনুমোদিত, সেই অনুসৰি সুৰক্ষিত হৈ থাকিব। কাৰ্ড সদস্যই ছিকিউৰিটি সৃষ্টিৰ বাবে জৰুৰী সকলো দস্তাবেজ এনে ৰূপ আৰু প্ৰকাৰত দাখিল কৰিব লাগিব যি আইচিআইচিআই বেঙ্কৰ বাবে সন্তোষজনক হ'য়। ছিকিউৰিটি সৃষ্টি আৰু আন সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ সৈতে জড়িত ব্যয়, যাৰ ভিতৰত অন্তৰ্ভূক্ত থাকিব (যদিও সীমাবদ্ধ নহয়) ষ্টাম্প শুল্ক ইত্যাদি কাৰ্ড সদস্যই বহন কৰিব।

XXI. সংগ্ৰহসমূহ

কাৰ্ড সদস্য জনৰ সম্পূৰ্ণ নিজা খৰচত তথা দ্বায়বদ্ধতাত আই.চি.আই.চি.আই. বেঙ্কে কাৰ্ড সদস্যৰ দেয় পৰিমাণ সংগ্ৰহ কৰিবলৈ আৰু/বা কাৰ্ড সদস্যৰ দ্বাৰা প্ৰদান কৰা যিকোনো ছিকিউৰিটি প্ৰয়োগ কৰিবলৈ এজন বা অধিক ব্যক্তিক নিযুক্ত কৰাৰ অধিকাৰ প্ৰাপ্ত কৰিব, আৰু আই.চি.আই.চি.আই. বেঙ্কে (এনে উদ্দেশ্যৰ বাবে) এনে ব্যক্তিসকলক কাৰ্ড সদস্যজনৰ তথা ছিকিউৰিটিৰ সন্দৰ্ভত এনে তথ্য, বিৱৰণ আৰু সাংখ্যাি‌ক তথ্য যোগান ধৰিব যি আই.চি.আই.চি.আই. বেঙ্কে উপযুক্ত বুলি ভাৱে। আই.চি.আই.চি.আই.

বেঙ্কে এনে ব্যক্তিসকলক সকলো কাম, চুক্তি, বিষয় আৰু ইয়াৰ সৈতে সম্পৰ্কিত বা আনুষঙ্গিক ভাৱে জড়িত কাৰ্য্য সম্পাদন আৰু কাৰ্যকৰী কৰাৰ অধিকাৰ আৰু কৰ্তৃত্ব প্ৰদান কৰিব পাৰে, যিটো আই.চি.আই.চি.আই. বেঙ্কে উপযুক্ত বুলি ভাবে।

XXII. সামগ্ৰী আৰু সেৱাসমূহৰ মানদণ্ড

ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা কাৰ্ড সদস্যৰ দ্বাৰা ক্ৰয় কৰা বা প্ৰাপ্ত কৰা সামগ্ৰী, সামগ্ৰী ৱাৰেণ্টি বা সেৱাৰ বাবে আই.চি.আই.চি.আই. বেঙ্কে কোনো প্ৰকাৰে দায়বদ্ধ নহ'ব, যাৰ ভিতৰত আছে বিতৰণত পলম হোৱা, বিতৰণ নকৰা, সামগ্ৰী প্ৰাপ্ত নকৰা বা কাৰ্ড সদস্যৰ দ্বাৰা ত্ৰুটিপূৰ্ণ সামগ্ৰী প্ৰাপ্ত কৰা। এইটো স্পষ্টভাৱে বুজিব লাগিব যে ক্ৰেডিট কাৰ্ড খন কাৰ্ড সদস্যৰ বাবে সামগ্ৰী ক্ৰয় কৰা আৰু/বা সেৱা প্ৰাপ্ত কৰাৰ এক সুবিধা, আইচিআইচিআই বেঙ্কে ক্ৰয় কৰা সামগ্ৰীৰ কোনো ৱাৰেণ্টি নিদিয়ে বা বিতৰণ নকৰে বা ইয়াক অন্য কোনো প্ৰকাৰে প্ৰতিনিধিত্ব নকৰে। সামগ্ৰী সম্পৰ্কে যিকোনো বিবাদ বা দাবী কাৰ্ড সদস্যই ব্যৱসায়িক প্ৰতিষ্ঠানৰ সৈতে সমাধান কৰিব লাগিব। দাবী বা বিবাদৰ অস্তিত্বই কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক দিব লগা সকলো মাচুল পৰিশোধ কৰাৰ বাধ্যবাধকতাৰ পৰা সকাহ নিদিব আৰু কাৰ্ড সদস্যই এনে মাচুল তৎক্ষণাৎ পৰিশোধ কৰিবলৈ সন্মত হয়।

XXIII. ক্ৰেডিট লেনদেন

ক্ৰয়ৰ বাবে ডেবিট আৰু তাৰপাছত সামগ্ৰী / সেৱা বাতিল কৰাৰ বাবে পৰৱৰ্তী ক্ৰেডিট হৈছে দুটা পৃথক লেনদেন। কাৰ্ড সদস্যই ক্ৰয় লেনদেনৰ বাবে বিবৃতিত উল্লেখিত অনুসৰি পৰিশোধ কৰিব লাগিব যাতে তেওঁ অতিৰিক্ত দিয়াৰ পৰা বিৰত থাকিব পাৰে। বাতিল কৰাৰ পিছত সেই পুঁজি কেৱল আইচিআইচিআই বেঙ্কে প্ৰাপ্ত কৰাৰ পাছতহে কাৰ্ড একাউণ্টত (কম বাতিলকৰণ মাচুল) জমা কৰা হ'ব। অৱশ্যে, কাৰ্ড সদস্যৰ দ্বাৰা ক্ৰেডিট চাৰ্জ স্লিপ সফলতাৰে দাখিল কৰিলে, ক্ৰেডিটৰ পৰিমাণ কাৰ্ড একাউণ্টত পোষ্ট কৰা হ'ব। যদি ক্ৰেডিটটো যুক্তিসঙ্গত সময়ৰ ভিতৰত কাৰ্ড একাউণ্টত পোষ্ট কৰা নহয়, কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক অৱগত কৰিব লাগিব।

XXIV. বিদেশত কৰা মাচুল

কাৰ্ড সদস্যই ঘোষণা কৰে যে তেওঁক জাৰী কৰা ক্ৰেডিট কাৰ্ড, যদি বিদেশত ব্যৱহাৰ কৰা হয়, তেন্তে ইয়াক আৰ.বি.আই.-য়ে জাৰী কৰা তথা সময়ে সময়ে সংশোধন কৰা প্ৰাসঙ্গিক কঠোৰ বিনিময় নিয়ন্ত্ৰণ নিয়মাৱলী অনুসৰিহে ব্যৱহাৰ কৰিব পাৰিব। যদি কাৰ্ড সদস্যই আৰ.বি.আই.-ৰ বিনিময় নিয়ন্ত্ৰণ নিৰ্দেশনা অনুসৰি তেওঁৰ অধিকাৰ অতিক্ৰম কৰে, তেন্তে কাৰ্ড সদস্যই সেইটো তৎক্ষণাৎ আই.চি.আই.চি.আই. বেঙ্কক লিখিতভাৱে অৱগত কৰিব। যদি আৰ.বি.আই.-ৰ দ্বাৰা নিৰ্ধাৰিত এনে যিকোনো মাচুলৰ বাবে পাছপোৰ্টটো এণ্ডৰ্চ কৰাৰ প্ৰয়োজন হয়, তেন্তে পাছপোৰ্টটো এণ্ডৰ্চ কৰাৰ দায়িত্ব সম্পূৰ্ণৰূপে কাৰ্ড সদস্যৰ ওপৰত থাকিব। কাৰ্ড সদস্যই আৰ.বি.আই.-ৰ দ্বাৰা জাৰী কৰা প্ৰচলিত বিনিময় নিয়ন্ত্ৰণ নিৰ্দেশনা পালন কৰাত বিফল হোৱাৰ ক্ষেত্ৰত, সময়ে সময়ে সংশোধন কৰা বৈদেশিক মুদ্ৰা ব্যৱস্থাপনা আইন, ১৯৯৯-ৰ অধীনত যিকোনো পদক্ষেপৰ বাবে তেওঁ দায়বদ্ধ হ'ব, আৰু আই.চি.আই.চি.আই. বেঙ্কৰ দ্বাৰা বা আৰ.বি.আই.-ৰ দ্বাৰা কাৰ্ড সুবিধাৰ পৰাও তেওঁক বঞ্চিত কৰা হ'ব। আৰ.বি.আই.ৰ দ্বাৰা সময়ে সময়ে জাৰী

কৰা বৈদেশিক মুদ্ৰাৰ অধিকাৰ নিৰ্দেশনা অধিনত সদস্যই তেওঁৰ অনুমোদিত অধিকাৰ অতিক্ৰম কৰাৰ ফলত প্ৰদান কৰিব লগীয়া মাচুল পৰিশোধত ব্যৰ্থ হোৱাৰ বাবে কাৰ্ড সদস্য জনৰ প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে হ'ব পৰা যিকোনো ক্ষয়-ক্ষতিৰ বাবে, আই.চি.আই.চি.আই. বেঙ্ক (ইয়াৰ বিষয়ে জ্ঞাত হোৱাৰ পাছত) কোনো প্ৰকাৰে দ্বায়বদ্ধ নহয়। যদি ভাৰতীয় টকাৰ বাহিৰে আন মুদ্ৰাত লেনদেন কৰা হয়, তেন্তে সেই লেনদেন ভাৰতীয় টকালৈ ৰূপান্তৰিত কৰা হ'ব। লেনদেনটো আইচিআইচিআই বেঙ্কৰ সৈতে নিষ্পত্তি হোৱা তাৰিখত ৰূপান্তৰ কৰা হ'ব, যিটো লেনদেন কৰা একে তাৰিখ নহ'বও পাৰে। যদি লেনদেনটো আমেৰিকান ডলাৰত নহয়, আমেৰিকান ডলাৰৰ জৰিয়তে, চাৰ্জ কৰা পৰিমাণটো আমেৰিকান ডলাৰলৈ ৰূপান্তৰ কৰি আৰু তাৰ পিছত আমেৰিকান ডলাৰৰ পৰিমাণটো ভাৰতীয় টকালৈ ৰূপান্তৰ কৰা হ'ব।

প্ৰযোজ্য আইনৰ দ্বাৰা এক নিৰ্দিষ্ট মূল্যৰ প্ৰয়োজন নহ'লে, আমেৰিকান ডলাৰৰ পৰা ভাৰতীয় টকালৈ ৰূপান্তৰৰ মূল্য নিষ্পত্তিৰ তাৰিখত ভিছা(VISA), মাষ্টাৰকাৰ্ড(MasterCard) আৰু এএমইএক্স(AMEX)-ৰ দ্বাৰা প্ৰদান কৰা মূল্যত হ'ব, এনে লেনদেনৰ ওপৰত মুদ্ৰা ৰূপান্তৰ কাৰক মূল্যায়নৰ দ্বাৰা বৃদ্ধি কৰা হ'ব।

XXV. আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ড পুৰস্কাৰ

আই.চি.আই.চি.আই. বেঙ্কে কাৰ্ড সদস্য/সকলক নিম্নলিখিত ক্ৰেডিট কাৰ্ড পুৰস্কাৰ পইণ্ট আঁচনিবোৰ আগবঢ়াব:

১. "আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনি"ৰ অৰ্থ হ'ব আইচিআইচিআই বেঙ্কৰ পুৰস্কাৰ আঁচনি। "আইচিআইচিআই বেঙ্ক ৰিৱাৰ্ড পইণ্ট" হ'ব আইচিআইচিআই বেঙ্কৰ অধীনত প্ৰদান কৰা পুৰস্কাৰ পইণ্ট পুৰস্কাৰ আঁচনি।

2. "হেণ্ড-পিকড ৰিৱাৰ্ড স্কিম"ৰ অৰ্থ হ'ব আইচিআইচিআই বেঙ্কৰ প্ৰিমিয়াম পুৰস্কাৰ আঁচনি। "হেণ্ড-পিকড ৰিৱাৰ্ড পইণ্ট" হ'ব হেণ্ড-পিকড ৰিৱাৰ্ড আঁচনিৰ অধীনত প্ৰদান কৰা পুৰস্কাৰ পইণ্ট।

3. "পেবেক (PAYBACK)ৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক ৰিৱাৰ্ড"ৰ অৰ্থ হ'ব পেবেকৰ সহযোগত আইচিআইচিআই বেঙ্কৰ পুৰস্কাৰ আঁচনি

   "পেবেক (PAYBACK) পইণ্ট" হ'ব পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰৰ অধীনত প্ৰদান কৰা ৰিৱাৰ্ড পইণ্ট।

   "পেবেক (PAYBACK)" হৈছে এল.এছ্.আৰ.পি.এল. (LSRPL)-ৰ এই ব্ৰেণ্ড নামৰ অধীনত প্ৰদান কৰা পুৰস্কাৰ কাৰ্যসূচী। "এল.এছ্.আৰ.পি.এল. (এল.এছ্.আৰ.পি.এল. (LSRPL)- )"-ৰ অৰ্থ হ'ব লয়েলটি ছলিউচনএণ্ড ৰিচাৰ্চ লিমিটেড, কোম্পানী আইন, ১৯৫৬-ৰ অধীনত অন্তৰ্ভুক্ত কৰা এটি কোম্পানী, যাৰ পঞ্জীভুক্ত কাৰ্যালয় আছে ফ্লৰেন্স, জে.এল. নেহৰু ৰোড, ভাকোলা, চান্টাক্ৰুজ (ই) মুম্বাই ৪০০০৫৫ত (ইয়াৰ পিছত "এলএছআৰপিএল" বুলি কোৱা হব, যি অভিব্যক্তিয়ে, উল্লেখিত বিষয় বা প্ৰসংগৰ বিৰোধিতা নকৰাকৈ ইয়াৰ উত্তৰাধিকাৰী আৰু আৰণ্টন অন্তৰ্ভুক্ত কৰিব); পেবেক (PAYBACK)ৰ ব্ৰেণ্ড নামৰ অধীনত, "পেবেক কাৰ্ড"ৰ অৰ্থ হ'ব তথা ই অন্তৰ্ভূক্ত কৰিব এলএছআৰপিএল-এ নিৰ্ধাৰিত চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি পেবেক পইণ্টবোৰ ৰিডিম কৰাৰ

বাবে এলএছআৰপিএল-এ জাৰী কৰা কাৰ্ডখন।

"পেবেক সদস্য (PAYBACK Member)"ৰ অৰ্থ হৈছে পেবেক কাৰ্ড থকা আৰু পেবেক ৱেবছাইটত নিৰ্ধাৰিত ধৰণে পেবেকৰ সৈতে পঞ্জীয়ন কৰা ব্যক্তি।

"পেবেক সদস্যতা ডাটা"ৰ অৰ্থ হৈছে আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ডৰ সৈতে সম্পৰ্কিত কাৰ্ড সদস্য/সদস্য সকলৰ ডাটা বা তথ্য যেনে (১) নাম (২) ইমেইল ঠিকনা (৩) ম'বাইল নম্বৰ (৪) জন্ম তাৰিখ (৫) ঠিকনা (৬)ক্ৰেডিট কাৰ্ড একাউণ্ট নম্বৰ।

"পেবেক ৱেবছাইট"ৰ অৰ্থ হ'ব ৱেবছাইটোৰ ইউআৰএল: www.payback.in

"অপৰাধী একাউণ্ট (Delinquent Account)"ৰ অৰ্থ হ'ব এক কাৰ্ড একাউণ্ট য'ত এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ অধীনত পৰিশোধ ধাৰাত নিৰ্ধাৰিত অনুসৰি পৰিশোধ কৰা হোৱা নাই।

"কাৰ্যকৰী তাৰিখ"ৰ অৰ্থ হ'ব সেই তাৰিখ য'ৰ পৰা পেবেক আঁচনিৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আৰম্ভ হ'ব,যিটো আইচিআইচিআই বেঙ্কে সময়ে সময়ে কাৰ্ড সদস্য/সকলক জনাব। অৱশ্যে, কাৰ্ড সদস্যই কেৱল পেবেকৰ সৈতে পঞ্জীয়নৰ তাৰিখৰ পৰাহে পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰষ্কাৰৰ অধীনত লাভালাভ প্ৰাপ্ত কৰিব পাৰে।

"আঁচনি সমাপ্তি তাৰিখ"ৰ অৰ্থ হ'ব আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনি(বোৰ) যি তাৰিখত আইচিআইচিআই বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাত বাতিল কৰিছে।

"বৈধ মাচুল"ৰ অৰ্থ হৈছে কাৰ্ডত সামগ্ৰী বা সেৱা ক্ৰয় কৰাৰ বাবে কাৰ্ড সদস্যই বহন কৰা মাচুল আৰু আইচিআইচিআই বেঙ্কে ইয়াৰ আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনিত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে সময়ে সময়ে অন্তৰ্ভুক্ত কৰিব পৰা আন যিকোনো মাচুল।

যদি আইচিআইচিআই বেঙ্কে আগবঢ়োৱা যিকোনো প্ৰচাৰমূলক আঁচনিৰ সময়ছোৱাত বা তাৰ পিছত, কাৰ্ডখনৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰা হয়, বা বাতিল কৰা হয়, বা বাতিল কৰাৰ বাবে দায়বদ্ধ হয়, বা কাৰ্ড একাউণ্টক অপৰাধী একাউণ্ট বুলি কোৱা হয়, তেনেহ'লে প্ৰচাৰৰ সময়ত আগবঢ়োৱা উপহাৰ/ৰেহাই/নগদ কেচ-বেক সহ যিকোনো অফাৰ/লাভালাভ বাস্তৱিকতে থাকিব যদিও সদস্য কাৰ্ডৰ বাবে ইয়াক স্বয়ংক্ৰিয়ভাৱে বাতিল কৰা হ'ব।

"বাৰ্ষিকী বৰ্ষ (Anniversary Year)"ৰ অৰ্থ হৈছে কাৰ্ড এখন জাৰী কৰাৰ তাৰিখৰ পৰা বাৰ মাহ আৰু তাৰ পিছত প্ৰতি বাৰ মাহৰ ম্যাদ।

১. আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনিৰ বাবে প্ৰযোজ্য চৰ্তাৱলী আৰু নিয়মাৱলী:

- আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনি কাৰ্যকৰী তাৰিখৰ পৰা সক্ৰিয় হ'ব আৰু কেৱল কাৰ্যকৰী তাৰিখত আৰু পিছত নিৰ্বাচিত আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ড থকা কাৰ্ড সদস্য/সকলৰ বাবে উপলব্ধ হ'ব।
- আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনিৰ অধীনত, আইচিআইচিআই বেঙ্কে নিৰ্বাচিত আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ডত, কাৰ্ড সদস্যই বহন কৰা বৈধ মাচুলৰ বাবে

আইচিআইচিআই বেঙ্ক পুৰস্কাৰ পইণ্ট প্ৰদান কৰিব।

- আইচিআইচিআই বেংক ৰিৱাৰ্ড পইণ্ট উপাৰ্জন প্ৰণালীয়ে পুৰস্কাৰ উপাৰ্জনৰ বাৰ্ষিকী বৰ্ষ অনুসৰণ কৰিব।
- আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনিৰ অধীনত কাৰ্ড সদস্যই অৰ্জন কৰা আইচিআইচিআই বেঙ্ক পুৰস্কাৰ পইণ্টবোৰ কাৰ্ড সদস্যলৈ প্ৰেৰণ কৰা মাহিলী বিবৃতিত উল্লেখ কৰা হ'ব।
- কাৰ্ড সদস্যই সময়ে সময়ে আইচিআইচিআই বেঙ্কে প্ৰদান কৰা ৰিডেম্পচন অফাৰৰ বিপৰীতে তেওঁৰ জমা হোৱা আইচিআইচিআই বেঙ্ক ৰিৱাৰ্ড পইণ্টবোৰ ৰিডিম (ব্যৱহাৰ) কৰিব পাৰে।
- আই.চি.আই.চি.আই. বেঙ্ক ৰিৱাৰ্ড পইণ্টবোৰ ৰিডিম কৰাৰ পিছত, এনেদৰে ৰিডিম কৰা আই.চি.আই.চি.আই. বেঙ্ক ৰিৱাৰ্ড পইণ্টবোৰ কাৰ্ড একাউণ্টত পূৰ্বৰে পৰা জমা হোৱা আই.চি.আই.চি.আই. বেঙ্ক ৰিৱাৰ্ড পইণ্টৰ পৰা স্বয়ংক্ৰিয়ভাৱে হ্ৰাস বা ডেবিট হৈ থাকিব।
- যদি আঁচনি সমাপ্তি তাৰিখৰ আগতে যিকোনো সময়ত নিৰ্বাচিত ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰা হয়, বা বাতিল কৰা হয়, বা বাতিল কৰাৰ বাবে দায়বদ্ধ হয়, বা কাৰ্ড একাউণ্টক অপৰাধী একাউণ্ট বুলি কোৱা হয়, তেনেহ'লে কাৰ্ড সদস্যৰ ক্ৰেডিটত উপলব্ধ হৈ থকা সকলো আইচিআইচিআই বেঙ্ক পুৰস্কাৰ পইণ্ট তৎক্ষণাৎ কাৰ্য্যকৰী হোৱাকৈ স্বয়ংক্ৰিয়ভাৱে বাতিল কৰা হ'ব।
- এনে বাতিল কৰা আইচিআইচিআই বেঙ্ক ৰিৱাৰ্ড পইণ্টবোৰ কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ সৈতে তেওঁৰ সদস্যপদ পুনৰ স্থাপন কৰিলেও কাৰ্ড একাউণ্টত পুনৰ জমা কৰা নহ'ব ।
- আঁচনি সমাপ্তি তাৰিখৰ শেষত, আইচিআইচিআই বেঙ্ক ৰিৱাৰ্ড পইণ্টবোৰ যি কাৰ্ড সদস্যৰ ক্ৰেডিটত উপলব্ধ আছে আৰু সেইবোৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰিডিম নকৰিলে কাৰ্ড সদস্যৰ ক্ৰেডিট স্বয়ংক্ৰিয়ভাৱে বিলুপ্ত হ'ব।

2. হেণ্ড পিকড পুৰস্কাৰ আঁচনিৰ বাবে প্ৰযোজ্য চৰ্তাৱলী আৰু নিয়মাৱলী:

- হেণ্ড পিকড পুৰস্কাৰ আঁচনি কাৰ্যকৰী তাৰিখৰ পৰা সক্ৰিয় হ'ব আৰু কেৱল নিৰ্বাচিত আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ড থকা কাৰ্ড সদস্যসকলৰ বাবে উপলব্ধ হ'ব।
- হেণ্ড পিকড পুৰস্কাৰ আঁচনিৰ অধীনত, আইচিআইচিআই বেঙ্কে নিৰ্বাচিত আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ডত কাৰ্ড সদস্যই বহন কৰা বৈধ মাচুলৰ বাবে হেণ্ড পিকড পুৰস্কাৰ পইণ্ট প্ৰদান কৰিব।
- হেণ্ড পিকড ৰিৱাৰ্ড পইণ্ট উপাৰ্জন প্ৰণালীয়ে পুৰস্কাৰ উপাৰ্জনৰ এক বাৰ্ষিকী বৰ্ষ অনুসৰণ কৰিব।
- কাৰ্ড সদস্যই হেণ্ড পিকড পুৰস্কাৰ আঁচনিৰ অধীনত অৰ্জন কৰা অনুসৰি হেণ্ড পিকড

পুৰস্কাৰ পইণ্টবোৰ কাৰ্ড সদস্যলৈ প্ৰেৰণ কৰা মাহিলী বিবৃতিত উল্লেখ কৰা হ'ব।

- কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ ৱেবছাইট www.icicibank.com ত উপলব্ধ হেণ্ড পিকড পুৰস্কাৰ তালিকাত সময়ে সময়ে আইচিআইচিআই বেঙ্কে আগবঢ়োৱা ৰিডেম্পচন অফাৰৰ বিপৰীতে তেওঁৰ জমা হোৱা হেণ্ড পিকড পুৰস্কাৰ পইণ্টবোৰ ৰিডিম কৰিব পাৰে।
- হেণ্ড পিকড ৰিৱাৰ্ড পইণ্টবোৰ ৰিডিম কৰা পিছত, এনেদৰে ৰিডিম কৰা হেণ্ড পিকড ৰিৱাৰ্ড পইণ্টবোৰ কাৰ্ড একাউণ্টত জমা হোৱা হেণ্ড পিকড ৰিৱাৰ্ড পইণ্টৰ পৰা স্বয়ংক্ৰিয়ভাৱে হ্ৰাস বা ডেবিট হৈ থাকিব।
- যদি আঁচনি সমাপ্তি তাৰিখৰ আগতে যিকোনো সময়ত নিৰ্বাচিত ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰা হয়, বা বাতিল কৰা হয়, বা বাতিল কৰাৰ বাবে দায়বদ্ধ হয়, বা কাৰ্ড একাউণ্টক অপৰাধী একাউণ্ট বুলি কোৱা হয়, তেনেহ'লে কাৰ্ড সদস্যৰ ক্ৰেডিটত উপলব্ধ হৈ থকা সকলো বোৰ ৰিৱাৰ্ড পইণ্ট তৎক্ষণাৎ কাৰ্য্যকৰী হোৱাকৈ স্বয়ংক্ৰিয়ভাৱে বাতিল কৰা হ'ব।
- কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ সৈতে তেওঁৰ সদস্যপদ পুনৰ স্থাপন কৰিলেও এনেদৰে বাতিল কৰা হেণ্ড পিকড পুৰস্কাৰ পইণ্টবোৰ কাৰ্ড একাউণ্টত পুনৰ জমা কৰা নহ'ব।

আঁচনি সমাপ্তি তাৰিখৰ শেষত, নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰিডিম নকৰা কাৰ্ড সদস্যৰ ক্ৰেডিটত উপলব্ধ হৈ থকা হেণ্ড পিকড পুৰস্কাৰ পইণ্টবোৰ স্বয়ংক্ৰিয়ভাৱে শেষ হ'ব।

১. পেবেক (PAYBACK)ৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰৰ বাবে প্ৰযোজ্য চৰ্তাৱলী আৰু নিয়মাৱলী:

পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰবোৰ কাৰ্যকৰী তাৰিখৰ পৰা সক্ৰিয় হ'ব আৰু কেৱল কাৰ্যকৰী তাৰিখত আৰু তাৰ পিছত নিৰ্বাচিত আইচিআইচিআই বেঙ্কৰ ক্ৰেডিট কাৰ্ড থকা কাৰ্ড সদস্য/সদস্য সকলৰ বাবে উপলব্ধ হ'ব।

পেবেক একাউণ্টত আপডেট কৰাৰ বাবে এলএছআৰপিএল (LSRPL) আৰু ইয়াৰ সহযোগী সকলৰ সৈতে পেবেক সদস্যতা ডাটা ভাগ-বতৰা কৰা হ'ব আৰু পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰষ্কাৰৰ সন্দৰ্ভত কাৰ্ড সদস্যসকলক সেৱা আৰু লাভালাভ প্ৰদান কৰা হ'ব।

- পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰষ্কাৰৰ অধীনত, আইচিআইচিআই বেঙ্কে নিৰ্বাচিত আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ডত কাৰ্ড সদস্যই বহন কৰা বৈধ মাচুলৰ বাবে পেবেক পইণ্ট প্ৰদান কৰিব।
- পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰষ্কাৰৰ অধীনত কাৰ্ড সদস্যই অৰ্জন কৰা পেবেক পইণ্টবোৰ কাৰ্ড সদস্যলৈ প্ৰেৰণ কৰা মাহিলী বিবৃতিত উল্লেখ কৰা হ'ব। প্ৰতিটো বিলিং চক্ৰৰ শেষত, এনে পূৰ্বৱৰ্তী বিলিং চক্ৰৰ বাবে বৈধ লেনদেনৰ ওপৰত কাৰ্ড সদস্যসকলে অৰ্জন কৰা পেবেক পইণ্টবোৰ আইচিআইচিআই বেঙ্কে কাৰ্ড একাউণ্টৰ পৰা কাৰ্ড সদস্যৰ পেবেক একাউণ্টলৈ স্থানান্তৰ কৰিব।

- কাৰ্ড সদস্যসকলে কেৱল পেবেক সদস্য হোৱাৰ পিছত আৰু পেবেক পুৰস্কাৰ তালিকাত উপলব্ধ আইটেমৰ বিপৰীতে পেবেক কাৰ্ড ব্যৱহাৰ কৰিহে তেওঁলোকৰ পেবেক পইণ্টবোৰ ৰিডিম কৰিবলৈ সক্ষম হ'ব। ইয়াৰ বিৱৰণ এল.এছ্.আৰ.পি.এল.-ৰ দ্বাৰা পেবেক সদস্যসকলক জনোৱা হ'ব পাৰে বা ইয়াৰ অধিক বিৱৰণৰ বাবে আৰু পেবেক সদস্য হ'বলৈ, কাৰ্ড সদস্যসকলে, পেবেক ৱেবছাইট দৰ্শন কৰিব পাৰে। পেবেক পইণ্টবোৰ ৰিডিম কৰাৰ পিছত, এনেদৰে ৰিডিম কৰা পেবেক পইণ্টবোৰ স্বয়ংক্ৰিয়ভাৱে পেবেক একাউণ্টত জমা হোৱা পেবেক পইণ্টবোৰৰ পৰা হ্ৰাস বা ডেবিট হৈ থাকিব।
- যদি আঁচনি সমাপ্তি তাৰিখৰ আগতে যিকোনো সময়ত নিৰ্বাচিত ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰা হয়, বা বাতিল কৰা হয়, বা বাতিল কৰাৰ বাবে দায়বদ্ধ হয়, বা কাৰ্ড একাউণ্টক অপৰাধী একাউণ্ট বুলি গণ্য কৰা হয়, তেনেহ'লে কাৰ্ড সদস্যৰ ক্ৰেডিটত জমা হৈ থকা সকলো পেবেক পইণ্ট তৎক্ষণাৎ কাৰ্য্যকৰী হোৱাকৈ স্বয়ংক্ৰিয়ভাৱে বাতিল হ'ব।.
- কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ সৈতে তেওঁৰ সদস্যপদ পুনঃস্থাপন কৰিলেও এনেদৰে বাতিল কৰা পেবেক পইণ্টবোৰ কাৰ্ড একাউণ্টলৈ জমা কৰা নহ'ব।
- আঁচনি সমাপ্তি তাৰিখৰ শেষত, নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰিডিম নকৰা কাৰ্ড সদস্যৰ ক্ৰেডিটত জমা হৈ থকা পেবেক পইণ্টবোৰ স্বয়ংক্ৰিয়ভাৱে শেষ হ'ব। ইয়াৰ উপৰিও, পেবেক পইণ্টবোৰ সময়ে সময়ে পেবেক ৱেবছাইটত প্ৰদান কৰা চৰ্তাৱলী আৰু নিয়মাৱলীত পেবেকৰ দ্বাৰা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ৰিডিম নকৰিলে ব্যৱহাৰৰ বাবে উপলব্ধ নহ'ব পাৰে।
- আঁচনি সমাপ্তি তাৰিখৰ শেষত বা আঁচনি সমাপ্তি তাৰিখৰ আগৰ যিকোনো সময়ত, যদি নিৰ্বাচিত ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰা হয়, বা বাতিল কৰা হয়, বা বাতিল কৰাৰ বাবে দায়বদ্ধ হয়, বা কাৰ্ড একাউণ্টক অপৰাধী একাউণ্ট বুলি গণ্য কৰা হয়, তেন্তে কাৰ্ড সদস্যজন পেবেক সদস্য হৈ থাকিব আৰু পেবেক সদস্যতাৰ ডাটা পেবেক একাউণ্টৰ পৰা বিলোপ কৰা নহ'ব।
- পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰৰ অধীনত, চৰ্তাৱলী আৰু নিয়মাৱলীৰ উপৰিও, ইয়াত উল্লেখ কৰা অনুসৰি, কাৰ্ড সদস্যক পেবেক পইণ্ট ৰিডেম্পচনৰ বাবে এলএছআৰপিএলৰ চৰ্তাৱলীৰ দ্বাৰাও নিয়ন্ত্ৰিত কৰা হ'ব। অধিক বিৱৰণৰ বাবে অনুগ্ৰহ কৰি www.payback.in দৰ্শন কৰক। ইয়াত নিৰ্ধাৰিত চৰ্তাৱলী আৰু পেবেক ৱেবছাইটত উপলব্ধ চৰ্তাৱলীৰ মাজত যিকোনো বিৰোধ থাকিলে, পেবেক ৱেবছাইটত উপলব্ধ চৰ্তাৱলী প্ৰাধান্য পাব। পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰ সম্পৰ্কীয় বিবাদবোৰ, যিকোনো প্ৰকাৰে আইচিআইচিআই বেঙ্কৰ কোনো প্ৰসংগ বা আশ্ৰয় নোলোৱাকৈ এলএছআৰপিএল থকা কাৰ্ড সদস্যই পোনপটীয়াকৈ সমাধান কৰিব, আৰু আইচিআইচিআই বেঙ্ক, পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰৰ অধীনত কাৰ্ড সদস্য আৰু

এলএছআৰপিএলৰ মাজত উদ্ভৱ হ'ব পৰা এনে কোনো বিবাদৰ বাবে দায়বদ্ধ নহ'ব।

- নিম্নলিখিত চৰ্তাৱলী আৰু নিয়মাৱলী আইচিআইচিআই বেঙ্ক পুৰস্কাৰ আঁচনি, হেণ্ড পিকড পুৰস্কাৰ আঁচনিৰ লগতে পেবেকৰ দ্বাৰা চালিত আইচিআইচিআই বেঙ্ক পুৰস্কাৰ (ইয়াৰ পিছত সামূহিকভাৱে "আঁচনি" আৰু ব্যক্তিগতভাৱে "সংশ্লিষ্ট আঁচনি" বুলি কোৱা হয়) সমূহ প্ৰযোজ্য হ'ব : আঁচনিবোৰ সেই কাৰ্ড সদস্যসকলৰ বাবে প্ৰযোজ্য নহ'ব যাৰ একাউণ্ট সেই আঁচনিৰ কাৰ্য্যকৰী হোৱা তাৰিখত বা পৰৱৰ্তী সময়ত অপৰাধী একাউণ্ট হিচাপে চিহ্নিত হৈছে।

  আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাত কাৰ্ড সদস্যসকলক অতিৰিক্ত পুৰস্কাৰ পইণ্ট প্ৰদান কৰিব পাৰে। আঁচনিবোৰৰ অধীনত আইচিআইচিআই বেঙ্কে কৰিব পৰা পুৰস্কাৰ পইণ্টৰ গণনা কাৰ্ড সদস্যৰ বাবে চূড়ান্ত, নিৰ্ণায়ক আৰু বাধ্যতামূলক হ'ব আৰু কোনো বিবাদৰ বাবে দায়বদ্ধ নহ'ব। আইনৰ দ্বাৰা স্থাপিত চৰকাৰ বা আন যিকোনো কৰ্তৃপক্ষ বা সংস্থাক পৰিশোধ কৰিবলগা যিকোনো কৰ বা অন্যান্য দায়বদ্ধতা বা মাচুল (কেন্দ্ৰীয়, ৰাজ্য বা স্থানীয়), যিবোৰ কাৰ্ড সদস্যক সংশ্লিষ্ট আঁচনিৰ অধীনত পুৰস্কাৰ পইণ্টবোৰ পৰিশোধ কৰাৰ বাবে উদ্ভৱ হ'ব পাৰে বা প্ৰাপ্ত হ'ব পাৰে তাৰ বাবে একমাত্ৰ কাৰ্ড সদস্যৰ একাউণ্ট দ্বায়বদ্ধ হ'ব। সামগ্ৰী/সেৱাৰ আৰ্থিক মূল্যৰ ওপৰত যদি কোনো বাধ্যতামূলক উৎসত কৰ্তন কৰা কৰ থাকে, সেইয়া কাৰ্ড সদস্যই পৰিশোধ কৰিব লাগিব।

- আঁচনি সমাপ্তি তাৰিখৰ পিছত আঁচনিবোৰ অব্যাহত ৰাখিবলৈ বা আঁচনিবোৰএকে বা নতুন আঁচনিৰ দ্বাৰা সলনি কৰাৰ বাবে ইয়াত সন্নিবিষ্ট কোনো বিষয়েৰেই আইচিআইচিআই বেঙ্ক বা পেবেকৰ ওপৰত এক বাধ্যবাধকতা হিচাপে গণ্য কৰা নহ'ব।
- পুৰস্কাৰ পইণ্টবোৰ ৰিডিম কৰাটো স্বেচ্ছামূলক আৰু ক্ৰেডিট কাৰ্ড ব্যৱহাৰৰ স্বাভাৱিক সময়ত কাৰ্ড সদস্য এজনে স্বেচ্ছাই ইয়াৰ সৈতে জড়িত সকলো সম্পৰ্কিত মাচুল বহন কৰা বুলি গণ্য কৰা হ'ব।
- কাৰ্ড সদস্যই ক্ৰেডিট কাৰ্ড ব্যৱহাৰৰ স্বাভাৱিক সময়ত তেওঁ কৰা যিকোনো কাম, দাবী, দায়বদ্ধতা, লোকচান, ক্ষতি, ব্যয়, মাচুল বা আন যিকোনো ব্যয়ৰ বাবে আইচিআইচিআই বেঙ্কক দায়বদ্ধ নকৰিব।
- আইচিআইচিআই বেঙ্কে কাৰ্ড একাউণ্ট বন্ধ কৰিবলৈ বা কাৰ্ডখন সমাপ্ত / বাতিল কৰা বা সংশ্লিষ্ট আঁচনিৰ সমাপ্তি/বাতিলকৰণৰ ক্ষেত্ৰত সংশ্লিষ্ট আঁচনিৰ অধীনত কাৰ্ড সদস্যই অৰ্জন কৰা পুৰস্কাৰ পইণ্টবোৰ বাতিল কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে।
- যিকোনো সময়তে আৰু কাৰ্ড সদস্যক আগতীয়া জাননী অবিহনে, সকলো বোৰ বা আংশিকভাৱে যোগ দিয়া, পৰিৱৰ্তন বা সালসলনি কৰা, বা আই.চি.আই.চি.আই. বেঙ্কে সময়ে সময়ে প্ৰৱৰ্তন কৰিব পৰা আঁচনি বা আন যিকোনো পুৰস্কাৰ পইণ্ট আঁচনি সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাৰ বাবে আই.চি.আই.চি.আই. বেঙ্কে স্পষ্টভাৱে অধিকাৰ সংৰক্ষণ কৰে। কাৰ্ড

সদস্যসকলে মন কৰিব  যে বিভিন্ন প্ৰকাৰৰ আইচিআইচিআই বেঙ্ক ক্ৰেডিট কাৰ্ডত পুৰস্কাৰ পইণ্টৰ জমা পৃথক হ'ব আৰু ই সংশ্লিষ্ট ক্ৰেডিট কাৰ্ড যোগাযোগত উল্লেখ কৰা অনুসৰি হ'ব, যদিহে এই সম্পৰ্কত আইচিআইচিআই বেঙ্কে কোনো জাননী নিদিয়ে।

- পুৰস্কাৰ পইণ্ট ৰিডেম্পচনৰ বাবে অনুৰোধ, ইয়াত থকা চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি, কেৱল প্ৰাথমিক কাৰ্ড সদস্যৰ পৰাহে গ্ৰহণ কৰা হ'ব। কাৰ্ড সদস্যসকলে খুচুৰা লেনদেনৰ বাবে ৰিৱাৰ্ড পইণ্ট উপাৰ্জন কৰিব। কাৰ্ড সদস্যসকলে অৱশ্যে পৰৱৰ্তী সময়ত বাতিল হোৱা খুচুৰা লেনদেনৰ ওপৰত পুৰস্কাৰ পইণ্ট অৰ্জন কৰাৰ অধিকাৰী নহ'ব।
- আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাঅনুসৰি, এক নিৰ্দিষ্ট ম্যাদ বা প্ৰচাৰমূলক আঁচনি বা নিৰ্দিষ্ট প্ৰমো/আঁচনিৰ বাবে ইয়াৰ একমাত্ৰ বিবেচনাত আন যিকোনো খুচুৰা লেনদেনৰ বাবে বোনাচ পুৰস্কাৰ পইণ্ট প্ৰদান কৰিব পাৰে।
- যোগ্য প্ৰাথমিক, পৰিপূৰক বা একাধিক কাৰ্ডৰ ক্ষেত্ৰত ব্যক্তিগত কাৰ্ড একাউণ্টত পুৰস্কাৰ পইণ্ট প্ৰাপ্ত হ'ব। খুচুৰা লেনদেন যদি থাকে, পৰিপূৰক কাৰ্ড আৰু/বা যিকোনো একাধিক কাৰ্ডত এনে লেনদেন  কৰিলে পুৰস্কাৰ পইণ্ট, প্ৰাথমিক কাৰ্ড সদস্যৰ কাৰ্ড একাউণ্টত স্বয়ংক্ৰিয়ভাৱে প্ৰাপ্ত হ'ব।
- কাৰ্ড সদস্যসকলে অগ্ৰিম ভাৱে নগদ ধন উলিওৱাৰ  আৰু কাৰ্ডত প্ৰযোজ্য হ'ব পৰা আন যিকোনো ধৰণৰ মাচুল অন্তৰ্ভুক্ত থকা লেনদেনৰ বাবে পুৰস্কাৰ পইণ্ট অৰ্জন কৰিবলৈ যোগ্য নহ'ব যেনে  বাৰ্ষিক মাচুল, পৰিপূৰক কাৰ্ড মাচুল, একাধিক কাৰ্ড মাচুল, বেলেন্স ট্ৰেন্সফাৰ মাচুল, ইএমআই লেনদেন, নগদ অগ্ৰিম মাচুল, অসন্মানিত চেকৰ বাবে মাচুল, বিত্তীয় মাচুল, অপৰাধ মাচুল, বিলম্বিত পৰিশোধ মাচুল, সেৱা মাচুল আৰু আইচিআইচিআই বেঙ্কে সময়ে সময়ে আৰোপ কৰিব পৰা আন যিকোনো মাচুল। প্ৰাথমিক কাৰ্ড সদস্যই ৰিডেম্পচনৰ বাবে এবাৰ আৱেদন কৰাৰ পিছত সেইয়া আন কোনো কাৰ্ড সদস্যই বাতিল/প্ৰত্যাহাৰ/পৰিৱৰ্তন কৰিব নোৱাৰিব।
- আইচিআইচিআই বেঙ্কে আগবঢ়োৱা যিকোনো নিৰ্দিষ্ট আঁচনি/প্ৰচাৰমূলক অফাৰ বা আইচিআইচিআই বেঙ্কৰ ব্যৱসায়িক অংশীদাৰ/অংশগ্ৰহণকাৰী অংশীদাৰৰ সৈতে বা আন যিকোনো অংশীদাৰৰ লয়েলিটি কাৰ্যসূচীৰ ৰ অধীনত এবাৰ বিনিময় কৰা পুৰস্কাৰ পইণ্টবোৰ পৰৱৰ্তি সময়ত কাৰ্ড একাউণ্টলৈ স্থানান্তৰ কৰিব নোৱাৰি বা কাৰ্ড সদস্যৰ অনুৰোধত বাতিল কৰিবও নোৱাৰি। ৰিৱাৰ্ড পইণ্ট সমূহ কোনো ব্যৱসায়ী অংশীদাৰ/অংশগ্ৰহণকাৰী অংশীদাৰৰ কাৰ্য্যসূচীত পৰিৱৰ্তন/ স্থানান্তৰ কৰা কাৰ্য্যত বা ৰিৱাৰ্ড পইণ্ট সমূহৰ  তেনে কোনো পৰিৱৰ্তন/ স্থানান্তৰণৰ বাবে আইচিআইআই বেঙ্কে কোনো দ্বায়বদ্ধতা গ্ৰহণ নকৰে।
- ৰিডেম্পচন কেটালগত আগবঢ়োৱা সামগ্ৰীবোৰ বাছনি, সংযোজন বা বিলোপ আইচিআইচিআই বেঙ্কৰ একমাত্ৰ বিবেচনাত হ'ব আৰু জাননী অবিহনে পৰিৱৰ্তন কৰা হ'ব পাৰে।

- ৰিডেম্পচন কেটালগ বা সম্পৰ্কিত ৱেব পৃষ্ঠাবোৰত সামগ্ৰী/সেৱাৰ সকলো দৃশ্য কেৱল সূচকহে। সদস্যসকলক আগবঢ়োৱা সামগ্ৰীৰ যিকোনো নিৰ্মাতাৰ যোগানকৰ্তাই সামগ্ৰীবোৰ প্ৰত্যাহাৰ, বাতিল, পৰিৱৰ্তন বা সংশোধন কৰিলে আই.চি.আই.চি.আই. বেঙ্কক দায়বদ্ধ কৰা নহ'ব।
- ৰিডেম্পচনৰ বাবে উপলব্ধ সকলো সামগ্ৰী/ভাউচাৰ/সেৱা বোৰ ৰিডেম্‌পচনৰ সময়ত ইয়াৰ উপলব্ধতা আৰু নিৰ্মাতাৰ ৱাৰেণ্টি/সীমাবদ্ধতা সাপেক্ষে নিৰ্ভৰ কৰিব।
- আই.চি.আই.চি.আই. বেঙ্কে সামগ্ৰী/ভাউচাৰ/সেৱাবোৰৰ মানদণ্ড, উপযোগিতা আৰু যোগ্যতাৰ বিষয়ে কোনো প্ৰতিনিধিত্ব নিশ্চিত নকৰে আৰু যদি সেইবোৰ কোনো প্ৰকাৰে ত্ৰুটিপূৰ্ণ বুলি ধৰা পৰে তেন্তে বেঙ্ক দায়বদ্ধ নহ'ব। আইচিআইচিআই বেঙ্কে এটা প্ৰচেষ্টা কৰিব যাতে ১০ টা কৰ্মদিনৰ ভিতৰত সামগ্ৰী বিতৰণ কৰা হয়। একেই ক্ষেত্ৰতে, সামগ্ৰী বিতৰণত হোৱা যিকোনো বিলম্ব বা লোকচানৰ বাবে আইচিআইচিআই বেঙ্কক দায়বদ্ধ কৰা নহ'ব। কাৰ্ড সদস্যই অৰ্জন কৰা পুৰস্কাৰ পইণ্টবোৰৰ কোনো নগদ ধন বা আৰ্থিক মূল্য নাই আৰু নগদ ধনৰ বিনিময়ত বিনিময় কৰিব নোৱাৰি।
- যি স্থানত নিষিদ্ধ কৰা থাকে সেই ঠাইত আঁচনিবোৰ উপলব্ধ নহব আৰু/বা এনে সামগ্ৰী/সেৱাও উপলব্ধ নহয় যাৰ বাবে এনে আঁচনি যিকোনো কাৰণতে আগবঢ়াব নোৱাৰি।
- ৰিডেম্পচন কেটালগত উল্লেখ কৰা সামগ্ৰী/সেৱাবোৰ স্থানান্তৰযোগ্য নহয় আৰু নগদীকৰণযোগ্য নহয়।
- আই.চি.আই.চি.আই. বেঙ্কে কোনো কাৰণ দৰ্শিত নকৰাকৈ বা কাৰ্ড সদস্যক আগতীয়াকৈ অৱগত নকৰাকৈ আঁচনিবোৰত প্ৰযোজ্য সকলো বা যিকোনো চৰ্তাৱলী সংশোধন/পৰিৱৰ্তন কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। আইচিআইচিআই বেঙ্কে কোনো কাৰণ দৰ্শিত নকৰাকৈ বা আগতীয়াকৈ অৱগত নকৰাকৈ আঁচনিবোৰ বন্ধ কৰাৰ অধিকাৰও সংৰক্ষিত ৰাখে। ইয়াত সন্নিবিষ্ট একোৱেই আঁচনিবোৰ অব্যাহত ৰখাৰ বাবে আইচিআইচিআই বেঙ্কৰ প্ৰতিশ্ৰুতি বা প্ৰতিনিধিত্বক সূচিত নকৰে।

  আঁচনিসমূহৰ অধীনত কাৰ্ডলৈ আগবঢ়োৱা সামগ্ৰী/ সেৱা/ পুৰষ্কাৰ সম্পৰ্কত কাৰ্ড সদস্যই কৰা কোনো যোগাযোগ/ জাননী এনে সামগ্ৰী/ সেৱা/ পুৰষ্কাৰ প্ৰদান কৰাৰ ১০ দিনৰ ভিতৰতহে গ্ৰহণ কৰা হ'ব। ১০ দিনৰ পিছত কৰা যিকোনো দাবী আইচিআইচিআই বেঙ্কে গ্ৰহণ নকৰিব। সামগ্ৰী/সেৱা/পুৰষ্কাৰসম্পৰ্কে যদি কোনো বিবাদ থাকে, আইচিআইচিআই বেঙ্কৰ বিৰুদ্ধে দাবী তুলিব নোৱাৰিব।
- সামগ্ৰী / সেৱা / পুৰষ্কাৰৰ বিতৰণস্থিতি কেৱল বিতৰণৰ পিছত ৩০ দিনলৈকে ট্ৰেক কৰিব পাৰি। বিতৰণৰ স্থিতিৰ বাবে পৰৱৰ্তী যিকোনো যোগাযোগ গ্ৰহণ কৰা নহ'ব।
- এই চৰ্তাৱলী আৰু নিয়মাৱলী প্ৰাথমিক চৰ্তাৱলী আৰু নিয়মাৱলীৰ উপৰিওহে দিয়া হৈছে তথা ইয়াক প্ৰতিস্থাপন/অৱমাননা নকৰে।

ইয়াত সন্নিবিষ্ট যিকোনো বিষয়ত সন্মত নহলে বা আঁচনি সমূহৰ সৈতে বা ইবোৰৰ ফলত কোনো বিবাদ সৃষ্টি হলে সেইবোৰৰ নিষ্পত্তি মুম্বাইৰ সক্ষম আদালতৰ একচেটিয়া অধিকাৰ সাপেক্ষে হ'ব।

XXVI. প্ৰকাশ

কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্ক, ইয়াৰ গোট কোম্পানীবোৰক তেওঁৰ দ্বাৰা অন্যান্য আইচিআইচিআই গ্ৰুপ কোম্পানী/ বেংক / বিত্তীয় প্ৰতিষ্ঠান / ক্ৰেডিট ব্যুৰো/ সংস্থা / নিয়ামক কৰ্তৃপক্ষ / বিধিবদ্ধ সংস্থা /কৰ কৰ্তৃপক্ষ /কেন্দ্ৰীয় তথ্য ব্যুৰো/ এনে আন ব্যক্তি যেনে আইচিআইচিআই বেঙ্ক / ইয়াৰ গোট কোম্পানীবোৰক তেওঁৰ আবেদনৰ সৈতে সম্পৰ্কিত তথ্য বা নথিপত্ৰ যিমান সম্ভৱ প্ৰয়োজনীয় বা উপযুক্ত বুলি বিবেচনা কৰিব পাৰে সকলো তথ্য বিনিময়, ভাগ বতৰা বা আংশিক কৰাৰ দায়িত্ব আৰু কৰ্তৃত্ব প্ৰদান কৰে য'ত এনে ব্যক্তিসকলৰ দ্বাৰা উক্ত তথ্য / ডাটা ব্যৱহাৰ বা প্ৰক্ৰিয়াকৰণ বা প্ৰক্ৰিয়াকৰণৰ বাবে বা ইয়াৰ সংশোধিত তথ্য / ডাটা / সামগ্ৰী আন বেংক/ বিত্তীয় প্ৰতিষ্ঠান / ক্ৰেডিট প্ৰদানকাৰী / এনে ব্যক্তিৰ সৈতে পঞ্জীভুক্ত ব্যৱহাৰকাৰীসকলক প্ৰদান কৰাৰ বাবে প্ৰয়োজন হ'ব আৰু এই তথ্য ব্যৱহাৰৰ বাবে আইচিআইচিআই বেঙ্ক / ইয়াৰ গোট কোম্পানীবোৰক দায়বদ্ধ নকৰিব। যদি কাৰ্ড সদস্যই যিকোনো বিত্তীয় সহায়/সুবিধা/ বিত্তীয়/ঋণ সুবিধা বা ইয়াৰ বাবে প্ৰাপ্য সূত/মাচুল পৰিশোধ বা পুনৰ পৰিশোধত ডিফল্ট ৰূপে চিহ্নিত হ'য়, তেন্তে তাৰপাছত আইচিআইচিআই বেঙ্কে সেই ডিফল্টাৰৰ বিৱৰণ আৰু সেই কাৰ্ড সদস্যৰ নাম বা/আৰু ত ইয়াৰ সঞ্চালক/অংশীদাৰ/পৰিপূৰক কাৰ্ডধাৰকসকলৰ নাম সেই ধৰণে তথা তেনে মাধ্যমত যি আইচিআইচিআই বেঙ্ক বা আৰবিআই এ ইয়াৰ নিজৰ বিবেচনাত যোগ্য হিচাপে ভাৱে তেনেকৈ প্ৰয়োজন অনুসৰি প্ৰকাশ কৰাৰ এক অযোগ্য অধিকাৰ থাকিব।

আই.চি.আই.চি.আই. বেঙ্কে ক্ৰেডিট ইনফৰ্মেচন কোম্পানী (ৰেগুলেশ্যন) আইন, ২০০৫-ৰ সন্দৰ্ভত কাৰ্ড সদস্য জনৰ ক্ৰেডিট ইতিহাস/পৰিশোধ ৰেকৰ্ড আৰু/বা নিৰ্ধাৰিত স্থিতিৰ সৈতে সম্পৰ্কিত তথ্য বিবৃতিৰ জৰিয়তে ক্ৰেডিট তথ্য ব্যুৰোক (বিশেষকৈ আৰ.বি.আই.-ৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত) প্ৰকাশ কৰিব। ক্ৰেডিট কাৰ্ডএখনৰ বাবে আৱেদন গ্ৰহণ কৰাটো কাৰ্ড সদস্যৰ ক্ৰেডিট যোগ্যতাৰ কোনো প্ৰতিকূল প্ৰতিবেদনৰ ওপৰত আধাৰিত নহয়। আই.চি.আই.চি.আই. বেঙ্কে কাৰ্ড একাউণ্টত হোৱা যিকোনো অপৰাধ বা কাৰ্ডৰ জৰিয়তে বা অন্য কোনো ধৰণে কাৰ্ড সদস্যৰ ক্ৰেডিট সুবিধা প্ৰত্যাহাৰ কৰা তথ্য বেঙ্ক বা বিত্তীয় প্ৰতিষ্ঠানক প্ৰতিবেদন দিব পাৰে। প্ৰতিকূল প্ৰতিবেদন প্ৰাপ্ত কৰাৰ ওপৰত আধাৰিত কৰি (কাৰ্ড সদস্য বা তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ ক্ৰেডিট যোগ্যতাৰ সৈতে সম্পৰ্কিত), আইচিআইচিআই বেঙ্কে লিখিতভাৱে ১৫ দিনৰ আগতীয়া জাননীৰ পিছত ক্ৰেডিট কাৰ্ড বাতিল কৰিব পাৰে, যাৰ ফলত কাৰ্ড একাউণ্টত থকা সম্পূৰ্ণ বকেয়া বেলেন্স আৰু লগতে কাৰ্ডখন ব্যৱহাৰ কৰি বহন কৰা যিকোনো পৰৱৰ্তী মাচুল, যদিও এতিয়ালৈকে কাৰ্ড একাউণ্টলৈ বিল কৰা হোৱা নাই, কাৰ্ড সদস্যই তাৎক্ষণিকভাৱে পৰিশোধ কৰিব লাগিব। আই.চি.আই.চি.আই. বেঙ্কে কাৰ্ড সদস্যক বেঙ্ক বা বিত্তীয় প্ৰতিষ্ঠানৰ নাম, য'ৰ পৰা ই প্ৰাপ্ত কৰিছিল বা যিবোৰৰ পৰা ই তথ্য প্ৰকাশ কৰিছিল সেয়া প্ৰকাশ কৰিবলৈ বাধ্য নহ'ব।

আইচিআইচিআই বেঙ্ক/গ্ৰুপ কোম্পানীবোৰে ফটোগ্ৰাফসহ ইয়াত প্ৰদান কৰা আৱেদন প্ৰপত্ৰ আৰু

নথিপত্র বোৰ ৰখাৰ অধিকাৰ সংৰক্ষিত ৰাখে, আৰু সেইবোৰ ঘূৰাই নিদিয়ে।

XXVII. ঋণ আৱণ্টন

ৰ কাৰ্ড সদস্যক প্ৰসংগ বা অৱগত নকৰাকৈ আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ ইচ্ছা অনুসৰি যিকোনো তৃতীয় পক্ষক ক্ৰেডিট কাৰ্ডখনত বাকী থকা  বকেয়া আৰু প্ৰাপ্য ধন স্থানান্তৰ, আৱণ্টন আৰু বিক্ৰী কৰাৰ অধিকাৰ থাকিব। এনে কোনো বিক্ৰী, আৱণ্টন বা স্থানান্তৰ সৈতে সন্মত নহলে কাৰ্দ সদস্যৰ বিৰুদ্ধে আইনী পন্থা লোৱাৰ বাবে আইচিআইচিআই বেঙ্কক সম্পূৰ্ণ ক্ষমতা প্ৰদান কৰা হ'ব। এনে যিকোনো আৱণ্টন, বিক্ৰী বা স্থানান্তৰ আৰু বকেয়া আৰু প্ৰাপ্য পৰিমাণ পুনৰুদ্ধাৰৰ বাবে কাৰ্ড সদস্য সকলো ব্যয় আৰু দেয়ৰ বাবে দায়বদ্ধ হ'ব।

XXVIII. বিবিধ বিষয়

আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ চৰ্তাৱলীৰ ভিত্তিত ভালদৰে পৰিচালনা কৰা একাউণ্টৰ কাৰ্ড সদস্যসকলক কিছু সুবিধা, সদস্যভৰ্তি আৰু সেৱা কিছু মাচূল তথা চৰ্তাৱলী আৰু নিয়মাৱলীৰ আধাৰত (যিসমূহ বেঙ্কে উপযুক্ত বুলি ভাৱে) আগবঢ়োৱাৰ অধিকাৰ সংৰক্ষিত ৰাখে।  আই.চি.আই.চি.আই. বেঙ্কে মাচুল উঠাই লোৱা বা হ্ৰাস কৰা তথা আগতীয়া জাননী অবিহনে আৰু কাৰ্ড সদস্যৰ প্ৰতি দায়বদ্ধতা অবিহনে যিকোনো সময়তে এনে লাভালাভ প্ৰত্যাহাৰ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। এই চৰ্তাৱলী আৰু নিয়মাৱলী উলংঘনৰ বাবে, সদস্যপদ বাতিল কৰাৰ লগে লগে এই সুবিধা আৰু সেৱাবোৰো স্বয়ংক্ৰিয়ভাৱে সমাপ্ত হ'ব। ইয়াৰ পাছত  আই.চি.আই.চি.আই. বেঙ্ক বা কোনো ব্যৱসায় প্ৰতিষ্ঠান বা অন্য তৃতীয় পক্ষৰ দ্বাৰা এই সুবিধাসমূহ, সদস্যপদ বা সেৱা সমূহ চলাই নিয়াত খেলিমেলি বা ব্যাঘাত হলে বা তাৰপাছত সক্ৰিয় হৈ নাথাকিলে আইচিআইআই বেঙ্ক যিকোনো প্ৰকাৰে, কাৰ্ড সদস্যৰ ওচৰত দায়বদ্ধ নহ'ব। কাৰ্ড সদস্যই তেওঁৰ আবেদনত আৰু জৰীপৰ সময়ত প্ৰদান কৰা তথ্য, আইচিআইচিআই বেঙ্ক / সহযোগীসকলৰ দ্বাৰা সম্পন্ন কৰা বিপণন কাৰ্যকলাপৰ বাবে উপভোক্তা প্ৰতিবেদনসহ বাহ্যিক উৎসৰ পৰা প্ৰাপ্ত তথ্য ব্যৱহাৰ কৰাৰ বাবে আইচিআইচিআই বেঙ্কে  অধিকাৰ সংৰক্ষিত ৰাখে। আইচিআইচিআই বেঙ্কে এই তথ্যবোৰ মেইলিং তালিকা বিকশিত কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে সেই কোম্পানীয়ে ব্যৱহাৰ কৰিব পাৰে যাৰ সৈতে আইচিআইচিআই বেঙ্কে কাৰ্ড সদস্যসকলৰ বাবে বিপণন অফাৰ বিকশিত কৰিবলৈ কাম কৰে। আইচিআইচিআই বেঙ্কে সময়ে সময়ে কাৰ্ডত আগবঢ়োৱা আঁচনি, সুবিধা আৰু লাভালাভবোৰ সংশোধন কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে আৰু উপযুক্ত বুলি বিবেচনা কৰা যিকোনো ধৰণে এনে যিকোনো সংশোধন/পৰিৱৰ্তনৰ বিষয়ে কাৰ্ড সদস্যক অৱগত কৰিব পাৰে। কাৰ্ড সদস্যজন এনে সংশোধন/পৰিৱৰ্তনৰ দ্বাৰা আৱদ্ধ হ'ব যদিহে কাৰ্ডখন সংশোধন/পৰিৱৰ্তন কৰা তাৰিখৰ আগতে বাতিল কৰাৰ বাবে আইচিআইচিআই বেঙ্কলৈ ঘূৰাই দিয়া নহয়।

কাৰ্ড সদস্যৰ কাৰ্‌ড একাউণ্টত ৰেকৰ্ড কৰা সকলো লেনদেনৰ বিৱৰণ কাৰ্ড সদস্য আৰু/বা তেওঁৰ পৰিয়ালৰ সদস্যৰ দ্বাৰা ক্ৰেডিটৰ বাবে অধিক আৱেদন মূল্যাঙ্কন কৰাৰ উদ্দেশ্যে আৰু প্ৰৱঞ্চনা প্ৰতিৰোধৰ বাবে ক্ৰেডিট ৰেফাৰেন্স এজেঞ্চী, ঋণদাতা আৰু/বা অন্যান্য সংস্থাৰ সৈতে ভাগ বতৰা কৰা হ'ব পাৰে।  ছেট অফৰ সাধাৰণ অধিকাৰ বা আইন তথা অন্যচুক্তিৰ অধীনত প্ৰযোজ্য অধিকাৰৰ উপৰিও

আইচিআইচিআই বেঙ্কে জাননী অবিহনে, কাৰ্ড একাউণ্ট ত থকা স্থায়ী বেলেন্সটো আন যিকোনো একাউণ্ট (যিটো কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্ক আৰু ইয়াৰ গোট কোম্পানীবোৰৰ সৈতে বজাই ৰাখে)ৰ সৈতে একত্ৰিত বা একগোট কৰিব পাৰে আৰু সেই একাউণ্ট সমূহৰ পৰা কাৰ্ড সদস্যৰ আইচিআইচিআই বেঙ্কলৈ থকা তেওঁৰ দ্বায়বদ্ধতা অনুসৰি ধন ছেট-অফ বা স্থানান্তৰ কৰিব পাৰে। কাৰ্ডৰ বাবে আৱেদন প্ৰপত্ৰত উল্লেখ কৰা অনুসৰি কাৰ্ড সদস্যই তেওঁৰ নাম, ঠিকনা, যোগাযোগ নম্বৰ আৰু যোগাযোগৰ বাবে ইমেইল আইডিৰ যিকোনো পৰিৱৰ্তনৰ বিষয়ে আইচিআইচিআই বেঙ্কক তৎক্ষণাৎ অৱগত কৰিব। আইচিআইচিআই বেঙ্কে ইয়াৰ ৰেকৰ্ডত কাৰ্ড সদস্যৰ ঠিকনা সলনি কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে যদি ঠিকনাৰ এনে পৰিৱৰ্তন আইচিআইচিআই বেঙ্কৰ দৃষ্টিগোচৰ হয়। আইচিআইচিআই বেঙ্কক যোগাযোগৰ বাবে সঠিক ঠিকনাৰ বিষয়ে অৱগত কৰাটো নিশ্চিত কৰাৰ দায়িত্ব কেৱল কাৰ্ড সদস্যৰ হ'ব, আৰু আইচিআইচিআই বেঙ্কে অশুদ্ধ ঠিকনাৰ ক্ষেত্ৰত সকলো দায়বদ্ধতা অস্বীকাৰ কৰে যাৰ ফলত কাৰ্ড সদস্যৰ কোনো ক্ষতি বা লোকচান হয়।

আইচিআইচিআই বেঙ্ক বা ইয়াৰ সহযোগী সকলে কাৰ্ড সদস্যই লাভ কৰা সুবিধা/সেৱাৰ বাবে সময়ে সময়ে নিৰ্ধাৰণ কৰিব পৰা এনে সকলো চৰ্তাৱলী আৰু নিয়মাৱলী কাৰ্ড সদস্যই পালন কৰিব।এনে সকলো লেনদেন যি সমূহ দূৰসংযোগৰ ব্যৱস্থাৰে সম্পন্ন কৰিলে প্ৰভাৱান্বিত হ'য় যেনে ইণ্টাৰনেট, ৱৰ্ল্ড ৱাইড ৱেব, ইলেক্ট্ৰনিক ডাটা ইণ্টাৰচেঞ্জ, কল চেণ্টাৰ, টেলিচাৰ্ভিচ অপাৰেচন (ভইচ, ভিডিঅ, ডাটা বা ইবোৰৰ সংমিশ্ৰন) বা ইলেক্ট্ৰনিক, কম্পিউটাৰ, স্বয়ংক্ৰিয় যন্ত্ৰ নেটৱৰ্কৰ জৰিয়তে বা দূৰসংযোগৰ অন্যান্য মাধ্যমৰ জৰিয়তে, যিবোৰ আইচিআইচিআই বেঙ্ক বা ইয়াৰ সহযোগী সংস্থাৰ দ্বাৰা সেই সুবিধা/সেৱা সমূহ আগবঢ়োৱাৰ বাবে প্ৰতিষ্ঠা কৰা হ'য় আৰু লগতে যিসমূহ সম্পন্ন কৰোতে আইচিআইচিআই বেঙ্ক বা ইয়াৰ সহযোগীৰ দ্বাৰা সময়ে সময়ে প্ৰস্তাৱিত চৰ্ত সাপেক্ষে সম্পন্ন কৰিলে আইনী বিধিৰে বান্ধ খাই থাকে।

(গ) ক্ৰছ কাৰেঞ্চী ছেট-অফৰ ক্ষেত্ৰত, এটা মুদ্ৰাৰ পৰা আন এটালৈ সলনি কৰাৰ দ্বায়বদ্ধতা আইচিআইচিআই বেঙ্ক আৰু/বা ইয়াৰ গোট কোম্পানীবোৰৰ একমাত্ৰ বিবেচনাত নিৰ্ধাৰিত হাৰতহে কৰা হ'ব।

XXIX. বিবাদৰ নিষ্পত্তি

১. স্বয়ংক্ৰিয় বিবাদ নিষ্পত্তি: কাৰ্ডধাৰকৰ গোচৰ, দাবী, বিবাদ বা অভিযোগ (একেলগে "অভিযোগ/বোৰ" বুলি কোৱা হয়) আইচিআইচিআই বেঙ্কৰ প্ৰাসঙ্গিক ৰেকৰ্ড পৰীক্ষা কৰি স্বয়ংক্ৰিয় পদ্ধতি বা প্ৰকাৰে সম্পূৰ্ণ বা আংশিকভাৱে বৈধ হ'য় নে নহয় তাক নিশ্চিত কৰিব পৰা তথ্যগত বিষয়বোৰ অন্তৰ্ভুক্ত থাকে, এনে অভিযোগ/বোৰ (সম্পূৰ্ণ বা আংশিকভাৱে) গ্ৰহণ বা অগ্ৰাহ্য কৰা টো যথাযথভাৱে সম্পূৰ্ণ কৰি পীৃড়িত কাৰ্ডধাৰকক জনোৱা হ'য়। য'ত অভিযোগ/বোৰ সম্পূৰ্ণ বা আংশিকভাৱে বৈধ বুলি গ্ৰহণ কৰা হৈছে, আইচিআইচিআই বেঙ্কে পীড়িত কাৰ্ডধাৰকক তাৰবাবে সঠিকভাৱে উপযুক্ত সমাধান প্ৰদান কৰিব।

২. আভ্যন্তৰীণ অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া: ওপৰত নিৰ্ধাৰিত স্বয়ংক্ৰিয় প্ৰক্ৰিয়াৰ দ্বাৰা অমীমাংসিত অভিযোগ/বোৰ, বা যদি কাৰ্ডধাৰকে নিৰ্ধাৰিত স্বয়ংক্ৰিয় প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰদান কৰা সমাধানত

সন্তুষ্ট নহয়, বা যিবোৰ স্বয়ংক্ৰিয় প্ৰক্ৰিয়া কাৰ্যকৰী হোৱাৰ আগতে উদ্ভৱ হয়, আৰু www.icicibank.com উপলব্ধ গ্ৰাহক অভিযোগ নিষ্পত্তি নীতি অনুসৰি নিষ্পত্তিৰ বাবে উত্থাপন কৰিব পাৰি তেনে অভিযোগ সেই নীতি,যিবোৰ সময়ে সময়ে সলনি কৰা অনুসৰি উত্থাপন কৰিব পাৰে।

৩. অনলাইন বিবাদ নিষ্পত্তি: অভিযোগ (তলত উল্লেখ কৰা ব্যতিক্ৰম সাপেক্ষে), বেঙ্কে আৰম্ভ কৰিব পৰা যিকোনো দাবী বা কাৰ্য (একেলগে "দাবী/বোৰ" বুলি কোৱা হয়) আৰু আন যিকোনো দাবী বা বিবাদ (চুক্তিত থকা হওঁক বা নহওঁক), যদি এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ অধীনত উদ্ভৱ হ'য় য'ত অন্তৰ্ভূক্ত থাকে  এই চৰ্তাৱলীৰ অধীনত নিৰ্মাণ, অৰ্থ, অস্তিত্ব, বৈধতা, উলংঘন, পুনঃবিচাৰ, পুনৰুদ্ধাৰ বা সমাপ্তি সম্পৰ্কীয় যিকোনো প্ৰশ্নৰ মীমাংসা মধ্যস্থতা বা সসমৰ্মিতা প্ৰক্ৰিয়াৰ মাজেৰে কৰিব পৰা যাব, আৰু এই প্ৰক্ৰিয়া চামা ( Sama), যি হৈছে অনলাইণ বিবাদ নিষ্পত্তিৰ এক স্বাধীন প্ৰতিষ্ঠান, ৰ প্ৰযোজ্য মধ্যস্থতা বা সসমৰ্মিতা নীতি অনুসৰি পৰিচালনা কৰা হ'ব।

যদি মধ্যস্থতা বা মীমাংসা প্ৰক্ৰিয়াই চামা নিয়মত নিৰ্ধাৰিত ম্যাদৰ ভিতৰত বা <২১> দিনৰ ভিতৰত (যিটো আগতে হয়) সমাধান কৰিব নোৱাৰে, তেনেহ'লে অভিযোগ বা দাবীটো চামাৰ প্ৰযোজ্য নিয়ম অনুসৰি  আৰু মধ্যস্থতা আৰু মীমাংসা আইন, ১৯৯৬ অনুসৰি মধ্যস্থতাকাৰী আদালতৰ জৰিয়তে সমাধানৰ বাবে আগবঢ়োৱা হ'ব। এনে মধ্যস্থতাকাৰী আদালত (প্ৰমাণ ৰেকৰ্ডিং বা নথিপত্ৰ প্ৰদান সহিতে), চামাৰ দ্বাৰা  ইয়াৰ ৱেবছাইট/প্লেটফৰ্ম www.sama.live বা ম'বাইল এপ্লিকেচনৰ জৰিয়তে অনলাইন পৰিচালনা আৰু সমাপ্ত কৰা হ'ব। মধ্যস্থতাকাৰী ন্যায়াধিকৰণত চামাৰ প্ৰযোজ্য মধ্যস্থতাৰ নিয়ম অনুসৰি নিযুক্ত এক স্বতন্ত্ৰ একমাত্ৰ মধ্যস্থতাকাৰী থাকিব। মধ্যস্থতাৰ প্ৰক্ৰিয়া মুম্বাইত হ'ব। মধ্যস্থতাৰ প্ৰক্ৰিয়াগত আইন হ'ব চামাৰ নিয়ম।

৩. ওপৰৰ দৰে অনলাইন বিবাদ নিষ্পত্তি প্ৰক্ৰিয়াত, নিম্নলিখিতবোৰত প্ৰযোজ্য নহ'ব:

ক) আইনী, নিয়ামক আৰু চৰকাৰী কৰ্তৃপক্ষৰ পৰা বা ইয়াৰ জৰিয়তে প্ৰাপ্ত যিকোনো অভিযোগ। আইনী, নিয়ামক আৰু চৰকাৰী কৰ্তৃপক্ষৰ পৰা বা ইয়াৰ জৰিয়তে প্ৰাপ্ত এনে অভিযোগৰ বাবে আইচিআইচিআই বেঙ্কে এনে কৰ্তৃপক্ষৰ দ্বাৰা ঠাৰৰ কৰা ধৰণে আৰু পদ্ধতিত সমাধান আৰু সঁহাৰি দিব লাগিব।

খ) তৃতীয় পক্ষৰ নিৰ্ভৰশীলতা থাকিব পৰা অভিযোগ/বোৰ – আইচিআইচিআই বেঙ্কে কেৱল তৃতীয় পক্ষ/বোৰৰ পৰা তথ্য বা স্পষ্টীকৰণ প্ৰাপ্ত কৰাৰ পিছতহে অভিযোগটো পুনৰীক্ষণ, মূল্যাঙ্কন আৰু সমাধান কৰিবলৈ সক্ষম হ'ব।

গ) বেঙ্কৰ গ্ৰাহক অভিযোগ নিষ্পত্তি নীতি অনুসৰি বা ওপৰত উল্লেখিত স্বয়ংক্ৰিয় বিবাদ নিষ্পত্তিৰ অধীনত নিৰ্ধাৰিত বা অমীমাংসিত  অভিযোগ।

XXX. এই চৰ্তাৱলী আৰু নিয়মাৱলী সমূহ সলনি কৰা

আই.চি.আই.চি.আই. বেঙ্কৰ কাৰ্ডত আগবঢ়োৱা যিকোনো চৰ্তাৱলী আৰু নিয়মাৱলী, সুবিধা আৰু লাভালাভ সংশোধন বা পৰিপূৰক কৰাৰ সম্পূৰ্ণ অধিকাৰ থাকিব, যাৰ ভিতৰত আছে, সীমাবদ্ধতা অবিহনে, যিকোনো সময়তে বিদ্যমান বেলেন্স, সূতমাচুল বা হাৰ আৰু গণনাৰ

পদ্ধতি প্ৰভাৱিত কৰা পৰিৱৰ্তন। কাৰ্ডৰ অধীনত থকা সকলো পৰিমাণ সম্পূৰ্ণৰূপে পৰিশোধ নকৰালৈকে এই সংশোধিত চৰ্তাৱলী আৰু নিয়মাৱলীৰ অধীনত বহন কৰা সকলো মাচুল আৰু আন সকলো দায়বদ্ধতাৰ বাবে কাৰ্ড সদস্য দায়বদ্ধ হ'ব। আইচিআইচি বেঙ্কে আইচিআইচিআই বেঙ্কৰ সিদ্ধান্ত অনুসৰি ইনফিনিটিত উত্থাপন কৰি বা আন যিকোনো ধৰণে যোগাযোগ কৰি সংশোধিত চৰ্তাৱলী সমূহৰ বিষয়ে অৱগত কৰিব পাৰে। কাৰ্ড সদস্যই এই চৰ্তাৱলী আৰু নিয়মাৱলী নিয়মীয়াকৈ পৰ্যালোচনা কৰাৰ বাবে দায়বদ্ধ হ'ব যাৰ ভিতৰত আছে ইয়াত সংশোধন কৰা যিবোৰ ইণফিণিটিত পোষ্ট কৰা হ'ব পাৰে আৰু কাৰ্ডখন ব্যৱহাৰ অব্যাহত ৰাখিলে সংশোধিত চৰ্তাৱলী আৰু নিয়মাৱলী গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব। চৰ্তাৱলী আৰু নিয়মাৱলীৰ যিকোনো পৰিৱৰ্তন কাৰ্ড সদস্যক, ওপৰোক্ত ধৰণে, সেইবোৰ কাৰ্যকৰী কৰাৰ তাৰিখৰ এমাহ আগতে জনোৱা হ'ব।

XXXI. জাননী

কাৰ্ড সদস্যৰ পৰা প্ৰাপ্য সকলো পৰিমাণসহ এই চৰ্তাৱলী আৰু নিয়মাৱলীৰ অধীনত বা সম্পৰ্কত সকলো জাননী বা অন্যান্য যোগাযোগ আইচিআইচিআই বেঙ্ক লিমিটেড, আইচিআইচিআই ফোন বেঙ্কিং কেন্দ্ৰ, আইচিআইচিআই বেংক টাৱাৰ, ৭ম মহলা, জৰীপ নম্বৰ: ১১৫/২৭, প্লট নং ১২, নানক্ৰামগুড়া, চেৰিলিংগামপালি, হায়দৰাবাদ – ৫০০০৩২, ভাৰত, এই ঠিকনাত পঠাব লাগিব বা উল্লেখিত ঠিকনাত চিঠি বা অন্য প্ৰিণ্ট টোকা পঠাব পাৰে। এনে যিকোনো জাননী বা আন যোগাযোগ কাৰ্যকৰী বুলি গণ্য কৰা হ'ব যদিহে:

(i) যদি পত্ৰৰ দ্বাৰা প্ৰেৰণ কৰা হয়, ব্যক্তিগতভাৱে প্ৰদান কৰা হ'লে বা ডাকযোগে প্ৰেৰণ কৰা হ'লে, যেতিয়া পত্ৰখন মনত পেলোৱা টো প্ৰেৰকৰ নিয়ন্ত্ৰণৰ বাহিৰত থাকে; আৰু (২) যদি ফেচিমাইলৰ দ্বাৰা প্ৰেৰণ কৰা হয়, (সঠিক ফেচিমাইল নম্বৰত নিশ্চিতকৰণ প্ৰাপ্ত কৰাৰ পিছত)। অৱশ্যে, আইচিআইচিআই বেঙ্কৰ দ্বাৰা প্ৰকৃততে প্ৰাপ্ত আৰু স্বীকাৰ নকৰালৈকে আইচিআইচিআই বেঙ্কলৈ পঠোৱা কোনো জাননী বা যোগাযোগ কাৰ্যকৰী নহ'ব। এইবোৰৰ বাবে জাননী বা যোগাযোগ কৰা হ'ব পাৰে: (১) আইচিআইচিআই বেঙ্কৰ ৰেকৰ্ডত লিপিবদ্ধ কৰা অনুসৰি কাৰ্ড সদস্যৰ ঠিকনা বা ফেচিমাইল নম্বৰ আৰু কোনবোৰ জাননী / যোগাযোগ প্ৰেৰণ কৰিব লাগিব (আবেদন প্ৰপত্ৰত নিৰ্ধাৰিত অনুসৰি), আৰু (২) আইচিআইচি আই বেঙ্কৰ আঞ্চলিক / আঞ্চলিক / শাখা /কাৰ্যালয়ৰ ঠিকনা বা ফেচিমাইল নম্বৰ (আবেদন প্ৰপত্ৰত নিৰ্ধাৰিত অনুসৰি), বা কাৰ্ড সদস্য আৰু আইচিআইচিআই বেঙ্কে ইজনে সিজনক লিখিতভাৱে নিৰ্ধাৰণ কৰিব পৰা এনে আন ঠিকনা বা অনুসূচী নম্বৰলৈ। কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক তেওঁৰ সম্পৰ্ক ঠিকনা বা বিৱৰণৰ যিকোনো পৰিৱৰ্তনৰ বিষয়ে লিখিতভাৱে অৱগত কৰাত কোনো বিফলতাৰ ক্ষেত্ৰত, আৱেদন প্ৰপত্ৰত নিৰ্ধাৰিত ঠাইত উল্লেখ কৰা স্থায়ী ঠিকনা বা কাৰ্ড সদস্যই শেষৰ বাৰ প্ৰদান কৰা ঠিকনাই জাননী/ চিঠিপত্ৰ প্ৰেৰণৰ বাবে সঠিক ৰূপে গণ্য হ'ব লাগিলে সেই জাননী আইচিআইচিআই বেঙ্কলৈ পুনৰ ঘূৰি আহক বা নাহক। কাৰ্ড সদস্যৰ বাসস্থান বা কৰ্মৰ স্থানত উপলব্ধ বাতৰি কাকতত প্ৰকাশিত এখন জাননী ইয়াৰ প্ৰকাশৰ তাৰিখৰ পৰা কাৰ্ড সদস্যৰ বাবে এক পৰ্যাপ্ত জাননী হ'ব; অৱশ্যে, আইচিআইচিআই বেঙ্কে স্বীকাৰ

নকৰাৰ্লেকে বাতৰি কাকতএখনত কোনো জাননী আইচিআইচিআই বেঙ্কৰ বিৰুদ্ধে কাৰ্যকৰী নহ'ব।

XXXII. গ্লোবেল ইণ্ডিয়ান ক্ৰেডিট কাৰ্ডৰ চৰ্তাৱলী

এই চৰ্তাৱলী ("চৰ্তাৱলী") কেৱল গ্লোবেল ইণ্ডিয়ান ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰা কাৰ্ড সদস্যৰ ক্ষেত্ৰত প্ৰযোজ্য। এই চৰ্তাৱলী আৰু নিয়মাৱলী ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰৰ বাবে অন্যান্য চৰ্তাৱলী আৰু নিয়মাৱলীৰ অতিৰিক্ত ভাৱেহে দিয়া হৈছে ("চৰ্তাৱলী আৰু নিয়মাৱলী")। য'তেই এই চৰ্তাৱলী আৰু আন চৰ্তাৱলী আৰু নিয়মাৱলীৰ মাজত বিবাদ হয়, এই চৰ্তাৱলীয়ে প্ৰাধান্য পাব। গ্লোবেল ইণ্ডিয়ান ক্ৰেডিট কাৰ্ডত নগদ ধন উলিওৱাৰ অনুমতি দিয়া নহ'ব। গ্লোবেল ইণ্ডিয়ান ক্ৰেডিট কাৰ্ডত কোনো নগদ সীমা প্ৰদান কৰা নহ'ব। কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক পৰিশোধৰ নিৰ্দিষ্ট তাৰিখত বকেয়া মুঠ পৰিমাণ পৰিশোধ কৰিব। গ্লোবেল ইণ্ডিয়ান ক্ৰেডিট কাৰ্ডত এমএডি (MAD) পৰিশোধৰ কোনো সুবিধা প্ৰযোজ্য নহ'ব। গ্লোবেল ইণ্ডিয়ান ক্ৰেডিট কাৰ্ডৰ বাবে পৰিশোধ কেৱল ইচিএছ (ECS) পদ্ধতিৰ দ্বাৰা কৰা হ'ব।

XXXIII. ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ চৰ্তাৱলী

এই চৰ্তাৱলী আৰু নিয়মাৱলী ("চৰ্তাৱলী") আইচিআইচিআই বেঙ্কে আগবঢ়োৱা ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সুবিধাৰ ব্যৱস্থা তথা নিয়ন্ত্ৰণৰ বাবে প্ৰযোজ্য। এই চৰ্তাৱলী আৰু নিয়মাৱলী আইচিআইচিআই বেঙ্কৰ ক্ৰেডিট কাৰ্ড সুবিধা, আইচিআইচিআই বেঙ্কৰ ইণ্টাৰনেট বেঙ্কিং সেৱা নিয়ন্ত্ৰণ কৰা চৰ্তাৱলী আৰু নিয়মাৱলী আৰু আইচিআইচিআই বেঙ্কৰ একাউণ্ট সঞ্চয় কৰাৰ চৰ্তাৱলী আৰু নিয়মাৱলী ("প্ৰাৰ্থমিক চৰ্তাৱলী")ৰ অতিৰিক্ত ৰূপ হিচাপেহে দিয়া হৈছে সেইবোৰক উপেক্ষা কৰাৰ উদ্দেশ্যৰে নহয়। এই চৰ্তাৱলী আৰু প্ৰাথমিক চৰ্তাৱলীৰ মাজত যিকোনো বিসঙ্গতিৰ উদ্ভৱ হলে, এই চৰ্তাৱলীয়ে প্ৰাধান্য পাব। ইয়াত ব্যৱহৃত কিন্তু সংজ্ঞায়িত নকৰা সকলো বৰফলাত লিখা শব্দৰ প্ৰাথমিক চৰ্তাৱলীত ইয়াৰ সংশ্লিষ্ট অৰ্থ থাকিব।

"একাউণ্ট/বোৰ"ৰ অৰ্থ আইচিআইচিআই বেঙ্কৰ ইণ্টাৰনেট বেঙ্কিং সেৱা আৰু আইচিআইচিআই বেঙ্কৰ সঞ্চয় একাউণ্টৰ বাবে থকা চৰ্তাৱলী আৰু নিয়মাৱলীত সংজ্ঞায়িত কৰা অনুসৰি আৰু সেই পৰিসৰৰ ভিতৰতে হ'ব।

"ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড"ৰ অৰ্থ হ'ব প্ৰাথমিক কাৰ্ড সদস্যক তেওঁৰ বৰ্তমানৰ কাৰ্ড একাউণ্টত জাৰী কৰা এখন অতিৰিক্ত ক্ৰেডিট কাৰ্ড। এই অতৰিক্ত ভাৱে যোগ দিয়া ক্ৰেডিট কাৰ্ড খন প্ৰাথমিক কাৰ্ড সদস্যৰ একাউণ্ট/বোৰৰ লগইণ খণ্ডত ইলেক্ট্ৰনিক ছবি হিচাপে সৃষ্টি আৰু সঞ্চিত কৰা হ'ব। ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ বাবে কোনো ভৌতিক প্লাষ্টিক কাৰ্ড জাৰী কৰা নহ'ব।

"ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সদস্য" ৰ অৰ্থ হৈছে প্ৰাথমিক কাৰ্ড সদস্য যাক প্ৰাথমিক চৰ্তাৱলী আৰু এই চৰ্তাৱলী সাপেক্ষে আইচিআইচিআই বেঙ্কে এড-অন ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড জাৰী কৰিছে।

ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সুবিধা আবেদন কৰি আৰু প্ৰাপ্ত কৰিবলৈ সন্মত হোৱাৰ লগে লগে, প্ৰাথমিক কাৰ্ড সদস্যই ইয়াত উল্লেখ কৰা চৰ্তাৱলীত সন্মতি আৰু ইবোৰ গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব। প্ৰাথমিক কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কৰ লগইণ শাখাত লগ ইন কৰি বা সময়ে সময়ে আইচিআইচিআই বেঙ্কে নিৰ্ধাৰিত কৰা আন প্ৰক্ৰিয়াৰে আইচিআইচিআই বেঙ্কে প্ৰদান কৰা ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ বাবে আবেদন

কৰিব। ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডে প্ৰাথমিক কাৰ্ড সদস্যক তেওঁৰ পচন্দৰ ক্ৰেডিট সীমাৰ ভিতৰত অনলাইন লেনদেন কৰিবলৈ সক্ষম কৰে, অৱশ্যে, এই লেনদেন কোনো সময়তে তেওঁৰ ক্ৰেডিট কাৰ্ডত ক্ৰেডিট সীমাৰ বাহিৰত হ'ব নোৱাৰিব।

ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি কৰা ক্ৰয়ৰ বিৱৰণ বিবৃতিত প্ৰদৰ্শন কৰা হ'ব আৰু প্ৰাথমিক কাৰ্ড সদস্যলৈ কোনো পৃথক বিবৃতি প্ৰেৰণ কৰা নহ'ব। প্ৰাথমিক কাৰ্ড সদস্যই ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ অধীনত উপলব্ধ লিংকত ক্লিক কৰি ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ বৰ্তমান, আৰু অতীতৰ বিবৃতিও চাব পাৰে। প্ৰাথমিক কাৰ্ড সদস্যই প্ৰাথমিক কাৰ্ড আৰু ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি হোৱা ব্যয়ৰ বাবে এক মাচুল পৰিশোধ কৰিব লাগিব। ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ মুখ্য বিৱৰণ যেনে কাৰ্ড নম্বৰ, ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ ম্যাদ উকলি যোৱা তাৰিখ, চিভিভি ইত্যাদি কেৱল একাউণ্টৰ লগ ইন শাখাত উপলব্ধ ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড শাখাত হে দৃশ্যমান হ'ব। ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ ক্ৰেডিট সীমা প্ৰাথমিক কাৰ্ডৰ হ'ব। একাউণ্টৰ লগ ইন শাখাত উপলব্ধ ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড শাখাৰ অধীনত প্ৰাসঙ্গিক বিকল্পবোৰ ক্লিক কৰাৰ জৰিয়তে ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ হট লিষ্টিং / ব্লকিং কৰিব পাৰি। যদি ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সদস্যই একাউণ্ট/বোৰ বন্ধ কৰে, ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সুবিধাটো অব্যাহত থাকিব।

ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ কেৱল অনলাইন লেনদেনত সীমাবদ্ধ থাকিব। প্ৰাথমিক কাৰ্ড সদস্য অৱগত যে অনলাইন লেনদেনৰ ক্ষেত্ৰত, ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি কৰা ক্ৰয়ৰ সময়ত প্ৰাথমিক কাৰ্ড সদস্যই চাৰ্জ শ্লিপত স্বাক্ষৰ নকৰে। সেই অনুসৰি, প্ৰাথমিক কাৰ্ড সদস্যই স্বীকাৰ কৰে যে, এনে ক্ৰয় বা মাচুলৰ সত্যতা বা বৈধতা সম্পৰ্কে যিকোনো বিবাদৰ ক্ষেত্ৰতো, যিকোনো কাৰণতে, প্ৰাথমিক কাৰ্ড সদস্যই আইচিআইচিআই বেঙ্কক প্ৰাপ্য সকলো স্থিতিতে পৰিশোধ কৰিব আৰু আইচিআইচিআই বেঙ্ক ইয়াৰ বাবে দায়ী/ দায়বদ্ধ নহ'ব। যদি কোনো ব্যৱসায়ীয়ে ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ জৰিয়তে পৰিশোধ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে তেন্তে আইচিআইচিআই বেঙ্ক দায়বদ্ধ নহ'ব। ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ সুবিধাটো কেৱল ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সদস্যক অনলাইন পৰিশোধ কৰাৰ সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে আৰু ই ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সদস্যই কৰা লেনদেনৰ মানদণ্ড, সুৰক্ষা বা বৈধতা নিশ্চিত নকৰে।

ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰ কৰাৰ দ্বাৰা এই চৰ্তাৱলী আৰু নিয়মাৱলী গ্ৰহণ কৰা বুলি গণ্য কৰা হ'ব। ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড সদস্য পৰিশোধৰ বাবে এই চৰ্তাৱলীৰ দ্বাৰা/অধীনত বাধ্য/দায়বদ্ধ হ'ব আৰু তেওঁ ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ডৰ ব্যৱহাৰৰ ওপৰত দেয় আৰু পৰিশোধ কৰিবলগা সকলো মাচুল পৰিশোধ নিশ্চিত কৰিব। ভাৰ্চুৱেল ক্ৰেডিট কাৰ্ড খন এক বিশেষ সুবিধা হোৱাৰ বাবে ইয়াত প্ৰযোজ্য এনে মাচুল/হাৰ আইচিআইচিআই বেঙ্কে সময়ে সময়ে নিৰ্ধাৰণ কৰিব পাৰে।

XXXIV. তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ চৰ্তাৱলী

১. এই চৰ্তাৱলী আৰু নিয়মাৱলী ("চৰ্তাৱলী") আইচিআইচিআই বেঙ্কে প্ৰদান কৰা তাৎক্ষণিক ক্ৰেডিট কাৰ্ডত প্ৰযোজ্য আৰু ইয়াক নিয়ন্ত্ৰণ কৰে তথা www.icicibank.com উপলব্ধ আইচিআইচিআই বেঙ্কৰ ফিক্সড ডিপজিট নিয়ন্ত্ৰণ কৰা চৰ্তাৱলী আৰু নিয়মাৱলী ("প্ৰাথমিক চৰ্তাৱলী আৰু নিয়মাৱলী")ৰ

অতিৰিক্ত ৰূপেহে দিয়া হৈছে। এই চৰ্তাৱলী আৰু প্ৰাথমিক চৰ্তাৱলী আৰু নিয়মাৱলীৰ মাজত যিকোনো বিসঙ্গতি থাকিলে, এই চৰ্তাৱলীয়ে প্ৰাধান্য পাব। ইয়াত ব্যৱহৃত কিন্তু নিৰ্ধাৰিত নোহোৱা সকলো বৰফলাৰ শব্দৰ প্ৰাথমিক চৰ্তাৱলী আৰু নিয়মাৱলীৰ অধীনত নিৰ্ধাৰিত অৰ্থ একে হ'ব।

২. "কাৰ্ডধাৰক"ৰ অৰ্থ হ'ব এনে এজন ব্যক্তি যি আইচিআইচিআই বেঙ্কত ফিক্সড ডিপজিট ৰাখিছে/ ৰাখে আৰু আইচিআইচিআই বেঙ্কৰ তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ বাবে আবেদন কৰে আৰু ইয়াত নিৰ্ধাৰিত চৰ্তাৱলী আৰু প্ৰাথমিক চৰ্তাৱলী আৰু নিয়মাৱলী সাপেক্ষে তাৎক্ষণিক ক্ৰেডিট কাৰ্ড জাৰী কৰা হয়। "তাৎক্ষণিক ক্ৰেডিট কাৰ্ড"ৰ অৰ্থ হ'ব আইচিআইচিআই বেঙ্কে আইচিআইচিআই বেঙ্কৰ দ্বাৰা কাৰ্ডধাৰকক আইচিআইচিআই বেঙ্কৰ সৈতে জমা থকা ফিক্সড ডিপজিটৰ বিপৰীতে জাৰী কৰা আইচিআইচিআই বেঙ্ক তাৎক্ষণিক ক্ৰেডিট কাৰ্ড।

3. তাৎক্ষণিক ক্ৰেডিট কাৰ্ড প্ৰাপ্ত কৰাৰ বাবে যোগ্য হ'বলৈ, কাৰ্ডধাৰকে আইচিআইচিআই বেঙ্কৰ ওচৰত নিম্নতম ১০,০০০/- টকাৰ এক ফিক্সড ডিপজিট ৰাখিব লাগিব।

৩. তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ ক্ৰেডিট সীমা হ'ব ফিক্সড ডিপজিট পৰিমাণৰ পঁচাশি শতাংশ (৮৫%), নিম্নতম ক্ৰেডিট সীমা ৮,৫০০/- টকা আৰু সৰ্বাধিক ৫ লাখ টকা। উক্ত ঋণৰ সীমা সময়ে সময়ে আইচিআইচিআই বেঙ্কৰ একমাত্ৰ বিবেচনা অনুসৰি পৰিৱৰ্তন হ'ব পাৰে আৰু আইচিআইচিআই বেঙ্কৰ দ্বাৰা উপযুক্ত বুলি গণ্য কৰা ধৰণে কাৰ্ডধাৰকক এই বিষয়ে জনোৱা হ'ব।

৪. কাৰ্ডধাৰকে নিৰ্ধাৰিত ধৰণে আৰু সময়ে সময়ে আইচিআইচিআই বেঙ্কে নিৰ্ধাৰিত কৰা অনুসৰি প্ৰাসঙ্গিক নথিপত্ৰবোৰ কাৰ্যকৰী কৰাৰ পিছত ফিক্সড ডিপজিট কৰিব লাগিব। কাৰ্ডধাৰকে কেৱল আইচিআইচিআই বেঙ্কৰ শাখা ত ফিক্সড ডিপজিট কৰিব লাগিব বা এনে আন বিকল্প চেনেলত কৰিব লাগিব যিটো আইচিআইচিআই বেঙ্কে সময়ে সময়ে ইয়াৰ একমাত্ৰ বিবেচনাত সিদ্ধান্ত ল'ব আৰু অৱগত কৰিব। এনেদৰে খোলা ফিক্সড ডিপজিটবোৰ কেৱল স্বয়ংক্ৰিয় নৱীকৰণ মোডত খোলা হ'ব। কাৰ্ডধাৰক/ আইচিআইচিআই বেঙ্কৰ দ্বাৰা কাৰ্ডখন বাতিল কৰাৰ ক্ষেত্ৰত, ফিক্সড ডিপজিট কৰাৰ সময়ত কাৰ্ডধাৰকে দিয়া নিৰ্দেশনা অনুসৰি তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ সৈতে সংযোজিত ফিক্সড ডিপজিট অব্যাহত থাকিব।

৫. তাৎক্ষণিক ক্ৰেডিট কাৰ্ড জাৰী কৰাৰ পিছত, আইচিআইচিআই বেঙ্কে কাৰ্ডধাৰকে অৰ্জন কৰা সূতসহ কাৰ্ডধাৰকে দিয়া ফিক্সড ডিপজিটৰ সম্পূৰ্ণ পৰিমাণৰ ওপৰত, যেতিয়ালৈকে তাৎক্ষণিক ক্ৰেডিট কাৰ্ড বা ফিক্সড ডিপজিটৰ ম্যাদপুৰ্তি নহয়, যিমান হ'ব পাৰে সেই মতে এক পূৰ্বস্বত্ব (lien) আৰোপ কৰিব।

৬. যদি আবেদনকাৰীৰ আইচিআইচিআই বেঙ্কৰ ওচৰত এক বিদ্যমান ফিক্সড ডিপজিট থাকে, তেন্তে ফিক্সড ডিপজিট টো কাৰ্ডধাৰকৰ তাৎক্ষণিক ক্ৰেডিট কাৰ্ড একাউণ্টৰ সৈতে সংযোজিত কৰা হ'ব আৰু তাৎক্ষণিক ভাৱে প্ৰভাৱিত হোৱাকৈ ফিক্সড ডিপজিট টো এক স্বয়ং-নৱীকৰণ মোডলৈ ৰূপান্তৰ কৰা হ'ব। স্বয়ংক্ৰিয়ৰ সময়ত প্ৰযোজ্য সূতৰ প্ৰযোজ্য হাৰ - ফিক্সড ডিপজিটৰ নৱীকৰণৰ বাবে থকা উক্ত ফিক্সড ডিপজিটৰ পৰিমাণৰ ওপৰত প্ৰযোজ্য হ'ব।

৭. কাৰ্ডধাৰকে তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ সৈতে সংযোজিত ফিক্সড ডিপজিটৰ পৰা কোনো অংশ উলিয়াব নোৱাৰিব।

৮. এইচ.ইউ.এফ (HUF), অংশীদাৰী প্ৰতিষ্ঠান, নাবালক বা আবেদনকাৰী/সকলৰ দ্বাৰা যুটীয়াভাৱে খোলা ফিক্সড ডিপজিটবোৰ তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ বাবে প্ৰাপ্য নহ'ব। কেৱল একক ব্যক্তিৰ নামত থকা ফিক্সড ডিপজিটবোৰহে তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ বাবে যোগ্য হ'ব।

৯. ফিক্সড ডিপজিট সুবিধাৰ বাবে মনোনয়ন সুবিধা উপলব্ধ হ'ব।

10. ফিক্সড ডিপজিট বা তাৎক্ষণিক ক্ৰেডিট কাৰ্ড সমাপ্ত / প্ৰত্যাহাৰ / বাতিল কৰাৰ ক্ষেত্ৰত বা যদি কাৰ্ডধাৰকে নিৰ্ধাৰিত তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত তাৎক্ষণিক ক্ৰেডিট কাৰ্ডত বকেয়া পৰিমাণ পৰিশোধ কৰাত বিফল হয়, বা যদি চৰ্তাৱলী অনুসৰি আইচিআইচিআই বেঙ্কে আৰোপ কৰা যিকোনো মাচুল, শুল্ক বা আন যিকোনো পৰিমাণসহ তাৎক্ষণিক ক্ৰেডিট কাৰ্ডত বকেয়া পৰিমাণ যিকোনো সময়তে স্থিৰ জমা পৰিমাণৰ ৯৫% তকৈ অধিক পৰিমাণৰ পৰিমাণ থাকে, তেন্তে সেই বকেয়া পৰিমাণ সূতসহ আহৰণৰ বাবে আইচিআইচিআই বেঙ্কত জমা হোৱা সূতসহ সমগ্ৰ ফিক্সড ডিপজিট পৰিমাণ ভঙাৰ লগতে তাক বন্ধ কৰাৰও অধিকাৰ থাকিব। ওপৰোক্ত কৰ্তনৰ পিছত বাকী থকা যিকোনো বেলেন্স কাৰ্ডধাৰকক ঘূৰাই দিয়া হ'ব।

১১. ইনষ্টাচেভ ফিক্সড ডিপজিট নিয়ন্ত্ৰণ কৰা চৰ্তাৱলী আৰু নিয়মাৱলী অনুসৰি, এককালীন পাছৱৰ্ড ((OTP)) আধাৰিতত খোলা ইনষ্টাচেভ ফিক্সড ডিপজিট থকা কাৰ্ডধাৰকসকলৰ বাবে ই-কেৱাইচি (e- KYC) (ইলেক্ট্ৰনিক- আপোনাৰ গ্ৰাহকক জানক) প্ৰমাণীকৰণ, ভৌতিক কেৱাইচি প্ৰমাণীকৰণ বা গ্ৰাহকৰ যথাযথ প্ৰমাণীকৰণ তেনে ইনষ্টাচেভ ফিক্সড ডিপজিট সুবিধা গ্ৰহণ কৰাৰ ১(এক) বছৰৰ ভিতৰত সম্পূৰ্ণ নোহোৱা ক্ষেত্ৰত, , যিকোনো কাৰণত, প্ৰাসঙ্গিক সঞ্চয় আৰু ইনষ্টাচেভ ফিক্সড ডিপজিট একাউণ্ট বন্ধ হ'ব পাৰে। মন কৰিবলগীয়া যে ওপৰোক্ত ঘটনাটোত, ইনষ্টাচেভ ফিক্সড ডিপজিটৰ বিপৰীতে কাৰ্ডধাৰকে লাভ কৰা তাৎক্ষণিক ক্ৰেডিট কাৰ্ডখনো বন্ধ কৰা হ'ব, আৰু এনে ইনষ্টাচেভ ফিক্সড ডিপজিটৰ বিপৰীতে চিহ্নিত পূৰ্বস্বত্ব আঁতৰ কৰা হ'ব। অৱশ্যে, ইয়াত বা আন যিকোনো নথিপত্ৰ উল্লেখিত যিকোনো বিষয়ত সন্মত নহলে, আইচিআইচিআই বেঙ্কত জমা সমগ্ৰ ফিক্সড ডিপজিট পৰিমাণ ভঙাৰ অধিকাৰ থাকিব, যাৰ ভিতৰত আছে জমা হোৱা সূত, আৰু তাৎক্ষণিক ক্ৰেডিট কাৰ্ডৰ সন্দৰ্ভত আইচিআইচিআই বেঙ্কক পৰিশোধ কৰিবলগা অন্য বকেয়া পৰিমাণ। ওপৰোক্ত সালসলনিৰ পিছত বাকী থকা যিকোনো বেলেন্স কাৰ্ডধাৰকক ঘূৰাই দিয়া হ'ব।

১২. ফিক্সড ডিপজিটত পূৰ্বস্বত্ব চিহ্নিত কৰাৰ পিছত তাৎক্ষণিক ক্ৰেডিট কাৰ্ড সক্ৰিয় কৰা হ'ব।

১৩. যিকোনো সময়ত এজন কাৰ্ডধাৰকক কেৱল এটা তাৎক্ষণিক ক্ৰেডিট কাৰ্ড জাৰী কৰিব পাৰি।

আইচিআইচিআই বেঙ্ক লিমিটেড

পঞ্জীভুক্ত কাৰ্যালয়: আইচিআইচিআই বেংক টাৱাৰ, চাকলি চক্ৰৰ ওচৰত, পুৰণি পাদ্ৰা ৰোড, বদোদৰা -৩৯০০০৭

কৰ্পোৰেট কাৰ্যালয়: আইচিআইচিআই বেংক টাৱাৰ, বান্দ্ৰা কুৰ্লা কমপ্লেক্স, বান্দ্ৰা (পূব), মুম্বাই ৪০০০৫১।

অস্বীকৃতি:

"আই.চি.আই.চি.আই. বেঙ্কে ইয়াৰ একমাত্ৰ বিবেচনাত, ইয়াৰ সামগ্ৰী/সেৱাৰ সম্পৰ্কত বাহ্যিক সেৱা প্ৰদানকৰ্তা বা এজেণ্টৰ সেৱা আৰু প্ৰয়োজন বা বাঞ্ছনীয় অনুসৰি এনে চৰ্তাৱলীত ব্যৱহাৰ কৰিব পাৰে।"

"আইচিআইচিআই বেঙ্ক" (ICICI Bank) আৰু "আই-মেন" (I-man) ল'গ'বোৰ হৈছে আইচিআইচিআই বেঙ্ক লিমিটেডৰ ট্ৰেডমাৰ্ক আৰু সম্পত্তি। যিকোনো বৌদ্ধিক সম্পত্তিৰ অপব্যৱহাৰ, বা ইয়াত প্ৰদৰ্শিত আন যিকোনো সমল কঠোৰভাৱে নিষিদ্ধ।